
# সুৰেন দাস মহাবিদ্যালয়

# আলোচনী

১৯৯২ ৯৩
১৯৯৩ ৯৪

তত্ত্বাৱধায়িকা:
লোপা ডেকা বৰুৱা



সম্পাদক :
প্ৰশান্ত কুমাৰ ডেকা
খনিন্দ্ৰ দাস

# সুৰেন দাস মহাবিদ্যালয়
# আলোচনী

পঞ্চম সংখ্যা

ইং ১৯৯২-৯৩, ১৯৯৩-৯৪ বৰ্ষ

তত্ত্বাৱধায়ক :

ধ্যাপিকা লোপা ডেকা বৰুৱা

সম্পাদকদ্বয় :

শ্ৰীপলশ কুমাৰ ডেকা

শ্ৰীখনিন্দ্ৰ দাস

সুৰেন দাস মহাবিদ্যালয় আলোচনী
পঞ্চম সংখ্যা :
ইং ১৯৯২-৯৩, ১৯৯৩-৯৪ বৰ্ষ

* তত্বাৱধায়ক :
অধ্যাপিকা লোপা ডেকা বৰুৱা

* সম্পাদকদ্বয় :
শ্ৰীপলশ কুমাৰ ডেকা
শ্ৰীখনিন্দ্ৰ দাস

* অংগসজ্জা :
সম্পাদকদ্বয়

* প্ৰকাশক :
সুঃ দাঃ মঃ বিঃ ছাত্ৰ একতা সভা।

* মুদ্ৰক :
জয়া প্ৰিণ্টাৰ্চ, হাজো।

# শ্বহীদ তৰ্পণ




"যাৰ তেজত তিৰ্বিৰাইছিল
অসমৰ অস্তিত্ব ৰক্ষাৰ ধ্বনি,
তাৰে বুকুত বাৰুদৰ প্ৰতিধ্বনি;
শিতানত যাৰ তেজে ধোৱা মাটি।
সেই বীৰ সকলক
নিবেদিছোঁ শ্ৰদ্ধাঞ্জলি।"
।। জয় আই অসম।।

## ॥ শ্বহীদ তৰ্পণ ॥

অসমৰ

অস্তিত্ব ৰক্ষাৰ

ক্ষণত বুকুৰ শোণিতেৰে

নিজক আত্ম বলিদান দিয়া জ্ঞাত-

অজ্ঞাত মৃত্যুঞ্জয়ী বীৰ শ্বহীদসকলৰ

লগতে এই মহান শিক্ষানুষ্ঠানৰ দাতা

৺সুৰেন দাস দেৱৰ ওচৰত

আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি

যাচিছোঁ।

"জয় আই অসম"

## ॥ সম্পাদনা সমিতি ॥

| | | |
|---|---|---|
| সভাপতি— | অধ্যক্ষ | ডঃ দয়ানন্দ পাঠক |
| তত্ত্বাৱধায়ক— | অধ্যাপিকা | শ্ৰীমতী লোপা ডেকা বৰুৱা |
| সদস্য— | অধ্যাপক | শ্ৰীবিষ্ণু কান্ত শৰ্ম্মা |
| | ” | শ্ৰীপ্ৰসন্ন কুমাৰ চহৰীয়া |
| | ” | শ্ৰীসুবোধ চন্দ্ৰ চৌধুৰী, তত্ত্বাৱধায়ক ছাঃ এঃ সভা |
| | | শ্ৰীঅতুল দাস, সাঃ সঃ ছাঃ এঃ সভা |
| | | মঃ আমানুৰ ৰহমান, সাঃ সঃ ছাঃ এঃ সভা |
| | | শ্ৰীপলশ কুমাৰ ডেকা, সম্পাদক, আলোচনী |
| | | শ্ৰীখনিন্দ্ৰ দাস, সম্পাদক, আলোচনী। |

## ॥ উচৰ্গা ॥

সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা
কৰ্ম্মচাৰীৰ লগতে সকলো শুভাকাঙ্ক্ষী তথা
পঢ়ুৱৈৰ হাতত আলোচনীখনিৰ
পঞ্চম সংখ্যাটো উচৰ্গা
কৰিলোঁ।

সম্পাদকদ্বয়ঃ

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| **॥ প্ৰবন্ধ ॥** | | |
| ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ কাব্যিক জীৱন দৰ্শন | আব্দুছ ছালাম | ১ |
| ড° লীলা গগৈ : এটি শ্ৰদ্ধাঞ্জলি | ৰঞ্জিত তালুকদাৰ | ৫ |
| ভাৰতৰ যুক্তৰাষ্ট্ৰবাদ : এটি সমীক্ষা | ৰীপিমা বুজৰবৰুৱা | ১১ |
| **॥ গল্প ॥** | | |
| দক্ষিণা | আব্দুল মালিক | ১৫ |
| কিনো ভৈল কাল বিপৰীত | পলাশ কুমাৰ ডেকা | ১৭ |
| **॥ প্ৰবন্ধ ॥** | | |
| অসমৰ যুৱ সমাজত হিন্দী চিনেমাৰ কু-প্ৰভাৱ : এটি আলোচনা | বাবুল কৈৱৰ্ত্ত | ২০ |
| স্বাধীনতা সংগ্ৰামত অসমীয়া নাৰী | লোপা ডেকা বৰুৱা | ২৩ |
| **॥ কবিতা ॥** | | |
| তুমি জীয়াই আছা | বিনীতা দাস | ২৮ |
| প্ৰত্যাশা | হেমন্ত দাস | ২৮ |
| চিনাকি-অচিনাকি | আব্দুছ ছালাম | ২৯ |
| ছাত্ৰৰ বেদ | পূৰ্ণিমা দাস | ২৯ |
| প্ৰতীক্ষা | হীৰা মালাকৰ | ৩০ |
| প্ৰেম | শৰৎ চন্দ্ৰ ওজা | ৩০ |
| প্ৰাসঙ্গিক | খনিন্দ্ৰ কুমাৰ দাস | ৩১ |
| **এটা বাক্যৰ গল্প—** যুগৰ স্বাক্ষৰ | নীৰেন হাজৈ | ৩২ |
| শ্বায়েৰী | খনিন্দ্ৰ দাস | ৩৩ |
| কুইজ | অনামিকা বৰ্মণ | ৩৫ |
| মহৎলোকৰ বাণী— | | ৩৬ |
| **ছাত্ৰ একতা সভাৰ সম্পাদক সকলৰ প্ৰতিবেদন—** | | |


# সম্পাদকীয়

অসমীয়া সমাজ জীৱনত আজি প্ৰশ্নৰ উদয় হৈছে— "আমি কোন দিশলৈ ধাৱিত হৈছো ? দেশ উন্নতিৰ পথত নে অধোগতিৰ গৰাহত ?" এশ এবুৰি সমস্যাই আমাক পঙ্গু সজাইছে। হত্যা, ধৰ্ষণ, নিৰ্য্যাতন, অপহৰণ, বন্ধ, আন্দোলন-- আদিৰ শিৰোনামাই আজিৰ বাতৰি কাকতৰ বিষয়বস্তু। উৎকোচ, আত্মসাৎ আদি আনুসঙ্গিক চৰিত্ৰ আছেই। নৈতিকতাক বনবাস দি অন্যায়-অনীতিক পোহপাল দিয়া হৈছে। নৰহত্যা আজি ফাকুখেল মাথোন। দেশত শাসক আছে, শাসন নাই; ধৰ্ম্ম আছে, ধাৰ্ম্মিক নাই; আইন আছে, আইন মানোতা নাই।

সাহিত্য সমাজৰ দাপোণ। কেমেৰাত তোলা কুৎচিত পুৰুষজনৰ ফটোখন জানো সৰ্ব্বাঙ্গ সুন্দৰ হ'ব পাৰে ? জাতীয় সাহিত্যত প্ৰতিফলিত হ'বলৈ আগবাঢ়ি তহা আমাৰ সমাজৰ পঙ্গুতা আঁতৰাবলৈ সাহিত্যৰ জৰিয়তে সাহিত্যিক সকলে এক "কলম যুদ্ধ"ৰ সূচনা কৰিব লাগিব। "লিখনি তৰোৱালতকৈও শক্তিশালী" বুলি এষাৰ কথা আছে। সাহিত্যিক সকলে সাহিত্য সাধনৰ মন্ত্ৰেৰে সমাজক নিকা কৰিবলৈ আগবাঢ়ি আহিব লাগিব। সাহিত্য মানেই এক অৰ্থত মিলন ঘটোৱা। এই মিলন শব্দ আৰু অৰ্থৰে মিলন নহয়, ভাব আৰু ভাষাৰে মিলন নহয়— ই হ'ব লাগিব ইজনৰ লগত সিজনৰ মিলন, নানা ভাষী, নানা জাতি, নানা ধৰ্ম্মীৰ সমন্বয় সাধন। মুঠতে কবলৈ হ'লে বিপথগামী আজিৰ সমাজত সাহিত্যিকেই দিশ নিৰ্ণয়কাৰীৰ ভূমিকা গ্ৰহণ কৰিব লাগিব।

মহাবিদ্যালয়ৰ আলোচনীৰাজীয়ে আজিৰ অসমীয়া ভাষা সাহিত্যত যোগাব পৰা সম্ভাব্য অৱদানত বাধাপ্ৰাপ্ত হৈছে। সাহিত্য সৃষ্টিৰ হকে যি সুস্থ পৰিবেশৰ প্ৰয়োজন তাৰ পৰা যেন মহাবিদ্যালয় সমূহ বঞ্চিত হ'ব লগা হৈছে। বিভিন্ন প্ৰশ্নত অসমৰ ছাত্ৰ-সমাজ আন্দোলনৰ পথলৈ আহিবলৈ বাধ্য হৈছে। মহাবিদ্যালয়ৰ শিক্ষক সমাজো আজি ন্যায্য প্ৰাপ্তিৰ দাবীত দীৰ্ঘদিনীয়াকৈ পাঠদান কাৰ্য্যৰ পৰা বিৰত থাকিব লগা হৈছে। এনে পৰিস্থিতিত মহাবিদ্যালয়ত সুস্থ বাতাবৰণৰ আজি অভাৱ হৈছে। সুস্থ মধুৰ পৰিবেশেহে বিদ্যালয়-মহাবিদ্যালয় সমূহক

সকলো দিশতে আগবাঢ়ি যোৱাত সহায় কৰিব পাৰে।

সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰিদৰৰ ওপৰত নিৰ্ভৰ কৰে তেওঁলোকৰ লিখনি। মহাবিদ্যালয়ৰ আলোচনীখন এক উচ্চ মানদণ্ডৰ হ'ব লাগে। কিন্তু একবিংশ শতিকাৰ আগমূহূৰ্ত্তত অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ প্ৰশ্নৰ সময়ত, এসময়ৰ কলিকতীয়া অসমীয়া ছাত্ৰই যি চিন্তা কৰিছিল, সেই চিন্তা আজি কৰিবৰ হ'ল। কাৰণ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে চিন্তা-চৰ্চ্চাৰ পৰিবেশ আনিছে সহজলভ্য ধন আদায়, সস্তীয়া যৌন সম্পৰ্কীয় পুথিৰ অধ্যয়ন ইত্যাদি। আলোচনীখনৰ জৰিয়তে এনেবোৰ কথা স্পষ্ট কৰিব নোৱাৰিলেও এক সাহিত্য চৰ্চ্চাৰ পৰিবেশ সৃষ্টি কৰাৰ যি প্ৰয়াস কৰিছিলো তাক কিন্তু বাস্তৱত ৰূপ দিব নোৱাৰিলোঁ। আশা ৰাখিলো আমাৰ পৰবৰ্তী সম্পাদকে হাজো সুৰেন দাস মহাবিদ্যালয়ত এক সাহিত্য চৰ্চ্চাৰ পৰিবেশ গঢ়ি তুলিব।

সুৰেন দাস মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলে আমাক সাহিত্য সেৱা কৰাৰ যি এক সুবিধা দিছিল তাক হয়তো যথোপযুক্ত ভাৱে গ্ৰহণ কৰিব নোৱাৰিলোঁ। সেয়েহে আমাৰ সম্পাদিত এই সংখ্যাটিৰ সৰ্ব্বপ্ৰকাৰ দায়-দোষৰ বাবে সহৃদয় পাঠকৰ ওচৰত ক্ষমা ভিক্ষা কৰিছোঁ।

আলোচনী এখন সম্পাদনা কৰা কামটো বৰ কঠিন। এনে দায়িত্ব বহন কৰাত সাধাৰণ ভুল-ক্ৰুটি হোৱাটো স্বাভাৱিক। আমাৰ সীমিত জ্ঞানেৰে সম্পাদনা কৰাৰ ক্ষেত্ৰত প্ৰতিটো কথাতে দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে তত্বাৱধায়ক অধ্যাপিকা শ্ৰীমতী লোপা ডেকা বৰুৱা মহোদয়া, অধ্যাপক শ্ৰীবিষ্ণু কান্ত শৰ্ম্মা আৰু অধ্যক্ষ ড° দয়ানন্দ পাঠক মহোদয়কো আমি আন্তৰিকতাৰে শলাগিছোঁ। লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাভাজন অধ্যাপক-অধ্যাপিকা সকলৰ অকুণ্ঠ মৰম-স্নেহৰ ওচৰত আমি আজীৱন চিৰকৃতজ্ঞ হৈ থাকিম। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত বন্ধু-বান্ধৱী সকল হ'ল— মানৱ, মুকুল, অৰূপ, ভৱানন্দ, দিগন্ত, মনোজ, ৰিংকু, শৰৎ, মুন, ৰিপৱ, আফজল, দীপক, নবাব, বিনীতা, ডেইজী, ৰবী, মিণ্টু, কল্যাণী আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক শুভেচ্ছা নিবেদিছোঁ। প্ৰাচীৰ পত্ৰিকাৰ অংগসজ্জাত বিশেষ ভাৱে সহায় কৰা শ্ৰীনপোন কলিতাৰ ওচৰত আমি চিৰকৃতজ্ঞ।

শেষত পুনৰ মৰম আৰু আন্তৰিকতাৰে—

শ্ৰীপলশ কুমাৰ ডেকা
শ্ৰীখনিন্দ্ৰ দাস
সম্পাদকদ্বয়,
সুৰেন দাস মহাবিদ্যালয় আলোচনী।

প্ৰবন্ধ

# ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ কাব্যিক জীৱন দৰ্শন

আব্দুছ ছালাম
স্নাতক ২য় বৰ্ষ / কলা
( অসমীয়া প্ৰধান )

মহিলা কবি নলিনীবালা দেৱী অসমীয়া সাহিত্য জগতত এটি সুপৰিচিত নাম। তেওঁ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ ঔৰসত আৰু হেমন্ত কুমাৰী দেৱীৰ গৰ্ভত ১৮৯৮ চনৰ ২৩ মাৰ্চ তাৰিখে বৰপেটাত জন্ম গ্ৰহণ কৰে। 'সন্ধিয়াৰ সুৰ', 'আপোন সুৰ', 'পৰশমণি', 'যুগদেৱতা', 'জাগৃতি', আৰু 'অলকানন্দা' তেওঁৰ উল্লেখযোগ্য কবিতাৰ পুথি। ইয়াৰ উপৰিও 'স্মৃতিতীৰ্থ' আৰু 'বিশ্বদীপা' দুখন জীৱনী গ্ৰন্থ। ১৯৫৪ চনত হোৱা 'অসম সাহিত্য সভা'ৰ যোৰহাট অধিবেশনত সভানেত্ৰীৰ পদ অলংকৃত কৰা আৰু ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী' উপাধিৰে সন্মানিতা কবিগৰাকীয়ে ১৯৬৮ চনত তেওঁৰ 'অলকানন্দা' পুথিখনিৰ বাবে সাহিত্যৰ সৰ্ব্বোচ্চ সন্মান 'সাহিত্য একাডেমী' পুৰস্কাৰ লাভ কৰে।

নিচেই সৰু কালৰে পৰাই সাহিত্য সাধনাৰ প্ৰতি তেওঁৰ আগ্ৰহ থকা দেখা যায়। কলেজীয়া শিক্ষা নোপোৱা নলিনীবালা দেৱীয়ে ঘৰুৱা শিক্ষক গোপাল কৃষ্ণ দেৱ তলত শিক্ষা লাভ কৰে। মাত্ৰ ১০ বছৰ বয়সত তেওঁৰ 'পিতা' নামৰ কবিতা এটি ১৯০৮ চনত মাহেকীয়া 'আলোচনী' কাকতত প্ৰকাশ পায়। ইমান কম বয়সতে সৰ্বনিয়ন্তা পৰমেশ্বৰক উপলক্ষ্য কৰি লিখা কবিতাটোৰে তেওঁৰ কাব্য প্ৰতিভাৰ চিনাকি দিয়ে।

"হেৰা প্ৰভাতৰ অৰুণ কিৰণ
ক'ত পালা এনে উজ্জ্বল বৰণ
ইমান কোমল মাধুৰীসনা
যিজনে বিলালে এই উজ্জ্বলতা
সিজনে আমাৰ পিতা।
আমাৰ পিতা চিৰ স্নেহময়
চৰণত কোটিবাৰ প্ৰণামিছো মই।"
—'পিতা'

১৯৩৯ চনত মাহেকীয়া 'আলোচনী' কাকতত প্ৰকাশিত আন এটি কবিতা হৈছে 'সন্ধ্যা'—

"সুবিমল সন্ধিয়াত পূব আকাশৰ গাত
সোণোৱালী তৰা উঠে এটি-দুটি ফুটি
ধীৰে মলয়া বয় ধীৰে ধীৰে বৈ যায়
মধুৰ ফুলৰ গোন্ধ আহে তাতে উটি।
তোমাৰ সেৱাতে যেন ক্ষুদ্ৰ প্ৰাণ শেষ হয়
শুভ কাৰ্য্যে সৰ্বদায় জীৱন কটাওঁ ।"

শিশুকালতে লিখা উক্ত কবিতা দুটিত পৰম পিতা পৰমেশ্বৰৰ গুণ-কীৰ্ত্তন কৰিছে আৰু ভক্তি অৰ্ঘ্য যাচিছে ।

অসমৰ এটি সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালৰ জীয়ৰী স্বৰ্গীয়া নলিনীবালা দেৱীৰ ব্ৰাহ্মণৰ নিয়ম অনুসৰি কম বয়সতে অৰ্থাৎ মাত্ৰ ১১ বছৰ বয়সতে শিৱসাগৰৰ জীৱেশ্বৰ চাংকাকতিৰ লগত বিয়া হয়। কিন্তু নিষ্ঠুৰ নিয়তিয়ে তেওঁৰ স্বামীক দাম্পত্য জীৱনৰ ৯ বছৰ শেষ নৌহওঁতেই এই সংসাৰৰ পৰা লৈ যায় । তেওঁৰ ধুনীয়াকৈ সজোৱা সংসাৰ খন ক্ষন্তেকতে ছাৰখ ৰ হৈ গ'ল; কপালৰ ফোট মোচ খালে । স্বামীৰ অন্তিম শ্ৰাদ্ধ শেষ কৰি শিৱসাগৰৰ পৰা গুৱাহাটী লৈ আহি তেওঁৰ দেউতাকৰ লগত থাকিবলৈ ললে । "আজি দেউতাৰ ঘৰত বহি অতীতৰ এৰি অহা সেই সপোন স্মৃতিবোৰ দেবোপম স্বামীক অকালতে হেৰুৱাই দেউতাৰ ঘৰলৈ উভতি অহাৰ কথা সুঁৱৰিছো ।

বৈধব্য জীৱনৰ দাৰুণ হাহাকাৰে হিয়াপুৰী ছাই কৰি পেলালে । পাঁচোটি অনাথ সন্তান বুকুত বান্ধি দেউতাৰ আশ্ৰয়লৈ আহিছো । সন্মুখত সীমাহীন ভৱিষ্যত । পথহাৰা পথিকক কোনে দিব পথৰ নিৰ্দে'শ ?"

( এৰি অহা দিনবোৰ, পৃষ্ঠা-৫৯ )

সেইপথৰ নিৰ্দ্দেশ পাবৰ বাবে তেওঁ অধ্যয়নত আত্মনিয়োগ কৰিলে । তেওঁৰ পূজনীয় শিক্ষক গোপাল কৃষ্ণ দেই লাইব্ৰেৰীৰ পৰা বছা বছা কিতাপবোৰ আনি দিয়ে আৰু তত্বগধুৰ গ্ৰন্থসমূহ অধ্যয়ন কৰি শান্তি লাভ কৰে । তেওঁৰ লিখনি সমূহত ভগৱানৰ প্ৰতি গভীৰ আস্থা আৰু আত্ম-সমৰ্পণৰ ছাপ ফুটি উঠিছে । "ক্ৰমে ভোগ-সুখ বিলাক লৈ দাৰুণ বিতৃষ্ণা আহিল । কবিগুৰু ৰবীন্দ্ৰ নাথৰ 'গীতাঞ্জলী'ৰ গীত কেইটিমান জীৱনৰ ধ্যান-মন্ত্ৰ স্বৰূপ হ'ল । গধূলি সময়ত হিয়া উজাৰি গীত-গাই সান্ত্বনা লভো ।"

কবি গুৰু ৰবীন্দ্ৰ নাথৰ 'গীতাঞ্জলী', 'শ্ৰীমদ্ভাগৱত গীতা' আৰু অন্যান্য তত্বগধুৰ গ্ৰন্থ অধ্যয়ন কৰি লাহে লাহে নলিনীবালা দেৱীয়ে চিৰসুন্দৰ ভগৱন্তৰ ওচৰ-চাপি গৈছে । স্বামী বিয়োগৰ বেদনা মনৰ পৰা আঁতৰি নোযোৱাৰ আগতে আন এটি শোকাবহ ঘটনা ঘটে । সেয়া হ'ল—পাঁচ বছৰীয়া পুত্ৰ পুতুলীৰ জুইত পৰি মৃত্যু । স্বামী বিয়োগ আৰু পুত্ৰ বিয়োগৰ শোকে অন্তৰত এটি বিষাদৰ কৰুণ সুৰ হৈ বাজি উঠিল আৰু তাৰেই প্ৰকাশ 'সন্ধিয়াৰ সুৰ' । 'সন্ধিয়াৰ সুৰ'ৰ বিষয়ে কবিয়ে নিজেই কৈছে— "সন্ধিয়াৰ সুৰৰ প্ৰত্যেকটি কবিতা মোৰ সংঘাতময় জীৱনৰ হৃদয় মথি ওলোৱা বেদনাৰ অৰ্ঘ্য; জীৱনৰ আশ্ৰয় আশা-ভৰসা বিহীন নিঃসঙ্গ জীৱনে বিচাৰি ফুৰা সৰ্বসন্তাপহাৰীৰ চৰণ আশ্ৰয়লৈ



আগবঢ়া অন্তৰৰ একান্ত আকুতি । জীৱনৰ শোকে-দুখে আৱৰা নিসঙ্গ যাত্ৰা পথত নীৰৱে-গোপনে আগবঢ়োৱা পৰম আশ্ৰয়লৈ অপেক্ষা । সংসাৰৰ বহু ঘাত-প্ৰতিঘাতৰ সান্ত্বনা বিচাৰি অন্তৰৰ পৰম তৃষ্ণাই সন্ধান পালে পৰম পদৰ । সেই যাত্ৰাৰ সন্ধান যদিও বেদনাময় তথাপি পৰম সত্য শান্তি অন্বেষণৰ সু-পবিত্ৰ গৈৰিক যাত্ৰা যেন অতীন্দ্ৰিয় শান্তিময় ।"

('এৰি অহা দিনবোৰ' পৃষ্ঠা-২৯১-৯২)

কবি গৰাকীৰ লিখনিত প্ৰধানকৈ মানৱীয় শোকানুভূতি, ভগৱং প্ৰেম আৰু স্বদেশানুৰাগৰ উচ্ছ্বাস দেখিবলৈ পোৱা যায় । 'সন্ধিয়াৰ সুৰ'ৰ 'নাটঘৰ' কবিতাটিত তেওঁ লিখিছে—

" বিফলতা লৈয়ে এই ৰচিলো জীৱন গীত
সৰি পৰে দুচকুৰ নীৰ,
বিশাল বিশ্বত মাথো নয়নৰ লোৰে মোৰ
উপচিল সাগৰৰ তীৰ ।"

জীৱন যাত্ৰাৰ পথত এটিৰ পিছত আন এটি শোকাবহ ঘটনাইহে তেওঁক চিৰসুন্দৰৰ বিষয়ে মনত পেলাই দিছে ।

"সীমাহীন সাগৰৰ পাৰত তোমালৈ পৰিছে মনত,
অ' মোৰ পৰম প্ৰিয় !
তুমি ক'ত ! তুমি ক'ত ! ক'ত !"

( 'সন্ধিয়াৰ সুৰ', 'অনাহুত' )

প্ৰকৃতিৰ সৌন্দৰ্য্যত, বিহগৰ আকুল তানত, মূঠতে সুন্দৰী প্ৰকৃতিৰ প্ৰতি অঙ্গতে কবিয়ে অবিনশ্বৰ আত্মাৰ অনন্ত জীৱনৰ চিন দেখা পাইছে । আনহাতে মানুহৰ অন্তৰৰ অসীম সৌন্দৰ্য্য তৃষ্ণাই অনন্ত সুন্দৰ কোনোবা এজনৰ মহা আকৰ্ষ ৰ সূচনা কৰিছে । কবিৰ চিৰ প্ৰতীক্ষামালা—

" কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকী দুদিনৰ
সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব
খহি গলে জৰী মৰমৰ ।"

( 'সন্ধিয়াৰ সুৰ', 'নাটঘৰ' )

ইয়াৰ বাহিৰেও দুই এটা কবিতাত স্বদেশানুৰাগৰ উচ্ছ্বাস দেখিবলৈ পোৱা যায়—

" মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জীৱনৰ আদিম পুৱাত
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত ।"
দুখীয়াৰ ভগা-পঁজা একোখনি পূণ্যতীৰ্থ
একোখনি পূণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম ।"

( 'সন্ধিয়াৰ সুৰ', 'জনমভূমি' )

'সন্ধিয়াৰ সুৰ'ৰ উপৰিও তেওঁ ৰচনা কৰা অন্যান্য কবিতা পুথিত একেই মানৱীয় শোকানুভূতি, ভগৱৎ প্ৰেম আৰু স্বদেশানুৰাগৰ পুনৰাবৃত্তি দেখিবলৈ পোৱা যায় । 'জাগৃতি' পুথিখনি ১৯৬২ চনত চীনা আক্ৰমণৰ সময়ত ৰচিত । ইয়াত দেশাত্মবোধ জগাই তুলিবৰ বাবে কবিয়ে কিছুমান গীতি কবিতা ৰচনা কৰিছে ।

সাহিত্য সাধনাৰ উপৰিও কবি গৰাকীয়ে কিছুমান জনকল্যাণমূলক কামত জড়িত আছিল । গোলাঘাটত অনুষ্ঠিত হোৱা 'সদৌ অসম ছাত্ৰ সন্মিলন' আৰু নগাৰত অনুষ্ঠিত 'অসম প্ৰাদেশিক মহিলা সমিতি'ত পৌৰোহিত্য কৰিছিল । তেওঁ

১৯৫০ চনত 'সদৌ অসম পাৰিজাত কানন' (বৰ্ত্তমান মইনা পাৰিজাত) নামৰ শিশু অনুষ্ঠান এটি স্থাপন কৰে। এসময়ত তেওঁ 'আন্তৰ্জাতিক শিশু কল্যাণ সমিতি'ৰ অসম শাখাৰ সভানেত্ৰীও নিৰ্ব্বাচিত হৈছিল।

নলিনীবালা দেৱীয়ে জীৱনত যিমানে আঘাত পাইছে, যিমানে শোক পাইছে; সিমানে চিৰসুন্দৰ ভগৱন্তলৈ মনত পৰিছে আৰু তৃষিত প্ৰাণে তেওঁক পাবৰ বাবে ব্যগ্ৰ হৈ পৰিছে। ভগৱন্তক সম্বোধন কৰি ৰচা কবিতাবোৰত যেন এক আকুল ভক্তিৰ আৰু আত্মসমৰ্পণৰ সুৰ কঁপি উঠিছে—

"অ' মোৰ পৰম প্ৰিয়!
নিষ্ঠুৰ আঘাতে চূৰ্ণ হৃদয় সিযে চিৰস্মৰণীয়,
অ' মোৰ পৰম প্ৰিয়!
ই জীৱন হওঁক ধূলিৰ তলৰ ধূলি
তোমাৰ প্ৰসাদ অনুৰঞ্জিত পাওঁ
যদি পদ ধূলি নিষ্পেষিত প্ৰাণ বেদনাত
তোমাৰ নিবিড় মধু চেতনাত
ৰক্তিম হিয়া হয় যদি ৰমণীয়।" (অলকানন্দা)

নলিনীবালা দেৱীৰ মৃত্যুৰ মাত্ৰ এবছৰ আগতে লিখা 'আত্মজীৱনী' 'এৰি অহা দিনবোৰ', তেওঁৰ সাহিত্য জগতৰ অপূৰ্ব সৃষ্টি। আত্মজীৱনীখনিত তেওঁৰ দাৰ্শনিক চিন্তাধাৰা স্পষ্ট হৈ উঠিছে। জীৱনৰ একোটি ৰিক্ততাই কেনেকৈ ভগৱানৰ কাষ চপাই দিছিল, সাংসাৰিক শোক-তাপ সহ্য কৰি কেনেকৈ তেওঁ ভগৱানৰ পদ প্ৰান্তত আশ্ৰয় লৈছে তাকেই "এৰি অহা দিনবোৰ"ত তেওঁ আবেগময় ভাষাৰে বৰ্ণনা কৰিছে। কবি চিৰসুন্দৰ ভগৱন্তৰ পদ প্ৰান্তত আশ্ৰিতা; "এই অপাৰ্থিৱ সুৰজগতৰ স্পৰ্শত জীৱন সত্বা নিমগ্ন বিভোৰ হৈ আগবাঢ়ি গৈ আছো। এতিয়া জৰাজীৰ্ণ ভাগৰুৱা জীৱনে জিৰণি বিচাৰিছে। সেয়েহে নগৰৰ কোলাহল এৰি জাতিৰ পিতাৰ পাদপীঠত শৰণীয়া পৰ্বতৰ গাত এটি জিৰণি পঁজা সাজি শেষ বিদায়ৰ ক্ষণ গণিছো। ... ... ... ... চকুৰ জেউতি নুমাই আহিছে। জিৰণি বিচাৰিছে অশান্ত আত্মাই।"

('এৰি অহা দিনবোৰ' পৃষ্ঠা ৩৬৭)

সচাকৈয়ে এদিনাখন তেওঁৰ চকুৰ জেউতি নুমাই আহিল। ইংৰাজী ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ— শনিবাৰৰ নিশা তেওঁৰ অশান্ত আত্মাই অনন্ত শান্তি পথলৈ যাত্ৰা কৰিলে; ৰৈ থাকিল মাথো উত্তৰ পুৰুষৰ বাবে তেওঁৰ কাব্যিক দৰ্শন।





# ড° লীলা গগৈ: এটি শ্ৰদ্ধাঞ্জলি

শ্ৰীৰঞ্জিত তালুকদাৰ
স্নাতক ২য় বাৰ্ষিক/কলা

দিনটো আছিল ২৩ জুলাই ১৯৯৪ চন, চিৰদিনৰ বাবে হেৰাই গ'ল অসমৰ কৰ্মৰত অসম সাহিত্য সভাৰ সভাপতি, বিশিষ্ট সাহিত্যিক, বুৰঞ্জী গবেষক, কলা-সংস্কৃতিৰ একনিষ্ঠ সেৱক স্মৰণীয় পুৰোধা ড° লীলা গগৈদেৱ আকস্মিক আৰু অপ্ৰত্যাশিতভাৱে। অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠান এটিৰ কৰ্মৰত কৰ্ণধাৰ জনৰ এনে অকাল বিয়োগ অতি বেদনাদায়ক। ড° গগৈৰ মৃত্যুত অসম আৰু অসমীয়াই হেৰুৱালে এজন নিভাজ দেশ প্ৰেমিকক। সেয়েহে তেওঁৰ বিষয়ে লিখাৰ পোনতে মই মোৰ সশ্ৰদ্ধ হিয়াভৰা শ্ৰদ্ধাঞ্জলি নিবেদিছো।

"দুপৰৰ বেলি কাতি হয় লহিয়াই।
আবেলিৰ বেলিৰ ৰঙা ৰ'দ স্তিমিত হৈ আহে
অনুজ্জ্বল হয়।
সুদূৰ প্ৰান্তৰত অস্ত যায়।
এয়া গতানুগতিক নৈসৰ্গিক ৰীতি।"

ড° গগৈৰ নিজা ভাষাত এয়া প্ৰকৃতিৰ নিয়ম। নিয়মৰ উৰ্দ্ধত কোনো থাকিব নোৱাৰে। ড° গগৈৰ ক্ষেত্ৰত কিন্তু সন্ধ্যাৰ অস্তৰাগ শুনা নগ'ল, আবেলিৰ ৰঙা ৰ'দ হঠাতে যেন ডাৱৰে ঢাকি ধৰিলে। বেলিৰ সন্মুখত থাকি গ'ল বহু বাটকুৰি বাবলৈ।

ড° গগৈৰ হয়তো কৰিবলৈ থাকি গ'ল বহু কাম, আৰু যিখিনি কৰি গ'ল সেয়া কিন্তু তুলনাহীন। তেওঁ আছিল একেধাৰে সাহিত্যিক, গীতিকাৰ, কবি, বুৰঞ্জীবিদ, গবেষক, ঔপন্যাসিক, হাস্যৰসিক সাহিত্যিক। নিষ্ঠাবান গবেষক, সংগ্ৰাহক হিচাপে ড° গগৈক ড° সূৰ্য্য কুমাৰ ভূঞা আৰু বেণুধৰ শৰ্ম্মাৰ প্ৰকৃত উত্তৰাধিকাৰী বুলি ধৰিব পাৰি। বুৰঞ্জীৰ কথাবোৰ নতুন ৰূপত সজাই জীৱন্ত ৰূপ দিব পৰাটো তেওঁৰ এক বিশেষ গুণ আছিল। ৺বেণুধৰ শৰ্ম্মাৰ বাহিৰে এই গুণটো কোনেও আয়ত্ত কৰিবলৈ সক্ষম হোৱা নাছিল। আনহাতে

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পিছতে হাস্যৰসিক লিখক হিচাবে আমি ড° গগৈৰ বাহিৰে আন এজনৰো নাম উল্লেখ কৰিব নোৱাৰো।

অসমীয়া লোক সাহিত্যৰ সংগ্ৰহ তথা সংস্কৃতিৰ ভৰাল টনকীয়াল কৰি ৰখাত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল এইজন মহান সাহিত্যিকে। ড° গগৈ ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, শ্ৰীযুত সন্দিকৈদেৱৰ বদান্যতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰিছাৰ্চ স্কলাৰ হিচাবে অসমীয়া লোকগীতৰ এক বিৰাট সংগ্ৰহ উলিয়ায়। অকল সেয়ে নহয় ছাত্ৰ অৱস্থাৰ পৰা অনুসন্ধিৎসু মনৰ অধিকাৰী গগৈয়ে বিভিন্ন আলোচনী, বাতৰি কাকত সমূহ সযতনে সংৰক্ষণ কৰি থৈছিল। যাৰ ফলত সৃষ্টি হৈছিল গগৈদেৱৰ "অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা", "নীলাচল", "মণিদীপ"।

জনসাধাৰণৰ নিভাঁজ মনৰ মধুৰ ভাব ৰাজি মুকলিভাৱে প্ৰকাশেই হ'ল লোক সাহিত্য। তথাকথিত সভ্যতাৰ চক্ৰ ঘূৰি ঘূৰি আহি বৈজ্ঞানিক যুগৰ নগৰমুখী আধুনিক সভ্যতা গঢ় লৈ উঠাৰ লগে লগে লোক সাহিত্যক সাধাৰণ ভাৱে উলাই কৰা হ'ব। কিন্তু দৰাচলতে জনজীৱ ৰ স্বৰূপ-প্ৰকাশ পায় লোক সাহিত্যতহে। এই কথা গগৈদেৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল।

অসমীয়া লোক সাহিত্য অসমীয়া সাহিত্যৰ ভৰালত "মাণিকী মধুৰী জহা"হৈ থূপ খাই আছে। ইয়াত আছে সুগন্ধি সুবাস আৰু মাধুৰিমা। তদুপৰি লোক সাহিত্য লোকজীৱনৰ ইতিহাস আৰু লোক মানসৰ উজ্জ্বল প্ৰতিকৃতি। লক্ষ্মীনাথ বেজবৰুৱাৰ দিনৰে পৰা লোক সাহিত্য চৰ্চা আৰু সংগ্ৰহৰ কাম আৰম্ভ হৈছিল। পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ আৰু নতুন জীৱন ধাৰণৰ বিক্ষিপ্ত প্ৰতিক্ৰিয়াই পুৰণি জীৱন ধাৰণৰ ওপৰত এটা হেঁচা দিবলৈ ধৰাত মানুহে পুৰণিক পাহৰিব ধৰিছে। সেইদৰে বিজ্ঞানৰ জনপ্ৰিয়তাই লোক বিশ্বাসৰ অনেক কথা ঢাকি পেলাইছে। ফলত লোক সাহিত্য দিনক দিনে পাহৰণিৰ বুকুত পোত খাই গৈছে। অনেক সম্পদ আমি চিৰদিনৰ কাৰণে হেৰুৱাই পেলাইছো। পাহৰণিৰ গৰ্ভত লীন যাব ধৰা লোক সাহিত্য নতুন ৰূপত চৰ্চা আৰু সংগ্ৰহ ড° গগৈদেৱৰ এক বলিষ্ঠ পদক্ষেপ।

আধুনিক নগৰজীৱী সাহিত্য ব্যক্তিমুখী সাহিত্য আৰু সমষ্টিবাদী লোক সাহিত্যৰ মাজত আছে এক বিৰাট পাৰ্থক্য। সাহিত্যৰ লগত প্ৰকৃতিৰ সম্বন্ধ অঙ্গাঙ্গী। আকৌ লোক সাহিত্যৰ বেলিকা এই সম্বন্ধ আৰু প্ৰকট। চটাই পৰৱত, চিৰি লুইতকে লৈ জান-জুৰি বিবিধ বাৰে-বৰণীয়া চৰাই-চিৰিকটি, সেউজীয়া পথাৰ, সোণালী ধাননি, বগা ধকধকীয়া বালি চাটবোৰে অসমৰ ৰূপত ৰহন চৰোৱা দেৱৰো ছুৰ্লভ কৰি ৰাখিছে। কিতাপ, কাগজ, টেলিফোন, ৰেডিঅ', চিনেমা, থিয়েটাৰে ফালৰি কাটি নিনিয়া দিনত মানুহে সৃষ্টিৰ বিনন্দীয়া ৰূপ চাই তাতে ভোল গৈ থাকোতে মনৰ ভাব আপোনা-আপুনি গীত পদৰ গুণ-গুণনিত প্ৰকাশ পাই "সোণৰ সফুৰা" অসমত।

দুখৰ কথা এই হেন অতুলনীয় সম্পদ ৰাজিৰ উচিত মূল্যাংকন এতিয়াও হোৱা নাই। চৰ্চা আৰু সংগ্ৰহৰ পাতনি মেলে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে। বৈষ্ণৱ সাহিত্যৰ অমৃত



ভাঙি খুন্দ খোৱাৰ পিছৰ কালছোৱাত মোৱামৰীয়া দ্ৰোহ, দন্দুৱা দ্ৰোহ, মানৰ আক্ৰমণৰ পিছত ভাষাৰ বিভ্ৰাট হয়। অসম সাহিত্য সভা গঠন হোৱাৰ পিছতে সাহিত্যৰ সোৱাদ লোৱাৰ হেপাহ আৰম্ভ হয়। তাৰ পিছত ড° ডিম্বেশ্বৰ নেওগ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা আদিৰ যত্নত সাহিত্যই ঠন ধৰি উঠে। এই আলোচনাত আলোচিত মহান সাহিত্যিক জনাৰ চেষ্টাত লোক সাহিত্যৰ চৰ্চা আৰু সংগ্ৰহ আৰু উন্নত মান হয়।

ড° গগৈৰ লিখাৰ ঠাঁচ (গাঠনি) টো নিভাজ অসমীয়া। তাৰোপৰি তেওঁৰ লিখনিত এটা কথা প্ৰকট হৈ পৰে যে তেওঁ অলংকাৰ বাৰুকৈয়ে ব্যৱহাৰ কৰিছিল। প্ৰতিটো বক্তব্যই আছিল ৰসেৰে পৰিপূৰ্ণ। সেয়েহে মহেন্দ্ৰ বৰাৰ মতে ড° গগৈয়ে অসমীয়া সাহিত্যত তিনিবিধ সাহিত্যৰ অৱিহনা আগবঢ়াই গৈছে। সেয়া হ'ল— ফৰকাল হাঁহি লেখাৰ সাহিত্য, সৃষ্টিধৰ্মী উপন্যাস আৰু কেবাখনো অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশৰ অন্বেষন মূলক প্ৰবন্ধ সাহিত্য। শেষ জীৱনত কিছু গবেষণা ধৰ্মী পুথি ঘাইকৈ ইংৰাজীত। ইয়াৰে প্ৰথম বিধ লেখাৰ অন্তৰালত আছে এটা সময়ত সাংবাদিক জীৱনৰ পৰা বোটলা অভিজ্ঞতা। বাতৰি কাকতৰ শিৰোনামাত জীৱনৰ আটাইতকৈ ট্ৰেজিক ঘটনা একোটাকে হাস্য ৰসৰ ছিটিকনি পৰা অসম্ভৱ কিবা এটা নাছিল। তেনেকুৱাকৈ কব পাৰি পকা পীৰিতিৰ বিষম ফল, "পানী অনা ঘাটৰ পীৰিতিয়ে মৃত্যুৰ কাৰণ', "চেনীৰ দাত পুলিচ আঘাত পুলিচৰ গুলিত চেনী নিহত" আদি। এনেবুৰা শিৰোনামাৰ পৰা নিশ্চয় জনা যায় যে ঘটনা বোৰ দুখজনক অথচ হাস্যকৰ কৰি তোলা হৈছে। তেওঁৰ "কপলিং ঢিগা ৰেল," "বিয়েৰিং চিঠি" আৰু "বৃকোদৰ বৰুৱাৰ বিয়া"ৰ স্বৰূপটোও ঠিক এনেকুৱাই। ড° গগৈৰ লিখাৰ ৰীতি দক্ষতাৰ বাবেই তেওঁৰ ৰচনাত আছে মৰ্ম বস্তুৰ ওপৰত আছে খেমেলীয়া পৰিবেশৰ আকৰ্ষণ।

ড° গগৈৰ লেখাৰ অকলশৰীয়া নিদৰ্শন মাথো"নৈ বৈ যায়" উপন্যাস খন। তেওঁৰ বাকী উপন্যাসত পোৱা চিত্ৰধৰ্মিতাৰ বাহিৰেও আৰু এটা বস্তু পোৱা যায় সেৱা হ'ল সময়ৰ সোঁতত হেৰাই যোৱা, অসমীয়া মানুহৰ জিভাৰ পৰা পিছলি নোহোৱা হোৱা শব্দসম্ভাৰৰ সৌন্দৰ্য্য আৰু তাৰ নিৰ্বোধ প্ৰকাশ।

ড° গগৈ দেৱৰ তৃতীয় বিধ সাহিত্যই সিজনক প্ৰতিস্থা কৰিবৰ যথেষ্ট। এইবিধ সাহিত্যৰ ভিতৰত পৰে কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ। ইয়াৰ ভিতৰত 'বিহুগীত আৰু বনঘোষা,' 'অসমৰ সংস্কৃতি' (এইখন পুথি বিৰিঞ্চি কুমাৰ বৰুৱাই আধৰুৱাকৈ এৰি যায় আৰু ড° গগৈয়ে সম্পূৰ্ণ কৰে)। সেইদৰে "নৈ বৈ যায়" "টাই সংস্কৃতিৰ ৰূপৰেখা" এইবোৰ অতি উচ্চ মানদণ্ডৰ য'ত তেওঁৰ বিৰল দক্ষতাৰ প্ৰমাণ পোৱা যায়। ইয়াৰ পিছতে অসমীয়া সাহিত্যৰ মন্দিৰত এক মহৎ অনুদান হ'ল ইংৰাজী ৰহনাৰে সমৃদ্ধ "Buranjis : the Historical literature of Assam"। ড° গগৈৰ লিখাৰ গুণগত দিশৰ পৰা সমালোচক সকলে তেওঁৰ জীৱনতে ড° সূৰ্য্য কুমাৰ ভূঞা, ড° মহেশ্বৰ নেওগৰ

অধ্যৱসায় লগুণ কৰি জোৱনৰ ত্ৰিবেণী সংগম ঘটা বুলি কয়।

তেওঁৰ ভাষাত—

"জীৱন মানেই সংগ্ৰাম
সংগ্ৰাম যাৰ
হোৱা নাই যি ক্লান্ত,
আশা নিৰাশাৰ দোমাজাত পৰি
হোৱা নাই
দিকভ্ৰান্ত"

সৌ সিদিনা "বুকুৰ অগনি আৰু বেদনাৰ সুৰ ঢালি কৰি যাম জীৱনৰ অক্ষয়" বুলি সংকল্পবদ্ধ ডং গগৈয়ে সকলো কাম নিয়াৰিকৈ কৰি গৈছিল। অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ পিছত কৈছিল "সাহিত্য সভাক নতুন ৰূপ দিবলৈ চেষ্টা কৰিম", কিন্তু আশা আশা হৈয়ে থাকিল। "মোৰ পৃথিৱীৰ মই এটি সৰু বিন্দু" বুলি ভবা ডং গগৈদেৱৰ প্ৰতিভাই কিন্তু বিশাল সিন্ধুৰ সৃষ্টি কৰি থৈ গ'ল। সদৌ শেষত তেওঁৰ ভাষাৰেই সামৰিছো।

"যাৰ গ'ল কেচঁা ৰ'দ
ভৰদুপৰৰ
স্মৃতি তাৰ এতিয়াও
যাৰ যোৱা নাই।"

শেষত সাহিত্যিক গৰাকীৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ প্ৰাৰ্থনা আৰু মোৰ হিয়া ভৰা শ্ৰদ্ধাঞ্জলি যাচিছো।

**প্ৰসঙ্গ :—**

১। "নতুন দৈনিক"ৰ লীলা গগৈৰ বিশেষ সংখ্যা।
২। "ডং লীলা গগৈ ছাৰৰ স্মৃতিত"
—ডং নমিতা ডেকা
৩। "ডক্টৰ গগৈ : কৰ্পূৰ সুবাস"
—মহেন্দ্ৰ বৰা
৪। গগৈৰ "নৈ বৈ যায়", "বিয়েৰিং চিঠি", "বুকোদৰ বৰুৱাৰ বিয়া" আদি।



## ঃ পৰিশিষ্ট ঃ

**বুৰঞ্জী—**

১। বুৰঞ্জীয়ে পৰষা নগৰ (১৯৫৭)
২। হেৰোৱা দিনৰ কথা (১৯৫৭)
৩। শৰাইঘাটৰ যুদ্ধ (১৯৭৭)
৪। বেলিমাৰ গ'ল (১৯৮৩)
৫। বুৰঞ্জীয়ে কথা কয় (১৯৯১)
৬। বুৰঞ্জী সাহিত্য (১৯৮৮)

**সংস্কৃতি—**

৭। টাই সংস্কৃতিৰ ৰূপৰেখা (১৯৭১)
৮। আহোম জাতি আৰু অসমীয়া সংস্কৃতি (১৯৬১)
৯। অসমৰ সংস্কৃতি (১৯৮২)
১০। সাহিত্য সংস্কৃতি বুৰঞ্জী (১৯৭২)
১১। বিহু এটি সমীক্ষা (১৯৬৯)

**লোকসাহিত্য—**

১২। অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা (১৯৬৮)
১৩। মণিৰাম দেৱানৰ গীত (১৯৫৭)
১৪। অসমীয়া লোকগীতি (১৯৫৭)
১৫। বিহুগীত আৰু বনঘোষা (১৯৬৯)
১৬। জোনবাই এ এটি তৰা দিয়া (১৯৫৭)

**লঘু ৰচনা—**

১৭। কপলিং চিগা ৰেল (১৯৫৯)
১৮। বুকোদৰ বৰুৱাৰ বিয়া (প্ৰথম খণ্ড) (৭৭)
১৯। বুকোদৰ বৰুৱাৰ বিয়া (দ্বিতীয় খণ্ড) (৭৭)
২০। বিশেষ কি লিখিম (১৯৭৮)
২১। বিয়েৰিং চিঠি (১৯৭৬)
২২। ঘেৰঘেৰী বাছ (১৯৮১)
২৩। মুকলি চিঠি (১৯৮৬)

**শিশু পুথি—**

২৪। জয়মতী কুঁৱৰী আৰু মুলাগাভৰু
২৫। লাচিত বৰফুকন
২৬। ৰংমনৰ কথা
২৭। খৰশিয়ালৰ বিয়া (১৯৫৪)

## গীত আৰু গীতি কৱিতা—

২৮। গীতি মালঞ্চ (১৯৬৪)
২৯। জোনাকৰ গীত (১৯৭৯)
৩০। সোণালী (১৯৭৮)

## শিশু পুথি—

৩১। সোণতৰা (১৯৫৪)
৩২। পোনাকণৰ সপোন (১৯৫৫)
৩৩। অনুপম কোঁৱৰৰ সাধু (১৯৫৯)
৩৪। ভাৰতৰ কথা (১৯৭২)

## উপন্যাস—

৩৫। নৈ বৈ যায় (১৯৮৩)
৩৬। সৰগৰ মুকুতা (১৯৫৭)
৩৭। নীলাখানৰ চিঠি (১৯৬৩)
৩৮। ডকাইত কোন (১৯৫৭)

## অনুবাদ—

৩৯। বংগৰ লোকসংস্কৃতি (১৯৮৩)

## পুৰণি পুথি সম্পাদনা—

৪০। কুমাৰহৰণ (১৯৭২)
৪১। কালীয়দমন (১৯৭২)
৪২। চোৰধৰা (১৯৭২)

## ৰচনা সংকলন—

৪৪। সাহিত্য সংস্কৃতিৰ বুৰঞ্জী (১৯৭২)
৪৫। সাহিত্যৰ ছুটিমান আলোচনা (১৯৮৩)
৪৬। চিন্তাৰ স্বাক্ষৰ (১৯৯১)

## ইংৰাজী—

৪৭। The Tai Khamtis of North East India (1971)
৪৮। The Buranjis : the Hisovica Literature of Assam (1986)
৪৯। The History of the System of Ahom Administration.

## সংকলন সম্পাদনা—

৫০। আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় (১৯৯০)
৫১। যতীন্দ্ৰ নাথ দুৱৰা : কবি আৰু কাৱিক প্ৰতিভা (১৯৮৭) (ড° নমিতা ডেকাৰ সৈতে যুটীয়াকৈ সম্পাদিত)
৫২। অসমীয়া সংস্কৃতি (১৯৬৬) হৰিপ্ৰসাদ নেওগৰ সৈতে যুটীয়াকৈ সম্পাদিত)

## বিবিধ

৫৩। সীমান্তৰ মাটি আৰু মানুহ (১৯৬০)



প্ৰবন্ধ

# ভাৰতৰ যুক্তৰাষ্ট্ৰবাদ- এটি সমীক্ষা

দীপিমা বুজৰবৰুৱা
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান

ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ হলেও ভাৰতৰ সংবিধানৰ কোনো এটা অংশতেই যুক্তৰাষ্ট্ৰ শব্দটো উল্লেখ কৰা হোৱা নাই। সংবিধান প্ৰণেতাসকলে ইচ্ছাকৃতভাৱেই সংবিধান প্ৰণয়নৰ সময়ত যুক্তৰাষ্ট্ৰ শব্দটো ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকে। এইক্ষেত্ৰত সংবিধানৰ খচৰা সমিতিৰ সভাপতি ড° আম্বেদকাৰৰ মন্তব্য প্ৰণিধানযোগ্য। আম্বেদকাৰৰ মতে প্ৰধানতঃ দুটা কাৰণত তেওঁলোকে ভাৰতবৰ্ষক যুক্তৰাষ্ট্ৰ বুলি অভিহিত কৰাৰ পৰিৱৰ্তে সংবিধানৰ ১ম অনুচ্ছেদতে ভাৰতক 'ৰাজ্যসমূহৰ সংঘ' (Union of States) বুলি অভিহিত কৰিছে। ইয়াৰ প্ৰথম কাৰণটো হ'ল এই যে অন্যান্য যুক্তৰাষ্ট্ৰৰ দৰে ভাৰত ৰাষ্ট্ৰখন ৰাজ্যসমূহৰ মাজত হোৱা চুক্তিৰদ্বাৰা গঠিত হোৱা নাই। দ্বিতীয়তে, সাধাৰণতে যুক্তৰাষ্ট্ৰবোৰত থকাৰ দৰে ভাৰতৰ ৰাজ্যসমূহক ৰাষ্ট্ৰখন ত্যাগ কৰি ওলাই যোৱাৰ অধিকাৰ (Right to Secede) দিয়া হোৱা নাই। সেইবাবেই ভাৰতক সংঘ বুলি কোৱা হৈছে। কিয়নো ৰাজ্যসমূহ ওলাই গৈ অস্তিত্ব বিলোপ কৰিব নোৱাৰে।

সংবিধান প্ৰণেতাসকলে বিভিন্ন দিশৰে পৰা বিবেচনা কৰি ভাৰতত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছিল। স্বাধীনতাৰ আগতে বৃটিছে ১৯১৯ চনৰ আৰু ১৯৩৫ চনৰ ভাৰত শাসন আইন অনুসৰি ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটো পৰম্পৰাগত ভাৱে লাভ কৰিছিল। ইয়াৰ উপৰিও দেশখনৰ ধৰ্মীয়, ভাষিক আৰু জাতীয় বৈচিত্ৰ্যৰ পৰিপ্ৰেক্ষিতত ঐক্য আৰু সংহতিৰ বাবে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা গ্ৰহণ কৰাটো অপৰিহাৰ্য্য হৈ পৰিছিল।

যুক্তৰাষ্ট্ৰ শব্দটো সংবিধানত উল্লেখ নাথাকিলেও

কার্য্যতঃ ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ । যুক্তৰাষ্ট্ৰ এখনত থাকিবলগীয়া বৈশিষ্ট্যসমূহৰ ভিতৰত দুই ধৰণৰ চৰকাৰ, ক্ষমতাৰ বিভাজন, লিখিত সংবিধান, সৰ্ব্বোচ্চ ন্যায়ালয় আদি ভাৰতত আছে । অৱশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰত থকাৰ দৰে দ্বৈত নাগৰিকত্ব, উচ্চ সদনত ৰাজ্যসমূহৰ সমান প্ৰতিনিধিত্ব, যুক্তৰাষ্ট্ৰীয় সংবিধানৰ উপৰিও প্ৰত্যেক ৰাজ্যৰে স্বকীয়া সংবিধান, অৱশিষ্ট ক্ষমতাসমূহ ৰাজ্যক প্ৰদান আদি বৈশিষ্ট্য ভাৰতৰ নাই । এই অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহৰ উপস্থিতি সত্ত্বেও সংবিধান প্ৰণেতা ড° আম্বেদকাৰৰ ভাষাৰে কবলৈ হ'লে, "I think it is agreed that our Constitution not withstanding the many provisions which are contained in it whereby the provinces (states) none the less is a Constitution."

যুক্তৰাষ্ট্ৰত সংবিধানে স্পষ্টভাৱে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিভাজন কৰি দিয়ে । ভাৰতত সংবিধানে কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু সমৱৰ্ত্তী সূচী নামৰ তিনিখন তালিকাৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিতৰণ কৰি দিছে । কেন্দ্ৰীয় সূচীৰ বিষয়সমূহৰ ওপৰত কেন্দ্ৰৰ, ৰাজ্যিক সূচীৰ অন্তৰ্গত বিষয়-সমূহৰ ওপৰত ৰাজ্যৰ আৰু সমৱৰ্ত্তী সূচীৰ বিষয়-সমূহৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰ সমানে অধিকাৰ থাকে । এই তিনিওখন তালিকাত নথকা বিষয়সমূহ অৱশিষ্ট ক্ষমতা ৰূপে কেন্দ্ৰক প্ৰদান কৰা হৈছে । সমৱৰ্ত্তী সূচীৰ কোনো বিষয়ৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য উভয়ে আইন প্ৰণয়ন কৰিলে কেন্দ্ৰই প্ৰণয়ন কৰা আইনহে আইন হিচাপে পৰিগণিত হয় । তদুপৰি কেন্দ্ৰীয় সূচীত ৯৭ টা বিষয়, ৰাজ্যিক সূচীত ৬৬ টা বিষয় আৰু সমৱৰ্ত্তী সূচীত ৪৭ টা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে । এই ফালৰ পৰাও কেন্দ্ৰই ৰাজ্য-সমূহতকৈ অধিক ক্ষমতা লাভ কৰিছে । সাধাৰণ অৱস্থাত কেন্দ্ৰই ৰাজ্যৰ বিষয়ৰ ওপৰত আৰু ৰাজ্যই কেন্দ্ৰৰ বিষয়ৰ ওপৰত হস্তক্ষেপ কৰিব নোৱাৰিলেও জৰুৰী অৱস্থাৰ সময়ত কেন্দ্ৰই ৰাজ্যিক সূচীৰ অন্তৰ্ভুক্ত যিকোনো বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে । ইয়াৰ উপৰিও বিশেষ বিশেষ পৰিস্থিতিত সাধাৰণ অৱস্থাতো কেন্দ্ৰই ৰাজ্যিক সূচীৰ বিষয়ত আইন প্ৰণয়ন কৰিব পাৰে । গতিকে এই আটাইবিলাক বিষয়তে কেন্দ্ৰই ৰাজ্যতকৈ অগ্ৰাধিকাৰ লাভ কৰিছে ।

সংবিধান প্ৰণেতা সকলে অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰাৰ প্ৰধান কাৰণ হ'ল এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰ গঠন কৰা । তেওঁলোকে কেইটামান প্ৰধান কাৰণৰ ওপৰত ভিত্তি কৰি শক্তিশালী কেন্দ্ৰৰ ওপৰত গুৰুত্ব দিছিল । প্ৰথমতে, স্বাধীনতাৰ আগতে বৃটিছে প্ৰৱৰ্ত্তন কৰা যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কেন্দ্ৰক অধিক ক্ষমতা দিয়া হৈছিল । দ্বিতীয়তে, স্বাধীনতাৰ সময়ত বিচ্ছিন্নতাবাদী শক্তিসমূহে গা-কৰি উঠিছিল । তদুপৰি কিছুমান ৰাজ্যই দেশৰ পৰা আঁতৰি যাবলৈ বিদেশী ৰাষ্ট্ৰৰ লগত অভিসন্ধি চলাই আছিল । এই শক্তি সমূহক দমন কৰিবলৈ আৰু সেই সময়ত দেখা দিয়া অৰ্থনৈতিক সংকট, সাম্প্ৰদায়িকতাবাদ, আঞ্চলিকতাবাদ আদি দূৰ কৰিবলৈ



শক্তিশালী কেন্দ্ৰৰ প্ৰয়োজন হৈছিল । তৃতীয়তে, দেশৰ ভৱিষ্যত উন্নয়নৰ বাবে থকা বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনা যেনে— জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰা, উদ্যোগ আৰু কৃষি ক্ষেত্ৰৰ উৎপাদন বৃদ্ধি কৰা ইত্যাদিৰ বাবেও কেন্দ্ৰক অধিক ক্ষমতা দিবলৈ সিদ্ধান্ত লোৱা হৈছিল । গতিকে অতীত বুৰঞ্জী, সমকালীন অৱস্থা আৰু ভৱিষ্যত উন্নয়নৰ আশা এই তিনিটা প্ৰধান কাৰণত ভাৰতৰ সংবিধানত খচৰা সমিতিৰ সদস্য সকলে শক্তিশালী কেন্দ্ৰৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয় ।

কিন্তু শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ প্ৰৱৰ্ত্তন কৰাৰ ফলত কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ ক্ৰমে অৱনতি ঘটিবলৈ ধৰে । কিয়নো কেন্দ্ৰীয় চৰকাৰে দেশৰ সুৰক্ষাৰ বাবে আৰু সুশাসনৰ বাবে দিয়া ক্ষমতাসমূহৰ অপব্যৱহাৰ কৰা প্ৰায়ে পৰিলক্ষিত হয় । কেন্দ্ৰত অধিষ্ঠিত শাসক দলসমূহে নিজৰ দলীয় স্বাৰ্থ পূৰণৰ বাবে আৰু বিৰোধী দলৰ চৰকাৰ থকা ৰাজ্যসমূহ দমন কৰিবলৈ বিশেষ ক্ষমতাসমূহৰ সহায় লয় । বিশেষকৈ অৰ্থনৈতিক ক্ষমতাৰ বাঘজৰি ভাল কেন্দ্ৰৰ অনুগ্ৰহৰ প্ৰাৰ্থী হ'বলগীয়া হয় । বহুতো সময়ত কেন্দ্ৰীয় চৰকাৰ সমূহে বিভিন্ন ধৰণে তেওঁলোকৰ অসন্তুষ্টি প্ৰকাশ কৰি আহিছে ।

কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সু-সম্পৰ্ক নথকাৰ ফলত নানা ধৰণৰ সমস্যাই মূৰ দাঙি উঠিছে । বিশেষকৈ প্ৰত্যেক অঞ্চলে নিজৰ আঞ্চলিক স্বাৰ্থ ৰক্ষাৰ বাবে অধিক সচেতন হোৱাত সমগ্ৰ দেশতে আঞ্চলিকতাবাদে গা-কৰি উঠিছে । উদাহৰণ স্বৰূপে দাক্ষিণাত্যত বিশেষকৈ তামিল সকলে স্বকীয়া 'দ্ৰাবিড়স্থান'ৰ দাবি কৰি আহিছে । তদুপৰি দাক্ষিণাত্যৰ ৰাজ্যসমূহে হিন্দীক ৰাষ্ট্ৰভাষা হিচাপে এতিয়ালৈ গ্ৰহণ কৰা নাই । সেইদৰে উত্তৰ পূৰ্বাঞ্চলতো বিভিন্ন গোষ্ঠীয়ে অৱহেলিত অনুভৱ কৰি নিজৰ নিজৰ সমস্যাসমূহ সমাধানৰ অৰ্থে সৰু সৰু আঞ্চলিক দল গঢ়ি লৈছে । আঞ্চলিকতা-বাদৰ ফলস্বৰূপে দেশৰ বিভিন্ন অঞ্চলত বিচ্ছিন্নতা-বাদী শক্তিসমূহেও দেখা দিছে । এই শক্তিসমূহে সমগ্ৰ দেশখনৰ পৰাই অথবা নিজৰ ৰাজ্যখনৰ পৰা আঁতৰি যাবলৈ চেষ্টা চলাই আছে । গতিকে প্ৰত্যেকে আঞ্চলিক স্বাৰ্থ ৰক্ষাৰ প্ৰতি অধিক সচেতন হোৱাৰ ফলত দেশৰ সামূহিক স্বাৰ্থত ব্যাঘাত জন্মিছে ।

কেন্দ্ৰ আৰু ৰাজ্যৰ সু-সম্পৰ্কৰ অবিহনে দেশৰ উন্নয়ন সাধন কৰাটো সম্ভৱ নহয় । কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক অধিক উন্নত কৰিবলৈ সময়ে সময়ে প্ৰচেষ্টা চলাই থকা হৈছে । ষাঠীৰ দশকৰ মাজ ভাগত কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ বিভিন্ন দিশ চালি-জাৰি চাবলৈ প্ৰশাসনীয় সংস্কাৰ আয়োগে এম. চি. চিতালভদৰ নেতৃত্বত এটা অধ্যয়ন দল গঠন কৰি দিয়ে । তেওঁলোকে ১৯৬৯ চনৰ ১৯ জুনত চৰকাৰৰ হাতত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে । তেওঁলোকে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সু-সম্পৰ্ক স্থাপনৰ বাবে আৰু প্ৰশাসনক দক্ষ আৰু মিতব্যয়ী কৰিবলৈ ৰাজ্যসমূহক অধিক বিত্তীয় আৰু প্ৰশাসনীয় ক্ষমতা দিয়াৰ পোষকতা কৰে ।

ইয়াৰ পিছত ১৯৬৯ চনৰ চেপ্তেম্বৰ মাহত তামিলনাডু চৰকাৰে ৰাজামান্নাৰ সমিতিক কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰিবলৈ নিয়োগ কৰে। এই সমিতিয়ে ৰাজ্যসমূহক অধিক স্বায়ত্ব শাসন প্ৰদান কৰিবলৈ আৰু ৰাজ্যপালক ৰাজ্য চৰকাৰৰ পৰামৰ্শ অনুসৰি নিয়োগ কৰাৰ পৰামৰ্শ দিয়ে। কিন্তু ৰাজ্য চৰকাৰৰ দ্বাৰা গঠন কৰা সমিতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজামান্নাৰ সমিতিৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ অমান্তি হয়।

শেহতীয়া ভাৱে চাৰকাৰিয়া আয়োগে ১৯৮৭ চনত ইয়াৰ প্ৰতিবেদন দাখিল কৰে। এই আয়োগে কেন্দ্ৰৰ ক্ষমতা কৰ্তনৰ বিৰুদ্ধে মত প্ৰকাশ কৰে। ইয়াৰ উপৰিও তেওঁলোকে কয় যে কেন্দ্ৰৰ শাসক দলৰ লোকক ৰাজ্যৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াটো উচিত নহয় আৰু ৰাজ্যপাল সকলৰ কাৰ্য্যকাল সম্পূৰ্ণ হোৱাৰ পিছত তেওঁক চৰকাৰী পদত অধিষ্ঠিত কৰাটো উচিত নহয়। সংবিধানৰ ৩৫৬ অনুচ্ছেদ অৰ্থাৎ ৰাজ্যত সাংবিধানিক অচলাৱস্থাৰ সৃষ্টি হ'লে ৰাজ্য চৰকাৰ ভঙ্গ কৰি ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্ত্তন কৰাৰ ক্ষেত্ৰত তেওঁলোকে মত পোষণ কৰে যে আন সকলো উপায় ব্যৰ্থ হোৱাৰ পিছত শেষ উপায় হিচাপেহে কেন্দ্ৰীয় চৰকাৰে ৩৫৬ অনুচ্ছেদৰ সহায় লোৱা উচিত। তদুপৰি তেওঁলোকে অৱশিষ্ট ক্ষমতা সমূহ কেন্দ্ৰক দিয়াৰ পৰিৱৰ্ত্তে সমৱৰ্ত্তী সূচীৰ অন্তভুৰ্ক্ত কৰাৰ পৰামৰ্শ দিয়ে।

শেষত ইয়াকে কব পাৰি যে দেশৰ একতা আৰু সংহতি ৰক্ষাৰ বাবে ভাৰতৰ দৰে এখন বহুজাতীয় দেশত শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিন্তু কেন্দ্ৰীয় চৰকাৰে নিজৰ ক্ষমতা অপব্যৱহাৰ কৰি ৰাজ্য চৰকাৰৰ কাৰ্য্যসমূহত হস্তক্ষেপ কৰাৰ কথাটোও সমৰ্থন কৰিব নোৱাৰি। সেইবাবে বৰ্ত্তমানৰ পৰিবৰ্ত্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহক অধিক স্বায়ত্ব শাসন প্ৰদানকৰণটো প্ৰয়োজনীয় হৈ পৰিছে। শক্তিশালী ৰাজ্য চৰকাৰে দুৰ্বল কেন্দ্ৰীয় চৰকাৰক নুসুচায়। গতিকে কেন্দ্ৰক কিছু পৰিমাণে শক্তিশালী কৰি ৰাখিও ৰাজ্য চৰকাৰসমূহক অধিক ক্ষমতা প্ৰদান কৰিব পৰা যায়।

" যিজনে ভাষা কি বস্তু, ই কেনেকৈ ৰূপ ললে নেজানে, তেওঁ নিজকে শিক্ষিত বুলি কোৱা উচিত নহয়।"

--মেক্সমুলাৰ



চুটি গল্প

# দক্ষিণা

এম আব্দুল মালিক
প্ৰাক্তন ছাত্ৰ

কথাখিনি শুনি গালত প্ৰচণ্ড চৰ এটা পৰা যেন লাগিল। ইমান নিষ্ঠুৰ কথা কেইষাৰ তাৰ পৰা শুনিম বুলি সপোনতো ভবা নাছিলোঁ। মই ভেবা লাগি সি যোৱাৰ পিনে চাই থাকিলোঁ। সি প্ৰয়োজনতকৈ অধিক বেগাই খট্‌খটকৈ তাৰ দামী জোতাযোৰেৰে শব্দ কৰি আনটো ৱাৰ্ডলৈ গ'ল। নাই. এই মুহূৰ্ত্তত ধৈৰ্য্যই হৈছে আটাইতকৈ দৰকাৰী সহচৰ। ধৈৰ্য্য হেৰুৱালে নহ'ব।

ফায়েজ মোৰ পুৰণি বন্ধু। ক'বলৈ গলে মই তাৰ একপ্ৰকাৰ অভিভাৱকৰ নিচিনা আছিলো এসময়ত। তেতিয়া আমি বি· বৰুৱা কলেজত পঢ়িছিলো। মই প্ৰাক্‌বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ আৰু ফায়েজ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। মোৰ ঘৰৰ অৱস্থা কিছু ভাল। ফায়েজৰ ঘৰৰ অৱস্থা বেয়া আছিল। কিতাপ-পত্ৰ, টকা-পইচা দি যথেষ্ট সহায় কৰিছিলো ফায়েজক। আমি দুয়ো একেটা মেছতে আছিলোঁ। তাক টিউশ্যন এটাও যোগাৰ কৰি দিছিলো মই। যথা সময়ত মই দ্বিতীয় বিভাগত উত্তীৰ্ণ হলো আৰু তাৰ এবছৰ পিছতে ফায়েজে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। তাৰ পৰীক্ষাৰ খবৰ শুনি মই বেছি আনন্দিত হৈছিলোঁ, কাৰণ তাৰ সাফল্যৰ আঁৰত মোৰ অৱদান আছিল যথেষ্ট। মই বি, এছ, চি পঢ়িলোঁ আৰু ফায়েজে মেডিকেল পঢ়িলে। ক্ৰমে আমাৰ মাজৰ সম্পৰ্কটো কমি আহিছিল— দুয়োৰে মাজত থকা দীঘল পথ-দূৰত্বৰ বাবে। তাৰ চিঠি-পত্ৰও কমি আহিছিল। বি, এছ, চি পাছ কৰি মই হাইস্কুলত সোমালো। দুবছৰ পিছতে বিয়া পাতিলোঁ- গাঁৱৰে ছোৱালী। ফায়েজে এম,বি,বি,এছ

পাছ করি এম, ডি কৰিলে । এইবেলি বিয়া কৰাইছে স্থানীয় বিধায়ক ফজলুৰ ৰহমানৰ কন্যা চায়েৰাক । চহৰত মাটি-বাৰী দিছে যৌতুক হিচাবে। কিছুদিনৰ আগতে মেডিকেল কলেজত প্ৰৱক্তা ৰূপে সোমাল। ফায়েজৰ এতিয়া চহৰৰ আগশাৰীৰ মানুহৰ লগতহে হলি-গলি ।

আজি এসপ্তাহৰ পৰা মোৰ পৰিবাৰৰ পেটৰ বিষ। গাত লেঠা আছিল । হঠাতে কালি অসময়তে তাই এটা মৃত সন্তান প্ৰসৱ কৰিলে । তাৰ পিছত আৰম্ভ হ'ল অবিৰাম ৰক্তপাত । স্থানীয় চিকিৎসক ডাঃ শৰ্ম্মাক মাতি আনি দেখুৱালোঁ । তেখেতে বেজী, ঔষধ-পাতি দি ছয় ঘণ্টা অপেক্ষা কৰিবলৈ দিলে । ৰোগীৰ অৱস্থাৰ উন্নতি নঘটিলে চহৰলৈ নিবলৈ ক'লে । ডাক্তৰৰ ঔষধে কাম নিদিলে । গতিকে টেক্সী এখন ভাড়া কৰি মোৰ পৰিবাৰক মেডিকেল কলেজলৈ আনিলোঁ । বিপদৰ সময়ত ফায়েজৰ কথা ভাবিয়েই সাহস গোটাইছিলোঁ । তাক লগ পালে সি সকলো ঠিক কৰি দিব । বুকুত বল পাইছিলোঁ যথেষ্ট । মেডিকেলত তাইক ভৰ্ত্তি কৰাই ফায়েজক লগ ধৰিবলৈ বিচাৰি ফুৰিলোঁ । হঠাতে তাক আন এটা কোঠাৰ পৰা ওলাই অহা দেখিবলৈ পালোঁ । তাক আবেগেৰে বন্ধুত্ব সুলভ ভংগিৰে মাত লগালোঁ । পৰিবাৰৰ কথাটো কলোঁ । কিন্তু এয়া কি ? এইজন ফায়েজ ইমান অচিনাকি হৈ গ'ল ! তাৰ মুখত দেখোন বন্ধুত্ব সুলভ শিষ্টাচাৰখিনিও ফুটি উঠা নাই । বৰ বিৰক্তিৰে সি ক'লে, "যি কোনো সময়তে বিৰক্ত নকৰিবি । ঘৈণীয়েৰৰ বৰ চিৰিয়াচ যদি নাছিংহোমত ভৰ্ত্তি নকৰ কিয় ? সকলো সময়তে বন্ধুত্বৰ দোহাই নিদিবি । এতিয়া মোৰ কথা কোৱাৰ সময় নাই ।" গপ্‌গপাই ডাঃ ফায়েজ মোৰ মুখলৈ নোচোৱাকৈ গুচি গ'ল ।

মোৰ পৰিবাৰে অনাকাংখিত ভাৱে প্ৰসৱ কৰা মৃত সন্তানটি আৰু ফায়েজৰ কথাখিনিৰ মাজত মই যেন এটা বিৰাট সাদৃশ্য বিচাৰি পালোঁ !

"গল্পত অকল ঘটনা বিন্যাসেই যথা সৰ্বস্ব নহয়। ঘটনা বিন্যাসৰ লগে লগে ভাবানুভূতি প্ৰকাশৰ পিনেও চকু ৰখা নিতান্ত আৱশ্যক । কোনো এটা গল্প চৰিত্ৰ সুখী বা দুখী বুলি কলেই গল্পৰ কাৰণে যথেষ্ট নহয় ।"

—ত্ৰৈলোক্য নাথ গোস্বামী





# কিনো ভৈল কাল বিপৰীত

শ্ৰীপলাশ কুমাৰ ডেকা
স্নাতক ৩য় বাৰ্ষিক

অৱসৰৰ মুহূৰ্ত্তবোৰেই বোধহয় জীৱনৰ আটাইতকৈ বিৰক্তিৰ সময় । অৱশ্যে এই সত্য কিছুমান ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰযোজ্য । জীৱনৰ অৰ্ধকাল ব্যস্ততাৰ মাজেৰে কটোৱাৰ পাছত যেতিয়া ঘৰতে থাকিবলৈ বয়সে বাধ্য কৰায় তেতিয়া জীৱন বিৰক্তিকৰ হৈ পৰে । লোহিত মাষ্টৰৰ ক্ষেত্ৰটো আজি এই চৰম সত্য প্ৰযোজ্য হৈছে । প্ৰধান শিক্ষক পদৰ পৰা অৱসৰ লোৱাৰ আজি প্ৰায় চাৰি বছৰেই হ'ল । জীৱনৰ প্ৰায় ২৫/৩০ বছৰকাল ছাত্ৰ-ছাত্ৰীৰ মাজতে থাকি আজি ঘৰতে বহি থাকিবলগীয়া হৈছে । সকলো মানুহে সকলো সময়তে সকলো কাম কৰিব নোৱাৰে; ই সময়ৰ নীতি । লোহিত মাষ্টৰে এতিয়াও ছাত্ৰ-ছাত্ৰীৰ মাজতে থাকিব বিচাৰে কিন্তু সময়ে নিদিয়ে।

লোহিত মাষ্টৰৰ সকলো আছে । ল'ৰা তিনিজন । ডাঙৰ ল'ৰা নীৰেন বিয়াৰ পিছতে বেলেগ হৈ গ'ল। পৰিয়ালসহ ডিব্ৰুগড়ত থাকে। মাজু ল'ৰা বিজয় বি. এ পাছ কৰি ঘৰতে আছে। চাকৰি পোৱা নাই । সৰু ল'ৰা অমলে এইবাৰ বি. এ পৰীক্ষা দিব । ছোৱালী দুজনী কোনোমতে বিয়া দি উঠিছে । দিন-কাল যে কি হৈ গ'ল । পুৱা-গধূলি সেই পুৰণি ঘৰটোৰ পিৰালিতে বহি বহি লোহিত মাষ্টৰে চিন্তা কৰে এইবোৰ। আমাৰ দিনত বি. এ পাছ কৰিলেই ঘৰৰ পৰা মাতি নিছিল চাকৰি কৰিবলৈ। বহুতে নগৈছিল । কম টকাত চাকৰি কৰাতকৈ খেতিখন চলোৱাতেই সুখ বুলি । পিছে সেইদিন আজি আৰু নাই । জনসংখ্যা বাঢ়িল। শিক্ষিতৰ হাৰ বৃদ্ধি হ'ল। কিন্তু কামৰ সংখ্যা বঢ়া নাই । শিক্ষাৰ মানদণ্ডও লাহে লাহে নিম্নগামী হ'বলৈ ধৰিছে । শিক্ষকৰ দৰে মৰ্য্যদাপূৰ্ণ চাকৰি লাখ লাখ টকাত বিক্ৰী হৈছে।

ইয়াত শিক্ষাগত অৰ্হতাৰ প্ৰশ্ন নাই, নাই জ্ঞানৰ; লাগে মাথো টকা

বজাৰ কৰাটো লোহিত মাষ্টৰৰ এটি পুৰণি চখ। পুৱা-গধূলি বজাৰখনত এপাক মৰাটো তেওঁৰ নৈমিত্তিক কৰ্মৰ দৰে হৈ পৰিছে। ৰাতিপুৱাই আজিও তিনিআলিলৈ ওলাই আহিল মাষ্টৰ। হাতত সেই চিনাকী মোনাখন।

"ডেকা ডাঙৰীয়া বজাৰ কৰি আহিল হবলা।" মেধি মাষ্টৰে পাছৰ পৰা মাত লগালে। "অ' মেধি দেখোন ক'ৰ পৰা।" সদায় দিয়াৰ দৰে আজিও তেনেদৰে প্ৰত্যুত্তৰ দিলে "এহ ঘৰত কিমান বহিব মেধি, দিনটো ঘৰতে থাকো আবেলি অলপ ওলাই আহিলো, লগতে অলপ বজাৰো কৰিলো। বস্তুৰ দাম কিহে, একেবাৰে সোণৰ নিচিনা। ৫০ টকাৰ বজাৰ, দেখিছে মোনাখনেই নভৰিল। সেই সামান্য পেঞ্চনৰ টকাখিনিৰে আজিৰ যুগত ঘৰ এখন চলাব পাৰিনে ? কি ক'ব ডেকা ? মোৰোটো একেই অৱস্থা। ছোৱালী তিনিজনী বিয়া দিবলৈ আছেই। ল'ৰাও উপযুক্ত হোৱা নাই। আমিতো একো অন্যায় কৰা নাছিলোঁ। নিজৰ কৰ্ত্তব্যকটো কেতিয়াও ফাঁকি দিয়া নাছিলোঁ। কাৰো এটকা ভেটি লোৱা নাছিলোঁ। তেনেস্থলত আমাৰ এই অৱস্থা কিয় ?" মেধিৰ কথাত ডেকা মাষ্টৰে হয়ভৰ দিলে। অকল আদৰ্শ লৈ এই যুগত জীয়াই থাকিব নোৱাৰে। দুৰ্নীতি কৰিব লাগিব। ই যুগৰ নিয়ম। কথাৰ লগে লগে কেতিয়া পদূলি পালে গমেই নাপালে লোহিত মাষ্টৰে। মেধিক বিদায় দি লোহিত মাষ্টৰ ঘৰলৈ আগবাঢ়িল।

বিজয়ৰ চাকৰিটোৰ বাবেই লোহিত মাষ্টৰে লাগি আছে। শিক্ষকৰ চাকৰি, হ'লে ঘৰখনে অলপ সকাহ পাব। কিন্তু আজি তিনিমাহে ৰজনী হাজৰিকাৰ ওচৰলৈ গৈ আছে, একেটা কামৰ বাবেই। ৰজনী হাজৰিকা বৰ্ত্তমান শাসক দলৰ স্থানীয় নেতা। মন্ত্ৰী, বিধায়ক আদিৰ লগত ভাল চিনাকী। বহুতকে টকা লৈ চাকৰি দিলে। ৰজনী হাজৰিকা এসময়ত লোহিত মাষ্টৰৰ ছাত্ৰ আছিল। লোহিত মাষ্টৰৰ স্থানীয় বিধায়কজনৰ লগত বিশেষ হাত-বাট নাই। গতিকে ৰজনী হাজৰিকাৰ দ্বাৰাই কিবা এটা কৰাবৰ বাবে খাটি আছে। ৰাজনীতিৰ লগত লোহিত মাষ্টৰৰ সম্পৰ্ক নাই। তেওঁ জানে আদৰ্শ থকা মানুহে ৰাজনীতি কৰিব নোৱাৰে। কিন্তু এই পৰিস্থিতিত মন্ত্ৰীৰ আত্মীয় বা ঘনিষ্ঠ হ'ব নোৱাৰিলে একো কামেই নহয়, তাকো জানে লোহিত মাষ্টৰে। টকা থাকিলেহে ৰাজনীতি কৰিব পাৰি। টকা আৰু ৰাজনীতি একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি বুলিয়েই লোহিত মাষ্টৰৰ ধাৰণা।

"হেৰা শুনিছানে ? মোৰ নতুন ধুতি চোলা-যোৰ দিয়াচোন।" ৰাতিপুৱাই লোহিত মাষ্টৰে ঘৈণীয়েকক মাতিলে। "ৰাতিপুৱাই কোন ফালেনো যায়" বুলি কাপোৰযোৰ দি আগ্ৰহেৰে সুধিলে। "আজি মন্ত্ৰীৰ ওচৰলৈ যোৱাৰ কথা। ৰজনীও যাব, বিজয়ৰ চাকৰিটোৰ কিবা এটা হ'ব যেন পাওঁ।" খুব আনন্দৰে কথাখিনি কৈ লোহিত মাষ্টৰে কোটৰ পকেটত টকাখিনি ভৰালে। কাণে-নাকে ছুটামান গুজি ওলাই গ'ল লোহিত মাষ্টৰ। বুকুত হেজাৰ স্বপ্ন। ৰজনীয়ে যেতিয়া কথা দিছে কামটো হ'ব নিশ্চয়।

আলিবাটত উঠি লোহিত মাষ্টৰে পাঞ্জাৱী চোলাৰ জেপটো খেপিয়াই চালে ঠিকেই আছে। হঠাতে লোহিত মাষ্টৰৰ মনটো বেয়া লাগি গ'ল। চোলাৰ জেপত আছে ঘৈণীয়েকৰ পুৰণি অলংকাৰ কেইপদ বিক্ৰী কৰি পোৱা ৬ হেজাৰ টকা। ৰজনীয়ে কোৱা মনত আছে, "ছাৰ আপোনাৰ পৰা মই ভেটি লমনে ? ওপৰৱালাক কিবা অলপ দিব লাগিবতো।" লোহিত মাষ্টৰে জানেই টকা নহ'লে কোনো কাম নিসিজে। বাওঁহাতে ধুতিখন কোচাই খৰ গতিৰে লোহিত মাষ্টৰ আগবাঢ়িল। জানোছা পলম হ'লে ৰজনী কৰবালৈ গুচি যায়গৈ।

গৈ থাকোতে কেতিয়া যে ৰজনী হাজৰিকাৰ ঘৰৰ পদূলি-মুখ পালে কবই নোৱাৰিলে। চোলাৰ জেপটো আকৌ এবাৰ খেপিয়াই চালে। বুকুত অলপ সাহ বাঢ়িল। হাজৰিকাৰ ঘৰৰ গেটখন খুলি ভিতৰ সোমাই গ'ল। তেওঁ অনুমান কৰিলে, ভিতৰত কিছু মানুহ আছে। যিহেতু কথাটো কিছু গোপনীয় গতিকে অকলে লগ ধৰাটো সমীচিন বুলি ভাবি বাহিৰত কিছু সময় অপেক্ষা কৰিলে লোহিত মাষ্টৰে। পুতেকৰ চাকৰিটো হ'লে ঘৰখনে অন্ততঃ এবাৰ মুকলিকৈ হাঁহিব পাৰিব। বহি বহি লোহিত মাষ্টৰৰ আমনি লাগিল। দুই এজনকৈ মানুহ ভিতৰলৈ গৈ আছে আহি আছে। এটা সময়ত লোহিত মাষ্টৰো ভিতৰ সোমাই গ'ল। ভিতৰ সোমাই লোহিত মাষ্টৰ চকী এখনত বহিল। তেনেতে ৰজনী হাজৰিকাই ক'বলৈ ধৰিলে- "সৰ্ব্বনাশ হ'ল ছাৰ।" লোহিত মাষ্টৰে প্ৰশ্নবোধক দৃষ্টিৰে ৰজনী হাজৰিকাৰ মুখলৈ চালে। লোহিত মাষ্টৰৰ মনত হেজাৰ প্ৰশ্ন, কি সৰ্ব্বনাশ হ'ল ?? "ছাৰ মন্ত্ৰীয়ে সেই পদটো এজন আত্মীয়ক দিবলৈ বুলি মোক নিৰ্দেশ দিছে।" গতিকে ছাৰ মই ………… বুলি ৰজনী হাজৰিকাই কিবাকিবি কৈ গ'ল কিন্তু লোহিত মাষ্টৰৰ কাণত একো নোসোমাল। পিছত নিজকে সংযত কৰি কোটৰ পৰা টকাখিনি উলিয়াই ৰজনী হাজৰিকাৰ হাতত গুজি দি "বোপা কিবা এটা কৰা" বুলি কৈ লোহিত মাষ্টৰে ৰজনীৰ ভৰিত ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে।

আজি ২৫/৩০ বছৰে শ জনে ভৰিত ধৰি আৰ্শীবাদ লোৱা আদৰ্শ শিক্ষক লোহিত মাষ্টৰে আজি নিজৰেই ছাত্ৰ, চৰিত্ৰহীন, লম্পট, দালাল এটাৰ ওচৰত নিজৰ আদৰ্শক বন্ধকীত থবলৈ আহিছে। কোনে জানে, কিমান ৰজনীৰ হাতনি পেৰাত মোকলাব নোৱাৰাকৈ কিমান লোহিত মাষ্টৰৰ আদৰ্শ বন্ধকীত যাব !!

"অহংকাৰী লোক এটা কুকুৰাৰ দৰে। যিটো কুকুৰাই ভাবে যে, সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱাল।"

— জৰ্জ্জ ইলিয়ট

প্ৰবন্ধ

# অসমৰ যুৱ সমাজত হিন্দী চিনেমাৰ কু প্ৰভাৱ ঃ এটি আলোচনা

শ্ৰীবাবুল কৈৱৰ্ত্ত
উঃ মাঃ ১ম বাৰ্ষিক

বাট্ৰাণ্ড ৰাছেলে কৈছিল, 'অনুকৰণ কেতিয়াও বেয়া হ'ব নোৱাৰে, কিন্তু ই অন্ধ অনুকৰণ হ'ব নোৱাৰিব।' সম্প্ৰতি অসমৰ যুৱ সমাজত হিন্দী ছবিৰ কু প্ৰভাৱ ক্ৰমবৰ্দ্ধমান ৰূপত বাঢ়ি অহা সমস্যাটোৱে ৰাছেলৰ এই কথাৰ প্ৰাসঙ্গিকতা আনি দিছে। মানুহ সাধাৰণতে অনুকৰণ প্ৰিয় জীৱ। কিন্তু সেই মানৱজীৱনৰ অপ্ৰয়োজনীয় দিশ কিছুমানো আন মাধ্যমৰ পৰা অনুকৰণ কৰি নিজৰ লগতে জাতীয় জীৱন বিপন্ন কৰি তোলাটো কাৰো বাবে মঙ্গলজনক নহয়। দুখৰ কথা এয়ে যে আমাৰ ৰাজ্যখনৰ ভৱিষ্যতৰ আশা ভৰসা আৰু উন্নতিৰ থল বুলি ভাবি থকা যুৱক সমাজৰ উশৃংখল অৱস্থাই তাকেই প্ৰমাণিত কৰিছে। সম্প্ৰতি বাতৰি কাকতৰ পাত লুটিয়ালেই অসমৰ অ'ত ত'ত যুৱ সমাজৰ দ্বাৰা ঘটোৱা হত্যাকাণ্ড, ধৰ্ষণ, তথা নানা হিংসাত্মক কাহিনীৰ বৰ্ণনা পঢ়িবলৈ পোৱা যায়। কিন্তু কিহৰ বাবে আমাৰ যুৱ সমাজ আজি এনে উশৃংখল আৰু বিপথগামী হৈ পৰিছে তাৰ যথাযথ কাৰণ বিচাৰি উলিয়াই তাৰ বিৰুদ্ধে কল্যাণমূলক কোনো কাৰ্য্য-সূচী কোনেও গ্ৰহণ কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। আমাৰ বোধেৰে যুৱ উশৃংখলতাৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ কাৰণৰ উপৰিও হিন্দী ছবিৰ পৰা উদ্ভৱ হোৱা কু প্ৰভাৱ অন্যতম। চিনেমাত যদিও সাধাৰণতে মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন আৰু জীৱনৰ বিচিত্ৰ ঘটনাৰাজি এক কল্যাণমূলক দৃষ্টিভংগীৰে ৰাইজক দেখুৱাব লাগে; তথাপি এই উদ্দেশ্যৰ পৰা অৰ্থলোভী হিন্দী ছবিৰ প্ৰযোজক, পৰিচালক সকল বহু ক্ষেত্ৰত আঁতৰি যায়। তেওঁলোকে অতি সম্প্ৰতি হিন্দী চিনেমাত কেতবোৰ নাভূত, নাশ্ৰুত কাহিনী সুমুৱাই দি দৰ্শকৰ মনত 'এড্ভেন্সাৰ' সৃষ্টিত লাগি পৰিছে। অৰ্থাৎ কোনে কিমান 'এড্ভেন্সাৰ' সৃষ্টি কৰিব পাৰে তাৰেই প্ৰতিযোগিতাত নামি পৰিছে। চিনেমাত সাধাৰণ চেহেৰাৰ নায়ক জনেও তেওঁতকৈ শক্তিশালী ৩/৪ জন ব্যক্তিকো বিশেষ কায়দাৰে প্ৰহাৰ কৰি নিজকে বিজয়ী সাব্যস্ত কৰে। প্ৰেমিকে নিজৰ প্ৰেমিকাক বচাবলৈ, নাইবা তেওঁৰ সতীত্ব ৰক্ষা কৰিবলৈ বহু অসম্ভৱকো সম্ভৱ কৰি তোলে। তাৰবাবেই চলে বহু মাৰপিট, হিংসা আৰু হত্যাকাণ্ড। নায়কৰ বাবেও নায়িকাই চিনেমাত যুঁজ কৰে। এনে যুঁজত নায়িকা কেতিয়াবা জয়ীও হয় আৰু কেতিয়াবা শত্ৰুৰ হাতত ধৰাশায়ী হোৱাৰ লগতে শোচনীয় ভাৱে ধৰ্ষিতা আৰু নিৰ্য্যাতিতা হ'বলগীয়াতো পৰে। নাইট ক্লাবত অৰ্দ্ধনগ্ন হৈ নৃত্য কৰা, মদখোৱা, ডকাইতি কৰি সহজতে বহু টকাৰ মালিক হৈ বিলাসী জীৱন কটোৱা আদি দৃশ্যবোৰ হিন্দী ছবিৰ সচৰাচৰ ঘটনা। হিন্দী ছবিৰ নায়কৰ ভংগীৰে অসমীয়া যুৱক সকলে সম্প্ৰতি বাছে-মটৰে, হাটে-বজাৰে, আনকি পৰীক্ষা গৃহতো দাদাগিৰী আৰু বীৰত্ব দেখুৱাব ধৰিছে। মনকৰিবলগীয়া যে হিন্দী ছবিৰ ভাল কথাখিনি কিন্তু আমাৰ যুৱ সমাজে কেতিয়াও অনুসৰণ কৰা নাই। কিছুমান ছবিত নায়ক-নায়িকাক আদৰ্শবান ৰূপত চিত্ৰিত কৰা হয়। কোনো কোনো নায়কে নিজৰ গৰিব আৰু অসহায় অৱস্থাৰ পৰা বহু সাধনা আৰু অধ্যাৱসায়ৰ গুণত কেনেদৰে নিজকে জীৱনত প্ৰতিষ্ঠা কৰি সমাজত ধন আৰু মান অৰ্জন কৰে সেই চৰিত্ৰ সমূহৰ পৰা আমাৰ যুৱ সমাজে শিক্ষা গ্ৰহণ কৰিব নোৱাৰেনে? আনহাতে নায়কৰ সংগ্ৰাম আৰু অধ্যাৱসায়ত তেওঁৰ প্ৰেমিকাই কি দৰে সহায়ৰ হাত আগবঢ়াই সেই দৃশ্যবোৰে সাধাৰণতে আমাৰ মনত দোলা দি যায়। অধ্যয়নশীল নায়ক আৰু সংস্কৃতিবান তথা চৰিত্ৰবান নায়িকাৰ চৰিত্ৰ আৰু গুণখিনি আমাৰ যুৱ সমাজে অনুকৰণ নকৰি বেয়াখিনিহে অনুকৰণ কৰা দেখা যায়। ফলস্বৰূপে আমাৰ জাতীয় জীৱনত যুৱসমাজে কালিমা সানিবলৈ লৈছে। সম্প্ৰতি হিন্দীছবিৰ অনুকৰণত অসমীয়া ছবি ভালেকেইখন নিৰ্মাণ কৰা হৈছে যদিও আদৰ্শমূলক চৰিত্ৰৰ বহুকেইখন অসমীয়া ছবি আছে। এই ছবিসমূহে আমাৰ জাতীয় জীৱনৰ হাঁহি-কান্দোন, দুখ-সুখৰ ছবি বহু পৰিমাণে ফুটাই তুলিছে। কিন্তু আচৰিত কথা এয়ে যে আমাৰ যুৱসমাজে অসমীয়া ছবি চাবলৈ স্বাভাৱিকতে নাৰাজ; কাৰণ অসমীয়া ছবিত চেক্স, ভায়োলেন্স আদিৰ দৃশ্য স্বাভাৱিকতে কম। এনে এক মানসিকতাৰে আমাৰ যুৱ সমাজৰ সামগ্ৰীক উন্নয়ন সাধন হোৱাটো কিমান দূৰ সম্ভৱ সি এক চিন্তাৰ বিষয়।

'বেয়া দিশটো গ্ৰহণ কৰা সহজ, কিন্তু ভাল দিশবোৰ গ্ৰহণ কৰা সহজ নহয়'— এই আপ্তবাক্যশাৰী আমাৰ যুৱসমাজৰ ক্ষেত্ৰত বাৰুকৈয়ে প্ৰযোজ্য হৈ পৰিছে। অৰ্থাৎ আমাৰ যুৱসমাজে ভালখিনি গ্ৰহণ নকৰি বেয়াখিনিহে গ্ৰহণ কৰিবলৈ লৈছে। অধ্যয়নশীলতাৰ পৰিবৰ্ত্তে নকল কৰি উত্তীৰ্ণ হোৱাৰ মানসিকতাই আমাৰ যুৱসমাজত প্ৰভাৱ বিস্তাৰ কৰিছে।

এনেকৈয়ে হিন্দীছবিৰ বাঢ়ি অহা কু প্ৰভাৱৰ ফলত আজি আমাৰ যুৱসমাজৰ গতিপথ অন্ধকাৰাছন্ন হৈ পৰিছে। ইয়াৰ বিৰুদ্ধে বাতৰি কাকতত লেখা

মেলা কিছু পৰিমাণে হৈ আছে যদিও সেইবোৰৰ প্ৰতি সংশ্লিষ্ট সকলে কাণসাৰ নিদিয়া যেন লাগে। অধ্যয়নৰ দ্বাৰা এই সমস্যাৰ কিছু সমাধান আছিল যদিও আমাৰ যুৱ সমাজে প্ৰায়েই পাঠ্যপুথিতবাদে বাহিৰা (?) অধ্যয়ন মুঠেই নকৰে যেন লাগে। পথভ্ৰষ্ট এই যুৱচামটোক এনে অন্ধ অনুকৰণৰ পৰা আঁতৰাই আমাৰ জাতীয় জীৱনক অধিক অৱনতি ঘটাৰ পৰা ৰক্ষা কৰিবলৈ প্ৰচাৰ মাধ্যমসমূহ, চৰকাৰ, বেচৰকাৰী কল্যাণকামী সংস্থানসমূহ, আৰু সকলো চিন্তাশীল নাগৰিকৰ গুৰু দায়িত্ব আহি পৰিছে। এই সমস্যাটোৰ প্ৰতি সকলো এতিয়া সক্ৰিয়ভাৱে আগবাঢ়ি অহা উচিত। অন্যথা অসমৰ ঐতিহ্যমণ্ডিত সংস্কৃতিৰ ঠাইত অপসংস্কৃতিয়ে গজালি মেলি আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ উত্তৰণো দিক্‌ভ্ৰষ্ট কৰিব। ইতিমধ্যে এই দিশত আমাৰ সমাজ জীৱন বহু পৰিমাণে অগ্ৰসৰ হোৱাটো সকলোৱে মন কৰিছে।

"সাহিত্যৰ লক্ষ্য হৈছে মানুহক নিজক নিজে বুজিবলৈ সক্ষম কৰা, আত্মবিশ্বাস জন্মোৱাত আৰু সত্যৰ অনুসন্ধান কৰাত সহায় কৰা, সজ কথাত আত্মনিয়োগ কৰিবলৈ বল দিয়া আৰু অন্তৰত সৌন্দৰ্য্যবোধ জন্মাই জীৱনটো পবিত্ৰ কৰা।"

— মেক্সিম গৰ্কী



প্ৰবন্ধ

# স্বাধীনতা সংগ্ৰামত অসমীয়া নাৰী

লোপা ডেকা বৰুৱা
প্ৰৱক্তা, অসমীয়া বিভাগ

মানৱ সভ্যতাৰ ইতিহাসলৈ চালে আমি দেখা পাওঁ গছৰ খোৰোঙৰ পৰা শিলৰ বুকুলৈ, শস্যৰ পথাৰৰ পাৰা যন্ত্ৰৰ বৰঘৰলৈ উত্তৰণৰ প্ৰতিটো স্তৰেই নাৰীৰ সংগ্ৰামী চেতনাৰ স্বাক্ষৰ বহন কৰিছে। খেতিয়ক ৰাইজৰ পথাৰৰ সহকৰ্মী, ঘৰৰ লখিমীসকল ইতিহাসৰ সন্ধিক্ষণত সততে অৱতীৰ্ণ হয় মুক্তকেশী বীৰঙ্গনাৰ ৰূপত, সংগ্ৰামৰ সতীৰ্থ সহযোদ্ধাৰ ৰূপত। আমাৰ এই অসম প্ৰান্ততে আহোম ৰাজসিংহাসনে যেতিয়া অন্যায়ৰ ৰাজমুকুট পিন্ধি শাসনৰ বাঘজৰী ধৰিছিল, তেতিয়া সেই অন্যায়ৰ প্ৰতিবাদ কৰিছিল জয়মতী কুঁৱৰীয়ে। সুদূৰ ফৰাচী দেশৰ কিশোৰী জোৱান অব আৰ্কৰ সংগ্ৰামী চেতনাই ফৰাচী সেনা বাহিনীক ইংৰাজৰ বিৰুদ্ধে জগাই তুলিছিল। স্বদেশ ও স্বজাতিৰ সংগ্ৰামী ইতিহাসত 'শুৱনি প্ৰকৃতি শুৱাই থকা অসম দেশৰ ছোৱালীৰ' মুক্ত মনৰ প্ৰতিবাদ আৰু কৰ্মদক্ষতাৰ প্ৰমাণ উলাই কৰিব পৰা বিধৰ নহয়। মৃত্যু গছকি ইতিহাস গঢ়িব পৰা শক্তি অসমীয়া নাৰীৰ আছে আৰু আছে আত্মিক শক্তিৰে জ্যোতিষ্মান অস্ত্ৰ, যাৰ সৃষ্টি কোনো বিজ্ঞানগাৰত হ'ব নোৱাৰে, হ'ব পাৰে কেৱল মানুহৰ অন্তৰৰ গবেষণাগাৰত। যি অস্ত্ৰ নিজে নকঁপে কিন্তু ই পৃথিৱী কঁপাই। এই অস্ত্ৰৰ সমুখত পশু শক্তিয়ে নতি স্বীকাৰ কৰিবলৈ বাধ্য হয়।

১৮২৬ চনৰ বিখ্যাত য়াণ্ডাবু সন্ধিয়ে ছশ বছৰীয়া প্ৰবলপ্ৰতাপী আহোম ৰাজশক্তিৰ বেলি মাৰ নিয়ালে। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসম প্ৰদেশো বৃটিছৰ তললৈ গ'ল। দেশত শাসকশক্তিৰ পৰিবৰ্ত্তন ঘটিল কিন্তু গণদেৱতাৰ সংগ্ৰামী চেতনা জাগ্ৰত হৈ ৰ'ল। বৃটিছৰাজক খেদি পঠিয়াবৰ বাবে আৰম্ভ হ'ল ষড়যন্ত্ৰ। ১৯২০ চনৰ মাৰ্চ মাহত ভাৰতীয় জাতীয় কংগ্ৰেছৰ নাগপুৰ অধিবেশনত জালিৱানৱালা বাগৰ হত্যাকাণ্ড, ৰাওলাট আইন আৰু খিলাফট সমস্যাৰ সমাধান বিচাৰি মহাত্মা গান্ধীয়ে প্ৰস্তাৱ ললে

অসহযোগ আন্দোলনৰ। নাগপুৰ অধিবেশনত গৃহীত এই প্ৰস্তাৱে সমগ্ৰ ভাৰতীয় জনগণৰ হৃদয় জোকাৰি গ'ল। স্বৰাজ আৰু স্বাধীনতাৰ অমোঘ মন্ত্ৰই জাগ্ৰত কৰিলে গণ চেতনা।

১৯২১ চনত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে এই যুগসন্ধিৰ ভয়াবহতা নাশিবলে মহাত্মাৰ আহ্বান ক্ৰমে অসমৰ নৰ-নাৰী স্বৰাজৰ মহামন্ত্ৰলৈ অসহযোগ আন্দোলনত জপিয়াই পৰিল। কাশ্মীৰৰ পৰা কুমাৰীকালৈকে, গুজৰাটৰ পৰা অসমলৈকে ছহীদৰ বুকুৰ তেজেৰে দেশৰ মাটি ৰাঙলী হ'ল। ১৯২১ চনত মহাত্মা গান্ধীৰ অসম ভ্ৰমণে অসমীয়া জাতিক পুনৰ একত্ৰিত কৰি তুলিলে। সত্য আৰু অহিংসাৰ ভেটিত প্ৰতিষ্ঠিত এই আন্দোলনে অসমৰ নাৰী-সমাজক সচেতন কৰি তুলিলে। স্বাধীনতা যুঁজৰ থলীত মহিয়সী নাৰীসকলৰ বীৰত্বপূৰ্ণ অংশ গ্ৰহণে অসমবাসীৰ বৈচিত্ৰময় ইতিহাসত এক সোণালী অধ্যায়ৰ সূচনা কৰিলে। অসমৰ চুকে-কোণে গণকণ্ঠত মুখৰিত হ'ল-- "আগে বাঢ়ি আহা সবে/ মাতৃ বলি হ'বলৈ ত্ৰিৰঙ্গ পতাকাৰ স্বীকাৰক / সহস্ৰ তেজৰে নৈ।" দেশৰ মুক্তি মন্ত্ৰেৰে দিক্ষীতা, সংগ্ৰামৰ সহযোদ্ধা অসমৰ নাৰীসমাজে এই আন্দোলনৰ কাৰ্য্য-সূচীত ভিন ভিন ৰূপত ভাগ ললে।

বিদেশী সামগ্ৰী বৰ্জন, স্বদেশী বস্তুৰ উৎপাদন আৰু ইয়াৰ ব্যাপক প্ৰচলন, অস্পৃশ্যতা বৰ্জন, কাপোৰ বোৱা, সূতা কটা, চৰকাৰী কাৰ্য্যালয়, শিক্ষানুষ্ঠান, আদালত আইন সভা বৰ্জন, মাদক দ্ৰব্য ব্যৱহাৰ প্ৰতিৰোধ কৰা আদি কাৰ্য্যত নাৰী সকলো পুৰুষৰ সমানে আগবাঢ়িল। মহাত্মাৰ বাণী আৰু নাৰীজাতিৰ প্ৰতি দেখুওৱা শ্ৰদ্ধাই অসমৰ নাৰীসকলক প্ৰেৰণা যোগালে। আন্দোলন অব্যাহত ৰাখিবৰ বাবে পুঁজি সংগ্ৰহ কাৰ্য্যত আগভাগ লৈ বহু নাৰীয়ে নিজৰ সোণৰ অলংকাৰ দান দি স্বাৰ্থত্যাগ আৰু স্বদেশ প্ৰেমৰ নমুনা দেখুৱালে। সেই সকলৰ ভিতৰত 'তিলক স্বৰাজ ভঁৰাললৈ' অলংকাৰ দান দিয়া ভুৱনেশ্বৰী দেৱী, ননীবালা চলিহা, থানেশ্বৰী বৰুৱানী, লাৱণ্য চলিহা, কুসুমকুমাৰী বৰুৱা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

১৯২১-২২ চনৰ অসহযোগ আন্দোলনৰ এটা প্ৰধান আৰু গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী আছিল 'মাদক দ্ৰব্য বিৰোধী অভিযান।' উনৈশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা অসম ভয়াবহভাৱে কানি ব্যৱহিৰ গৰাহত পৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ কানি আছিল দেশৰ ৰাজহৰ এক গুৰুত্বপূৰ্ণ উৎস। আন্দোলনৰ এই নিবাৰণী অভিযানৰ ফলত উৎপাদন কমি গৈছিল। আনহাতে সেই সময়ত বৃটিছ ৰাজভঁৰালৰ অৱস্থা আছিল অতিশয় শোচনীয়। সেয়ে এই আন্দোলন ব্যৰ্থ কৰিবৰ কাৰণে বৃটিছ চৰকাৰে কঠোৰ দমন নীতিৰ আশ্ৰয় ললে। এনে দমন নীতিকো আওকান কৰি অসমীয়া নাৰীয়ে পুৰুষৰ সমানে যাতায়তৰ ব্যৱস্থা নথকা দূৰ্গম ঠাইলৈকো গৈছিল। কানিৰ মহলৰ সমুখত পিকেটিং কৰি নাৰীৰ দুঃসাহসিকতাৰ পৰিচয় দিছিল। মাদকদ্ৰব্য নিবাৰণী অভিযানৰ দুগৰাকী সক্ৰিয় কৰ্মী জাগী ভকত গাঁৱৰ ৰংদৈ লালুঙনী আৰু পুৰণি গুদামৰ প্ৰভাৱতী দেৱীৰ নাম বিশেষভাৱে স্মৰণীয়। অন্যান্য দুই এগৰাকী মহিলাই নিজৰ স্বামীক



কানি মহলৰ দামী চাকৰিৰ পৰা আঁতৰাই অনাৰ দৃষ্টান্তও আছে।

বগা চাহাববোৰৰ পৃষ্টপোষকতাত গঢ় লৈ উঠা চাহ বাগিছাবোৰ আছিল মদৰ একোখন সুন্দৰ বজাৰ। এই বাগিছাবোৰৰ মাজতো অসমীয়া নাৰীয়ে মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল। চাহাবৰ ৰক্ষিতা অসমৰ বনুৱা তিৰোতা মুংৰী ওৰফে মালতী মেমে মদ নিবাৰণীৰ নিচিনা দুঃসাহসিক কাৰ্য্যত গোপনে সহায় কৰা আৰু অসহযোগ আন্দোলনত যোগ দিয়াৰ অপৰাধত চৰকাৰী লোকৰ গুলিত প্ৰাণ দিব লগা হয়।

সংখ্যাত তাকৰীয়া হ'লেও সংৰক্ষণশীলতাৰ দেৱাল পাৰ হৈ অসমীয়া নাৰীয়ে সংগঠনৰ কামত ৰাজপথলৈ ওলাই আহিল। পুলিচৰ তালাচী কাৰ্য্যত নিজৰ মৰ্য্যদাহানি হ'ল, যাতনা ভূগিলে, কাৰাবৰণ কৰিবলগীয়া হ'ল। এইসকল সমস্যা সংগ্ৰামী নাৰীৰ ভিতৰত লক্ষীমপুৰৰ ৰত্নেশ্বৰী ফুকননী, সৰভোগৰ গুণেশ্বৰী মজুমদাৰ, দেৰগাঁৱৰ দেৱেশ্বৰী হাজৰিকা, শিৱসাগৰৰ সুন্দৰী কাকতি, গোলাঘাটৰ স্বৰ্ণলতা বৰুৱা, ডিব্ৰুগড়ৰ হেমপ্ৰভা দাস, ৰাজবালা বৰুৱা, নগাঁৱৰ ৰত্নেশ্বৰী ভট্টাচাৰ্য, দৰঙৰ চন্দ্ৰপ্ৰভা শইকীয়ানী, কিৰণময়ী আগৰৱালা, কিৰণবালা কাকতি, কামৰূপৰ ভানুমতী তালুকদাৰ, গুণেশ্বৰী দেৱী, গিৰিজা দেৱী আদিয়েই বিশেষভাৱে উল্লেখযোগ্য।

অসমৰ মহিলা শিপিনীসকলে "অসম বোৱা কটা সংস্থাৰ' জড়িয়তে খাদী বস্ত্ৰ উৎপাদন কৰি নিজৰ চাহিদা পূৰণ কৰাৰ উপৰিও সমগ্ৰ ভাৰত-বৰ্ষৰ বাবে প্ৰয়োজন হোৱা খাদী বস্ত্ৰৰ মুঠ চাহিদাৰ এক বুজন অংশ পূৰণ কৰিছিল। 'তিলক নামৰ নৌকাখনি / গান্ধী নামৰ বঠা / স্বৰাজ আমি ল'ব লাগে / সূতা কাটি উঠা' — এই গীতৰ সুৰেৰে অসমীয়া নাৰীয়ে ঘৰে ঘৰে যঁতৰত সূতা কাটিছিল। ১৯২৬ চনৰ ডিচেম্বৰত পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ একচল্লিছতম্ অধিবেশনৰ প্ৰধান আকৰ্ষণ আছিল অসমত প্ৰস্তুত কৰা খাদী বস্ত্ৰৰ প্ৰদৰ্শন। দহ মাহৰ ভিতৰতে কঁপাহৰ পৰা সূতা কাটি অসমৰ শিপিনীয়ে প্ৰয়োজনকৈ অধিক উৎপাদন কৰিছিল। মহিলাসকলৰ এই দক্ষতা সম্পৰ্কে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক নবীন চন্দ্ৰ বৰদলৈয়ে এই অধিবেশনৰ মূলতে যে অসমীয়া নাৰীৰ স্বদেশ প্ৰেম আৰু কৰ্মনিষ্ঠা সেই কথা স্পষ্টভাৱে স্বীকাৰ কৰি গৈছে।

প্ৰকৃতাৰ্থত ১৯৩০ চনৰ অসহযোগ আন্দোলনৰ পৰাহে অসমীয়া নাৰীয়ে স্বাধীনতা সংগ্ৰামত সক্ৰিয়-ভাৱে অংশ গ্ৰহণ কৰে। পোন প্ৰথমে বোম্বাইৰ গুজৰাটী মহিলাসকলে জাকৰুৱাভাৱে সত্যাগ্ৰহ কৰি আইন অমান্য কৰিছিল। এই নাৰী জাগৰণৰ পছোৱাই অসমৰ নাৰীসকলকো চুই গ'ল। আৰম্ভণিৰে পৰা জাতীয় আন্দোলনৰ আগগুৰি ধৰা সুন্দৰী কাকতিয়নীৰ নেতৃত্বত শিৱসাগৰৰ উপমা চুৱৰাণী, যোগেশ্বৰী চুৱৰাণী, আইটী ফুকননী ৰাজপথলৈ ওলাই আহিল। এনেদৰে অসমৰ প্ৰত্যেকখন জিলাৰে ৰাজপথৰ নিমন্ত্ৰণত অসমৰ নাৰিয়ে সহাৰি জনালে। ঠায়ে ঠায়ে সভা সমিতি পাতিলে, দলে দলে কংগ্ৰেছ অফিচলৈ সূতা কাটিবলৈ গ'ল; প্ৰতি দেওবাৰে সভা সমিতি পাতি মহিলাসকলক কংগ্ৰেছৰ সদস্যাভূক্ত কৰিলে; বিয়াই সবাহে সক-

লোকে বিলাতী বস্তু বৰ্জন কৰিবলৈ অনুৰোধ কৰিলে। শিৱসাগৰৰ কাছাৰী ঘৰৰ সমুখত হোৱা মহিলা সভাত আইন নামানো বুলি প্ৰস্তাৱ ললে। এই সভালৈ চাৰিঙৰ বিশ গৰাকী, বলিয়াঘাটৰ পাঁচ গৰাকী, কালুগাঁৱৰ চাৰিগৰাকী সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাও গৈছিল। ইয়াৰে দুগৰাকী মহিলাই কাৰা-বৰণ কৰিছিল। বলিয়াঘাটৰ সাৱিত্ৰী কাকতিৰ অসীম সাহস আৰু বক্তৃতাৰ ভঙ্গিয়ে নাৰীসকলক বিশেষভাৱে অনুপ্ৰাণিত কৰে।

১৯৩০ চনৰ ১৫ ডিচেম্বৰত জেলৰ পৰা ওলাই অহা দুজন সত্যাগ্ৰহী মোহন ফুকন আৰু ফটিক কাকতিক আইটী ফুকননীৰ নেতৃত্বত চাৰিং মহিলা সমিতিয়ে সম্বৰ্দ্ধনা জনায়। কংগ্ৰেছৰ সেৱক অথবা সত্যাগ্ৰহীক সম্বৰ্দ্ধনা জনোৱা কাৰ্য্য অসমত এয়ে প্ৰথম।

১৯৩২ চনৰ পিকেটিংৰ কাৰ্য্যসূচীত মহিলাৰ সক্ৰিয় সহযোগে আন্দোলনক অধিক জোৰদাৰ কৰি তুলিলে। ১ ফেব্ৰুৱাৰীৰ পিকেটিঙত অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰে দাৰিকী দাসে। এই গৰাকী মুক্তি যোদ্ধাই চৰকাৰৰ প্ৰলোভন আৰু ফুচুলনিক আওকান কৰি কাৰাৰুদ্ধ অৱস্থাতে ২৬ এপ্ৰিলৰ দিনা মৃত্যুক সাবটি লয়।

১৯৪২ চনৰ মহাত্মাৰ ভাৰত ত্যাগ আন্দোলন আছিল স্বাধীনতাৰ শেষ আৰু মুকলি সংগ্ৰাম। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি অন্যান্য প্ৰদেশৰ লগতে অসমৰো আগশাৰীৰ নেতাসকলক গ্ৰেপ্তাৰ কৰে। বিয়াল্লিছৰ এনে সংকটৰ সময়ত অসমৰ নাৰীসকলে নিজ নিজ এলেকাৰ সংগঠনৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল। অমল প্ৰভা দাস, পুষ্পলতা দাস, চন্দ্ৰপ্ৰভা শইকীয়ানীকে প্ৰমূখ্য কৰি অসমীয়া মহিলাসকলে গোপনে আৰু অতি দক্ষতাৰে প্ৰচাৰ আৰু সংগঠনৰ অভিযান চলালে। ১৯৪০ ৰ পৰা ১৯৪২ চনৰ এই দুৰ্যোগৰ কালছোৱাত যি সকল অসমীয়া নাৰীয়ে দেশৰ স্বাধীনতা সংগ্ৰামত গোপনে আৰু সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল সেই সকলৰ সঠিক পৰিচয় ইতিহাসে আমাক দিব নোৱাৰে; কিন্তু সেই সকল মহিয়সী নাৰীৰ ত্যাগ, নিষ্ঠা, সাহস আৰু অনু-প্ৰেৰণা উত্তৰ পুৰুষৰ বাবে আদৰ্শ হৈ ৰ'ল।

বিয়াল্লিছৰ 'মুকলি বিদ্ৰোহ'ৰ কাৰ্য্যসূচীত দৰং জিলাৰ মহিলা সকলৰ সাংগঠনিক দায়িত্বত আছিল পুষ্পলতা দাস। ১৯৪২ চনৰ চেপ্তেম্বৰ মাহত এওঁৰ নেতৃত্বত 'শান্তি বাহিনী' আৰু 'মৃত্যু বাহিনী' গঠিত হয়। মৃত্যু বাহিনীৰ স্বেচ্ছাসেৱিকা হিচাবে ২০ চেপ্তেম্বৰত গহপুৰ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈ পুলিচৰ গুলিত মৃত্যু বৰণ কৰে কিশোৰী কনকলতা বৰুৱাই। এনেদৰে ঢেকিয়াজুলি থানাত মৃত্যু হয় তিলেশ্বৰী বৰুৱা, কুমলী দেৱী, খহুলী দেৱীৰ। নগাঁৱৰ বৰহমপুৰত ভোগেশ্বৰী ফুকননীয়ে স্বাধীনতাৰ বেদীত প্ৰাণ আহুতি দিয়ে। কেৱল গুলিৰ আঘাতেই নহয়, চৰকাৰী ভেৰোণীয়া গুণ্ডাই শোভাযাত্ৰাকাৰী সকলৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলালে। এনে অত্যাচাৰৰ ফলত বহু কেইগৰাকী মহিলা সত্যাগ্ৰহী জীৱনৰ কাৰণে ঘূণীয়া হ'ল; অকালতে মৃত্যু মুখত পৰিল।

কংগ্ৰেছ কৰ্মী সকলে গোপনে টেলিগ্ৰাফৰ তাঁৰ কটা, দলং ভঙা, ৰেললাইন উঠোৱা, সামৰিক বাহিনীৰ চাউনীত জুই দিয়া আদি কাম কৰিছিল।



এই দুঃসাহসিক কামবোৰত ঠাই বিশেষে মহিলা সকলেও যোগ দিছিল। নগাঁও জিলাৰ মৰিগাঁৱৰ মনহা মৌজাৰ ডাক-বঙলাত জুই দিয়াৰ অপৰাধত আৰলী কোঁচনীক পুলিচে গুৰুতৰভাৱে আহত কৰে আৰু সেই আঘাতত কিছুদিনৰ পিছত এই গৰাকী মুক্তিপ্ৰাণা মহিলাৰ মৃত্যু হয়।

শিৱসাগৰ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড় আদি অঞ্চলত কেইগৰাকীমান সহকৰ্মীৰ লগত কংগ্ৰেছৰ হকে দুঃসাহসিক সাংগঠনিক প্ৰচাৰ কাৰ্যাত অংশ গ্ৰহণ কৰা আন এগৰাকী মুক্তি যোদ্ধা টিয়ক অঞ্চলৰ ৰেৱতী লাহন। কংগ্ৰেছৰ নথিপত্ৰ কঢ়িয়াই নিয়া অৱস্থাত এগৰাকী সহকৰ্মী হোমেশ্বৰী ফুকননীৰ সৈতে গোলাঘাটত পুলিছে গ্ৰেপ্তাৰ কৰে। এনেদৰে আৰু বহু নাৰীয়ে কৰ্ত্তব্য নিষ্ঠা, দুঃসাহস, দেশপ্ৰেম আৰু স্বজাতিৰ প্ৰতি থকা ভালপোৱাৰে স্বাধীনতাৰ সমৰ থলীলৈ আগবাঢ়ি গৈছিল। বুৰঞ্জীয়ে চুকি পোৱা আৰু বুৰঞ্জীৰ পাতৰ আঁৰত লুকাই থকা বহুজনৰ ত্যাগৰ বিনি-ময়ত, ভাৰতৰ গণদেৱতাৰ ওচৰত হাৰমানি বৃটিছে ভাৰত ত্যাগ কৰিবলৈ বাধ্য হ'ল। ত্ৰিৰঙ্গ পতাকাৰ তলত থিয় হৈ আজি সেইসকল মহিয়সী নাৰীৰ ঐতিহাসিক মূল্যায়ন সঠিকভাৱে কৰিব নোৱাৰো; কিন্তু আজি একবিংশ শতিকাৰ দুৱাৰ মুখত থিয় হৈ আনুষ্ঠানিক শিক্ষাৰ শীৰ্ষ বিন্দুত উপনীত হোৱা অসমীয়া নাৰীয়ে এবাৰ অতীতলৈ উভটি চাব পাৰে। বৰ্ত্তমান অসমৰ নাৰী সমাজো গভীৰ সংকটৰ মুখামুখি হৈছে। অতি আধুনিক জীৱন যাত্ৰাৰ নামত, বিলাসীতাৰ নামত সস্তীয়া দেহ প্ৰদৰ্শনৰ কছৰং চলিছে। শাৰীৰিক, মানসিক উভয় দিশতে যৌতুক প্ৰথাৰ কুফলৰ ছবি অতি সাধাৰণ কথা হৈ পৰিছে। এইবোৰৰ মাজত এচাম নাৰীয়ে তথা-কথিত পশ্চিমীয়া নাৰীবাদৰ পৃষ্ঠপোষক হৈ নাৰী মুক্তিৰ শ্লোগানেৰে সামাজিক পৰিবেশৰ প্ৰদূষণ ঘটাইছে। ইয়াৰ ফলত পুৰুষৰ সমানে আগবাঢ়িব খোজা আধুনিকা নাৰী আধুনিক জগতৰ বাসিন্দা হৈয়ো আচল অৰ্থত আধুনিক মনৰ গৰাকী হ'ব পৰা নাই। যি মানসিক দৃঢ়তা, কৰ্ত্তব্যনিষ্ঠা, দেশ-প্ৰেম, অসীম সাহস আৰু মুক্ত মনেৰে বিয়াল্লিছৰ মুকলি ৰণাঙ্গনলৈ অসমীয়া নাৰীয়ে পুৰুষৰ সমানে অতি দক্ষতাৰে আগবাঢ়িছিল সেই সাহস, আজিৰ নাৰীৰো আছে। নিজৰ স্থিতি সম্পৰ্কে, শক্তি সম্পৰ্কে বস্তুবাদী দৃষ্টিভঙ্গিৰে প্ৰত্যক্ষ কৰিব জানিলে প্ৰত্যেক নাৰীয়ে নিজকে এক স্বতন্ত্ৰ ব্যক্তিৰূপে দেখা পাব। এনে উপলব্ধিয়ে নাৰীক কেৱল নাৰী হৈ নাথাকি মানুহ হ'বলৈ শিকাব। অসমৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয়-ভাৱে সহযোগ আগবঢ়োৱা সেই মহিয়সী নাৰীসকলক আত্মিক আৰু শাৰীৰিক শক্তিৰ মাজত আমি তেনে একো গৰাকী 'ব্যক্তিৰে', তেনে একোগৰাকী মানু-হ'ৰে চেতনাৰ সম্ভেদ পাওঁ। ইতিহাসে সোঁৱৰা সেই শক্তিকে অন্তৰেৰে সুঁৱৰিলে বৰ্ত্তমান অসমৰ নাৰী সমাজ কিঞ্চিতভাৱে হ'লেও গভীৰ সংকটৰ গৰাহৰ পৰা মুক্ত হ'ব বুলি আশা কৰিব পাৰি।

## তুমি জীয়াই আছা

বিনীতা দাস
স্নাতক, দ্বিতীয় বাৰ্ষিক

ক্ষৌণীখন যেতিয়া
মোৰ ভৰিৰ তলৰ পৰা আঁতৰি যাব খোজে
মানসৰ দুৱাৰ-ডলিত তুমি থিয় হৈ কোৱা,
: মই জীয়াই আছো ।
সপ্ত সমুদ্ৰ প্ৰলয়াগ্নিয়ে চেলেকি গ'লেও
তুমি চিঞঁৰি-চিঞঁৰি কোৱা,
: মই জীয়াই আছো ।

সেই নিগ্ৰোজনেই দেখো জ্বলন্ত প্ৰমাণ
সেই মহামানৱজনেই দেখুৱালে
তোমাৰ অস্তিত্বক, যুগে-যুগে পৃথিৱীক
তুমি দি যাবা
সত্য আৰু সততাৰ বাৰতা ।

হাহাকাৰৰ শেষ প্ৰান্ততো
তুমি চিঞঁৰি-চিঞঁৰি কোৱা,
: মই জীয়াই আছো,
মই জীয়াই আছো, মোৰ নাম
সচাঁ মানৱতা ।
তোমাৰ প্ৰজ্ঞাৰ দুহাতেৰে
উভালি পেলোৱা
নৃশংসতাৰ বিষবৃক্ষৰ শিপা ।

* *

## প্ৰত্যাশা

হেমন্ত দাস
স্নাতক, দ্বিতীয় বাৰ্ষিক

তোমাৰ বাবেই জন্ম মোৰ প্ৰেম,
কাংখিত দিনৰ প্ৰতিশ্ৰুতি ভৰা
আবেগৰ আলিদোমোজাত ৰৈ
কেনেকৈ ক'ম মই,
কোনটো ঋতুত আহিবা তুমি
প্ৰাত্যহিকতাৰ ধূলি-বালি জোকাৰি
বহিবাহি কাষৰত, হাতত লৈ
বহাগৰ বাতৰি ।

তোমাৰ বাবেই জন্ম মোৰ স্বপ্ন
মোৰ প্ৰজ্ঞাৰ সাধনালয়,
নিচেই সহজ মুকলিত
মাটিৰ চাকিৰ টিমিকি পোহৰ
বতাহে গিলি থোৱা
তুমিতো জানাই
উজাগৰী ৰাতিৰ স্বপ্নবোৰ
কেনেকৈ হেৰাই যায় ।

চাকিগছি জ্বলিবলৈ দিয়া
চাকিগছি জ্বলিবলৈ দিয়া
তোমাৰ প্ৰেমেৰে মোৰ প্ৰেমক
উজ্বল কৰা, অক্ষয় কৰা
শিখাত নাচক নক্ষত্ৰৰ বুকুৰ বতৰা ।

★★



## চিনাকি-অচিনাকি

আব্দুছ ছালাম
স্নাতক, প্ৰথম বাৰ্ষিক

এই বাটে আহিবা তুমি
এই বাট তোমাৰো চিনাকি
যি বাটে এদিন আহিছিল আজোককা
জীৱনৰ জোনাক বিচাৰি ।
এই বাটে আহিবা তুমি
যি বাটেৰে আছে শৰত,
শেৱালি গছকি আদৰে আঘোণক
পাহোৱাল হাতৰ কাঁচিত নাচে
সোণোৱালি শইচ চিকিমিকি ।
সহৃদয় বন্ধু মোৰ !
এই বাটে নাহিবা তুমি
য'ত আজি পৰি আছে
শুকান কাঠৰ দৰে
মৰমৰ উকা ফাকুগুৰি
হয়তোবা তাৰেই মাজত
এতিয়াও আছে পৰি
আজোককাৰ চৰণৰ ধূলি !
এই বাটে নাহিবা তুমি
পোৰে য'ত শিশুৰ মগজ
ধৰ্ষিতা নাৰীৰ আৰ্তনাদে ৰাজপথ কৰে মৰিশালি
যৌৱনে যৌৱনক বোবা কৰি
গাব খোজে প্ৰগতিৰ ৰামধূন গীতি ।

★

## ছাত্ৰৰ বেদ

পূৰ্ণিমা দাস
স্নাতক, প্ৰথম বাৰ্ষিক

কলেজলৈ যাম নে
    চিনেমা চাম
কিতাপ পঢ়িম নে
    ষ্টাইল কৰিম
কিতাপৰ টোকা লিখিম নে
    কিতাপ কিনিম
টিউচন ল'ম নে
    সাজ পোছাক কিনিম
বিদ্যালয়ৰ ছাত্ৰ হ'ম নে
    আজিৰ ডেকা হ'ম
শ্ৰেণীত গোলমাল কৰিম নে
    মনোযোগ দিম
কলেজত শিক্ষা ল'ম নে
    ৰাজনীতিত নামিম
দেশৰ দালালী কৰিম নে
    আন্দোলনৰ নেতা হ'ম
পাঠ মুখস্থ কৰিম নে
    পৰীক্ষাত নকল কৰিম
পৰীক্ষা দিম নে
    ভ্ৰমণ কৰিম
আহক বাৰু পৰীক্ষা
    কিবা এটা কৰিম
এবাৰত নোৱাৰিলেও
    এশবাৰত পাৰিম
বাদ দিম সকলো
    ওভতগোৰ নাচ
যদি হ'ব পাৰো
    সাধু কথাৰ চিচিকাচ ।

*

# প্ৰতীক্ষা

হীৰা মালাকৰ
স্নাতক, প্ৰথম বাৰ্ষিক

গ'ল বাৰ বহাগত ৰক্তজৰা এটি
তোমাৰ লৰঘু খোপাত গুজি দিছিলো
কপৌ নাপাই—
এইবাৰ দেশৰ মাটিৰ কেঁচা গোন্ধটোৰে
মোক নিলগাই ৰাখিলে ।
কিবা এটা পোৱাৰ আনন্দত
অস্থিৰ হ'ল মোৰ সংগ্ৰামী সত্তা
জ্বলি থকা জুইকুৰা বুকুত সাবটি
মই মাথোন দৌৰিলো, কেৱল দৌৰিলো···
প্ৰত্যাহ্বানৰ জয়গান গোৱাবোৰ এতিয়া
বিষধৰ সৰীসৃপ হ'ল,
ৰং সানি ভাও দিলে বাঁহীৰ সুৰত
আৰু মই,
ক্লান্তিৰ তুৱাৰ-ডলিত বহি
অস্তগামী সূৰ্য্যটোলৈ চাই আছো
নঙঠা আঁহত জুপিৰ তলত সাৰ পাব
প্ৰতীক্ষাৰ এক নতুন প্ৰভাত,
বহাগত য'ত ফুলিব পাহোৱাল আশাৰ
কপৌ এপাহ; গুজি দিম তোমাৰ খোপাত
মোৰ দেশৰ এবুকু হেঁপাহ ।

⁂

# প্ৰেম

শৰৎ চন্দ্ৰ ওজা
স্নাতক, ৩য় বাৰ্ষিক

মই তোমাৰ প্ৰেমত পৰিছো ঃ
তোমাৰ প্ৰেমত, হে মহাপৃথিৱী !
এই কাতৰ দিনবোৰত
খুলি দিছো হৃদয়
সোমাই আহক বুলি
একাজলী সোণোৱালী ৰ'দ, আকৌ এবাৰ
ৰ'দ জিকমিক
চোতালত বহিম তোমাৰ সতে মুখামুখিকৈ ।
কবিতাৰে স্পৰ্শ কৰিম তোমাক
শব্দৰ আলিঙ্গনত থাকিব তীখাৰ ধাৰ
ৰক্ত মাংসত তোমাৰ সুৰভি নিৰ্যাস
সেউজীয়া হৃদয়ত মই
আকৌ অনুভৱ কৰিছো
এহেজাৰ এটা সূৰ্য্যৰ উত্তাপ, তুমিতো নাজানা
তোমাৰ পৰা মই বিচাৰিছো কি
উপকূলৰ বিস্তীৰ্ণ সেউজীয়া নে পুৱাৰ কাচিয়লি ৰ'দ
মই তোমাৰ প্ৰেমৰ কবি ।
ত্ৰিশটা বসন্তই গৰকা দেহত
প্ৰাত্যহ এক মৌন বিদ্ৰোহ
হয়তো স্মৃতি হৈ যাব
এই যে লগ হোৱা, আসঙ্গ কামনা লৈ
কবিতাৰে কথাপতা
তোমাৰ প্ৰেমত বন্দী মোৰ কবি সত্তা
হে মহাপৃথিৱী মোক তোমাৰ কবি কৰা
মাথোন তোমাৰ প্ৰিয়তম কবি ···

★



# প্ৰাসঙ্গিক

খনিন্দ্ৰ কুমাৰ দাস
স্নাতক, দ্বিতীয় বাৰ্ষিক

আলিবাটত গান গোৱা মানুহজনক
গুলিয়াই মাৰিলে কোনে,
ভাগৰ নলগা ৰাতিটোৰে
চহৰৰ নামী হোটেলত
কিমান মদিৰা পিলে,
কেইটা বন্দুকৰ গুলীয়ে কোন সম্পাদকৰ মেজত
হেঙুল-হাইতাল বোলালে,
হত্যা, লুণ্ঠন, ধৰ্ষণৰ সহজলভ্য এই বাতৰিবোৰ
এতিয়া তেনেই প্ৰাসঙ্গিক ।
দৈনিক একোখন বাতৰি কাকত ছপাব পৰাকৈ
মজুত আছে সকলো খবৰ
মাজে মাজে মাথোন
সম্পাদকৰ উকা হৈ থাকে
প্ৰতিবাদৰ বাবে ।
অপ্ৰাসঙ্গিকতাৰ প্ৰলাপত
তোমাৰ বিবৰ্ণা মাতৃৰ জলাতংক ৰোগ
লুকাই পৰে তোমাৰ পঙ্গু ভাতৃৰ সংস্থাপনৰ আশা ।
লুকুৱাই পৰে, ধৰ্ষিতা ভনীজনীৰ বুকুৰ ক্ষোভ,
বিবৰ্ণা মাতৃৰ জলাতংক ৰোগ
মাথোন বাতৰিবোৰে
উকা বাতৰিবোৰে সোঁৱৰাই দিয়ে
বাৰে বাৰে তোমাৰ
অভিধানৰ সূৰ্য্যটোক দ্বীপান্তৰ কৰা
শতাব্দীৰ নিৰ্জন দ্বীপলৈ
য'ত নাই এটাও গান গোৱা চৰাই
এতিয়া এয়াই প্ৰাসঙ্গিক ।

⁂

এটা বাক্যৰ গল্প

## যুগৰ স্বাক্ষৰ

নীৰেন হাতৈ
স্নাতক, ২য় বাৰ্ষিক

কলেজলৈ বুলি ঘৰৰপৰা ওলাই আহি কিছুদূৰত ধৰ্মৰাজ গাড়ীখন বৈ থকাত একে জাপেগৈ এখন খিৰিকিৰ কাষৰ চিট এটা দখল কৰি বহি পৰিলো আৰু চাৰিওপিনে ঘূৰি চাই বেছি মানুহ নেদেখি লাহেকৈ খিৰিকিখন বন্ধ কৰি চকু দুটা মুদি কল্পনা ৰাজ্যত প্ৰৱেশ কৰিছোহে মাত্ৰ এনেতে এটা হৈ-চৈ লাগি পৰাত চকু দুটি মেলি পৰিস্থিতিৰ বুজ লববলৈ বুলি অলপ উঠি গৈ দেখো যে এজনী ছোৱালীক গাড়ীৰ যাত্ৰীসকলে আগুৰি ধৰি গালি-শপনি পাৰিছে আৰু কেইজনমানে খঙতে ছোৱালীজনীক মাৰিবলৈ উদ্যত হৈছে, এনেতে কোনোবাফালৰ পৰা অহা কথা এষাৰ মোৰ কাণৰ পৰ্দাত বাজিল "ছোৱালী হৈও পকেটমাৰ হয়নে? লগে লগে মোৰ মুখেদি ওলাই আহিল— " হে হৰি " ।

**" সাধুলোকে সজ কথা কয়, কিন্তু সজ কথা ক'লেই সাধু বুলিব নোৱাৰি । সৎলোক সাহসী হয়, কিন্তু সাহসী হ'লেই সৎ নহবও পাৰে ।"**

— কনফুচিয়াচ



## শায়েৰী

শ্ৰীখনিন্দ্ৰ দাস
স্নাতক ২য় বৰ্ষ

১। মুহব্বত ৰাদে জাতী হ্যায়
দিল জব দিল সে মিলতা
মগৰ মুস্কিলতো ৰহী হ্যায়
দিল বড়ী মুস্কিল সে মিলতা ।

★ প্ৰেমৰ আনন্দ তেতিয়া
যেতিয়া হৃদয় মিলি যায়
দুটি হৃদয়ৰ মিলন পিছে
কমেই দেখা যায় ।

২। এক উনওমা কা জৰুৰং হ্যায়
কাহানীকে লীয়ে
এক সদমা কা জৰুৰং হ্যায়
জোৱানীকে লিয়ে ।

★ গল্প এটিৰ নাম দিলেহে
পূৰ্ণাঙ্গ ৰূপ লয়
প্ৰিয়াৰ পৰা আঘাত পালেহে
প্ৰেম গভীৰ হয় ।

৩। গোলাপ সে যাৰ বেহতৰ হ্যায়
জো আঁচলকো থাম লেতে হ্যায়
হসীনোসে ৰফিক আচ্ছা হ্যায়
জো জলকৰ ভী নাম লেতে হ্যায়

★ গোলাপ পাহতকৈ কাঁইটেই ভাল
সি আচল মনক ধৰি ৰাখিব পাৰে
ধুনীয়া ছোৱালীতকৈ প্ৰতিদ্বন্দী ভাল
যি জ্বলি জ্বলিও নাম স্মৰণ কৰে ।

৪। জিসপৰ হমনে ভৰোসা কিয়া
উসনে হমে ধোকা দিয়া
জিনকো হমনে অপনা সমঝা
উসনে হমে ঠুকৰা দিয়া ।

★ যাৰ ওপৰত ভৰষা ৰাখিছিলো
তেৱেঁই কৰিলে প্ৰবঞ্চনা
যাক আপোন বুলি ভাবিছিলো
তেৱেঁই দিলে যন্ত্ৰণা ।

৫। মিট গয়ে মিটনেৱালা অব
পৈগাম আয়ে তো ক্যা
দিলকী বৰবাদীকে বাদ
উনকী চালাম আয়ে তো ক্যা ।

★ হেৰুৱাব লগা জন হেৰাই গ'ল
এতিয়া মৃত্যু আহিলে কি হব,
হৃদয় ধ্বংস হৈ যোৱাৰ পিছত
আদৰণি কি কাম দিব !

৬। য়াদ এক জখম বনগই দ্ৰৰনা
ভুল জানেকো কুছ খয়াল তো থা

★ স্মৃতিয়ে গ'ল মোক কলিজাত হানি
সেয়ে পাহৰিব নোৱাৰো অতীত কাহিনী

৭। অপনী তবহিয়ো কা মুঝে কোঈ গম নহী
তুমনে কিসিকো সাথ মুহব্বৎ নিজ তো দী ।

★ মোৰ বিফলতাত মোৰ কোনো দুখ নাই
এজনকতো প্ৰেম দিলা হিয়া উদঙাই ।



# কুইজ

শ্ৰীঅনামিকা বৰ্মণ
স্নাতক ২য় বৰ্ষ

১। পৃথিৱীৰ ভিতৰত বৃহত্তম লাইব্ৰেৰী ক'ত আৰু নাম কি ?

২। ভাৰতীয় ফুটবলৰ জনক কোন ?

৩। কেতিয়া বিশ্বকাপ ফুটবল আৰম্ভ হয় আৰু কোন দলে প্ৰথম বিশ্বকাপ জয়লাভ কৰে ?

৪। কোন দেশত ৰেল লাইন নাই ?

৫। পৃথিৱীৰ দীৰ্ঘতম ৰেল লাইন কোনটো ?

৬। সৰ্ব্বপ্ৰথম ভাৰতত কামান কোনে ব্যৱহাৰ কৰিছিল ?

৭। তামৰ নোট কোনে প্ৰচলন কৰিছিল ?

৮। সাহিত্য একাডেমী পুৰস্কাৰ লাভ কৰা প্ৰথম অসমীয়া কবিতাপুথি কোনখন ?

৯। সূৰ্য্যৰ ব্যাস পৃথিৱীৰ ব্যাসতকৈ কিমান গুণ বেছি ?

১০। "জ্ঞানপীঠ" পুৰস্কাৰ লাভ কৰা প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি আৰু ইয়াৰ লেখক কোন ?

উত্তৰসমূহ—

১। মস্কোত । লেনিন লাইব্ৰেৰী ( ১১০ লাখৰো অধিক পুথি আছে ) ।

২। নগেন্দ্ৰ প্ৰসাদ সৰ্বাধিকাৰী ।

৩। ১৯৩০ চনত আৰু উৰুগুৱে ।

৪। আইচলেণ্ডত ।

৫। ৰাছিয়াত, বিজাৰপৰা ভলাডিভোষ্টকলৈ ( ৬০০০ মাইল ) ।

৬। বাবৰে ।

৭। মহম্মদ বিন টোগলকে ।

৮। যতীন্দ্ৰ নাথ দুৱৰাৰ "বনফুল" ।

৯। ১১০০ গুণ ।

১০। "মৃত্যুঞ্জয়" আৰু ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ।

**

## মহৎলোকৰ বাণী

★ "মই এনে ঈশ্বৰক বিশ্বাস নকৰোঁ যিয়ে পৰলোকত বিমল আনন্দ দিব পাৰিব আৰু ইহজগতত যিয়ে এমুঠি ভাত এডুখৰি ৰুটি দিব নোৱাৰে।"

—স্বামী বিবেকানন্দ

★ "তোমালোকে ইজনে সিজনক ভাল পোৱা যেনেদৰে মই তোমালোকক ভাল পাওঁ।"

—বাইবেল

★ "প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা স্থায়ী।"

—ৰবীন্দ্ৰ নাথ ঠাকুৰ

★ "কলমেৰে লিখা অসত্যক কেতিয়াও তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহ'লে যিমানেই পলম কৰিব, সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব।"

—লুচুন

★ "যাৰ দেশ জাতি, ঘৰ, মাটি-ভেটি সি যদি নাজাগে চেতনা লই;
এই দাবানল নুমাবলৈ, দেশও জ্বলিব, জাতিও জ্বলিব,
ময়ো জ্বলি যাম ভস্ম হই।"

—অম্বিকাগিৰি ৰায়চৌধুৰী

★ "মনৰ প্ৰশান্ত অৱস্থাত সুঁৱৰিব পৰা আবেগ অনুৰাগেই কবিতা।"

—ৱাউচ্ৱাৰ্থ



## মহৎলোকৰ বাণী

★ "আনে কি কৰিছে ভবাতকৈ নিজে কি কৰিছা সেইটো ভবাহে বেছি দৰকাৰ।"

—স্বামী বিবেকানন্দ

★ "কৰ্ম্মই হৈছে আটাইতকৈ মহৎ। আৰামৰ জীৱন মানুহৰ কিয় দেৱতাৰো প্ৰিয় নহয়।"

—কাৰ্লাইন

★ "শিশুৰ মুখৰ আধাফুটা মাতেই পৃথিৱীৰ আটাইতকৈ মহত্তম সঙ্গীত।"

—ভিক্টৰ হুগো

★ "যিজনৰ নিজৰ ওপৰতে বিশ্বাস নাই, তেওঁ কোনো কামতে সফল হ'ব নোৱাৰে।"

—নেপোলিয়ন

★ "শিক্ষক এডাল মমবাতিৰ সমান যি নিজে গলি আনক পোহৰ দিয়ে।"

—সুভাষ চন্দ্ৰ বসু

★ "নজনাতো সিমান লাজৰ কথা নহয়, শিকিবলৈ ইচ্ছা নকৰাটো যিমান।"

—বেঞ্জামিন ফ্ৰেঙ্কলিন

★ "নিজে কথাকৈ থাকিলে একো শিকিব নোৱাৰি। আনৰ কথা যথেষ্ট পৰিমাণে শুনা উচিত।"

—কটন

## Good Massage

★ "A thing of beauty is a joy for ever."

—Keats

★ "No life, without wife and No knowledge, without College."

–R. N. Tagore

★ "Power come from sincere service."

– Mahatma Gandhi

★ "Fools ruch is where angels born to tread."

—Pope

★ "Other men live to eat, while I eat to live."

—Socrates

★ "Pain is the out come of sin."

– Buddha

★ "Tomorrow let us do or die."

– Campbell

★ "Light is the symbol of truth."

—J. R. Rowell



Suren Das College Journal

FIFTH ISSUE

1992-93, 1993-94

# ENGLISH SECTION

Magazine-in-Charge :
Lopa Deka Baruah

Editor :
Palakh kumar Deka
Khanindra Das

## Contents


| | | | |
|---|---|---|---|
| O | Economic Development and Redistributive Justice —the Poverty in India | Arati Deka | 1 |
| O | Important Agencies of Brahminical System of Education in Medieval Assam | Binapani Talukdar | 6 |
| O | Postmortem of lively Past History Communalism : Historian | Nityananda Kalita | 9 |
| O | Vivekananda being Remembered | Dayananda Pathak | 15 |
| O | AIDS : A Menace to the Youths | A. A. Hussain | 19 |


# Economic Development and Redistributive Justice —the Poverty in India


Ms. Arati Deka
Lect. in Economics


Development is not a very old concept. Formerly poor countries were known as backward countries. In sixties these were known as developing countries. The term developing countries signify that though still underdeveloped, the process to devolopment has been initiated in these countries. Thus we have developing countrics and developed countries. But both developed and underdeveloped are developing, therefore, the most recent word is used as less developed countries ( LDC ) or third world countries to signify the underdeveloped countries.

For a LDC to develop, two things must happen. One, its output should grow over a long period. Two, its economic structure should change to acquire the characteristics of developed countries, such as distribution of national income among the segments of people, occupational distribution of population, contribution of different sectors to national income. Some countries, like China, Egypt is economically developed, but these countries have politically devolution of power, people is not free, man cannot exercise his liberty. Therefore, a question arise like for

whom development is necessary. Directly, it is necessary for man. Therefore, development has multi dimensional concept, like social dimensional, political dimensional and economic dimensional.

INDICATORS OF DEVELOPMENT

National Income and Per-capita Income :- There are two sets of income figures that are used to represent development. One relates to increase in total real national income of a country. Second index of the development is a rise in the real percapita income over a long period of time.

But per-capita income and national income cannot be an ideal index of development. Because, One, the national income indicator makes no distinction between unproductive and dysfunction growth and productive and socially useful growth. Two the expectation in the fifties were that the growth in national income after initially favouring the upper classes would trickle downwards and benefit the poorer sections. But such expectations were not fulfilled in most of the developing countries. Therefore, per-capita income and national income cannot be an ideal index of development.

Physical Quality of Life Index :-- Among the non-income indices of development, one criterion emphasises the physical quality of life that results from a criterion use of national income, rather than the quality of national income. This is known as physical quality of life index (PQLI) This index incorporates three components namely life expectancy, infant mortality and literacy. A higher index shows that people have beneifited in terms of the three components that is, the life expectancy has gone up, infant mortality reduced and literacy expanded. Such as improvement can take place even with no or little rise in national income.

Human Development Index :-- Another and the most recent index of development is the human development index ( HDI ). HDI is the composite of three components, namely per-capita income, educational attainment and life expectancy. The HDI ranks countries in relation to each other.




DESIRABLE AND UNDESIRABLE INEQUALITIES :— While inequalities need to be reduced, it should be noted that all inequalities should not be reduced or eliminated. In fact, some are desirable. In our economy, where private ownership of resources predominates, the personal incomes for some are constituted of property income besides labour income. This may be justified. But from the welfare angle, it is not justified. Moreover, inequalities associated with unequal asset-distribution need be done away substantially, if not completely. For development to proceed it is necessary to encourage certain types of skills and discourage others which are no longer needed. Inequalities also promote savings, because people with higher incomes have higher propensity to save.

If, however, undesirable inequalities prevail, then these give rise to many evil consequences. In a poor country, like India, large many people with little or almost nil incomes at the bottom are unable to meet their bare needs for sheer physical experience. This tells heavily on their health and efficiency and therefore on production. This situation is definitely beyond the limits of desirability, in fact it is very undesirable. Hence these inequalities need to be reduced substantially.

INDEX OF INEQUALITY :— Distribution of wealth and income of a community may be best analysed under two different types of theories- theory of personal distribution and the theory of functional ditribution. Personal distribution relates to the division of income between individuals. Functional distribution implies that every factors of production gets a share in the total income produced according to the functions or services performed according to the contribution made to the production process. The owner of land gets land rent, the owner of labour services gets wages and so on. Functional distribution of income therefore leads to personal inequality of incomes.

Economic inequality may be measured by Lorenge Curve and Gini co-efficient,




LORENGE CURVE

Lorenge Curve :— In the diagram if $X_1$% of people enjoy $Y_1$% of income the amount of inequality is $Y_0$—$Y_1$. Therefore, shaded area is the measurement of inequality of income.

Gini co-efficient :— Gini co-efficient is calculated from Lorenge Curve. The Gini co-efficient is the shaded area of the Lorenge Curve divided by the total area. If Gini co-efficient value is between, ·40, and ·50, then the inequality is moderate. If the value of co-efficient is less than ·40, then it is lower inequality and when it is more than ·40, then it is higher inequality.

POVERTY AND GROWTH :— There are two way relationship between poverty and growth. If the poverty is more, then the rate of growth of the economy is less and when the rate of growth of the economy is higher, then the poverty is less.



The composition of the poor comprises of landless labours, marginal farmers, temporary tanents, share croppers etc in the rural areas. In the urban areas, coolies, small vendors, petty shopkeepers, small artisans etc. who belong to the category of the poor. But the urban poverty is only an overflow of rural poverty. Moreover, we can classify poorer section like schedule caste, schedule tribe, agricultural labourers and women. Among the all categaries agricultural labour is more poor.

The principal causes of poverty are (a) low asset base (b) inequality of opportunity (c) less productive technique (d) existence of unemployment and under employment (e) low rate of growth of the economy (f) lack of development of an employment-oriented industrial pattern.

ANTI POVERTY PROGRAMME IN INDIA :- According to Kuznets, there are five measures to remove poverty, inequality and to get income mobility These are (a) information (b) institutional credit facilities (c) transport and communication (d) training and education (e) machinery for administaring the economic facilities.

Bulk of the poor reside in rural areas. It was, therfore, desirable that specific programme be launced to alleviate rural poverty.

There are four strategies of poverty tackling in our country, namely (a) growth (b) redistribution (c) offering public needs (d) direct target programme.

During the Fourth Plan, a number of agenies were created to reduce rural poverty. These programmes included, Employment Gurantee Scheme, Food for Work Programme, Small Farmers Development Agency, Marginal Farmers and Agricultural Labourers Programme, Drought Prone Area Programme, Desert Development Programme, Command Area Devlopment Progamme etc. The Sixth Plan proposed that such multiplicity of programmes for the rural poor operated through a multiplicity of agencies should be ended and replaced by one single integrated programme operative throughout the country. This programme has been named as the Integrated Rural Development Programme. Besides this, the Food For Work Programme was reviewed in 1980-81 and it was decided to restructure the programme as National Rural Employment Programme and it merged with the Jawahar Rojgar Yojna in 1989-90.

# Important Agencies of Brahminical System of Education in Medieval Assam

Dr. Binapani Talukdar
Lecturer in Education

Since ancient times teaching was imparted orally in the Gurug-riha hermitages and forests rather than in towns. However schools and universities grew with the passage of time and these along with monas teries became the agencies of education. The most prevalent agency of formal education was the Sanskrit Tola. Of course, the temples and places of discussion near sites of sacr-ificial ceremonies, clubs etc. also served the purpose of agencies of informal education. In these places the wondering scholars and the local pandits used to give discourses on various subjects and in fact there is evidence of existence of schools as early as the 5th century B. C.

In India the spread of Buddhism paved the way for the growth of elementary schools, but in Assam we have no such evidence of schools in the ancient period. The epigraphs and literature supply us with exis-tence of Gurugrihas, Sanskrit Tolas and village schools which were created and patronised by kings for maintenance of the Brahmins. The diffusion of learning in ancient Assam took place mainly due to royal patronage of the men of literature and Brahminical culture, and those who were endowed with the Agra-haras maintained village schools and they were keen in discharging



their sixfold duties, one of which was teaching.

In the medieval Assam the tolas continued to play vital role in diffusion of learning as the principal agency of education. The tolas are natural out-come of Gurukul asrama since education of the disciples was the main objective. These were in reality residential schools and it was originally meant for education of the Brahmin boys the medium of instruction was Sanskrit and the subjects taught were Dharma Sastra, a system of philosophy and studies connected with priestly functions. Generally speaking, pupils with a thirst for acquisition of knowledge joined the tolas. Of course, there were teachers who averted pupils. As such, there was no dearth of pupils. The atmosphere of the tolas was characterised by serenity and solemnity, and in this calm and holy temple of live atmosphere. The Gurus gave lessons to the disciples who were to uphold the purity of religion to the future generation and carry forward the great classical tradition to the coming generation.

Like modern schools there was no fixed time-table in the tolas. The disciples studied different subjects. However the curriculum consisted of grammar and stories of Sanskrit text, and other common subjects, like arithmetic and geography were entirely omitted. But the fact rema-ins that the standard of education was very high. As H. K. Barpujari, in a paper " A short History of Higher Education in Assam " has pointed out that Sanskrit was the vehicle of thought and expre-ssons and lessons were imparted in various branches of learning, such as, grammar, astronomy, law, poetry, philosophy ( Vedanta, Sankhya and Veda etc. )

By the sixteenth century the tolas began to grow up in such places as Bardowa, Banduka, Shri Hati, Vyasakuchi, Hajo, Ratnapura etc.

And because of this spread of education in Sanskrit the doors of classical education were generally opened to non-Brahmins. Of course, even before that the non Brahmins

were also admitted to the tolas. Sankardeva was educated at a tola. Maintained by the Brahmin Guru Mahendra Kandali, and this bears ample testimony to the fact that the doors of the tolas in medieval Assam were not closed to non-Brahmins.

The next important agency of the Brahminical system of education was the medieval temples, where the people used to come together in large numbers during festivals and religious ceremonies. The priests and religious leaders used to explain the principles and Philosophy of Hinduism on special occasions. Moreover, the recitation of the Ramayana, the Mahabharata and the Puranas and their expositions were frequently held for the pleasure of the devotees. The festival took various forms such as music, dancing recitation, play and pantomine, the temples thus played a significant role in popular education.

## REFERENCE BOOKS


1. Altekar, A. S. Education in Ancient India, 1975.
2. Bokil, V. P. R. The History of Education in India.
3. Choudhury, P. C. The Royal Patronage of Sanskrit learning in Assam incorporated in Cotton college Diamond Jubilee Celebration volume 1901-61.
4. Bengal educational proceedings 1844, 15 July, No.- 14 Robinson to Jenkins.
5 Barpujari, H. K. A Short History of Higher Education in Assam incorporated in cotton college Golden Gubilee Celebration volume 1951-52.
6. Basu, N. K. Assam in the Ahom Age, 1970.
7. Chatterji, S. K. The Place of Assam in the history and civilisation of India. G. U. 1970.




Postmortem of lively past :

# HISTORY COMMUNALISM : HISTORIAN


NITYANANDA KALITA

Lect. in History


Communalism does not manifest itself on its own. Nor does it upheld a harmful picture of a particular community. What makes it harmful is the historical writtings which are communal or beased on the idea of communalism. Our country is now, among other problems, facing the menace of communalism. It is not confined to the coctail party of big guns, in all levels of society, from common people to the big politicians, intellectuals, ever in academic level nobody can fight shy the situation. Political parties directly or indirectly use this to be instrumental in coming to the power of course, we must not think that this was the invention of the political parties nor God sent it to this World. In a country like India. Where vast majority of the people are politically unconcious, remain uncritical to this phenomena and may be twisted to suit the interest of the politicians. Historians may play a pivotal role in bringing the truth to the people, which is the persuit of a historian. But it was started with the writting of history of India. Here we would like to throw some light on this fact that the modern

historians of ancient India were not completly free from communal bias.

It is generally believed that the historians are impartial to a great deal while writting history, historians have nothing to do with communalism. Of course, from standpoint of a modern and mediaval age one may, misinterpret the criticism and analysis of Ancient Indian history. But usually from the modern outlook of history communalism claims its intellectual justification in Ancient Indian history.

Contemporeinity of history shouldnot be forgotten. It reflects the thought of historians. Historians may magnify the facts. They interpret it. But to our nearest past history was the discription of mere chrocricles. We cannot say that it is not now. so it is very important to analyses the opinions of those historians. We are to see to what extent they made it their own and how much they are became critical and analytical.

Ancient Indian history is also to be studied on the basis of the contemporeinity of those historians. Who were those historians ? How much were they influenced by the ideals of their particular time.

Modern writting of Ancient Indian history and study of Ancient Indian culture starts in eighteenth century. This was the time of Orientalist, Utilitarian and nationalist historian.

Right from the fifteenth century Asian culture attracts the attention of European scholars. Their interest grew with the increase of commercial interest. In this field, Royal Asiatic society took keen interest . They studied Ancient Indian cultural heritage. All these tiresome effort was undertaken by a group of people whom we may call orientalist or to be more particular Indologist with the study of Sanskrit Aryan culture was held in high esteem . It became a favourite pastime of there scholars to look for a common source of Aryan and Greek culture. So on the same way they theorised. They found th dynamism of Indian Aryan culture in the same line with the dynamism



of greek culture. Vedic age was held high esteem. Ancient India peoples were looked through the microscope of an ideal society. Their drawbacks were overlooked. Importance was given in glorification. So, their opinion suited to the orthodox section of Hindus who wants to put emphasis on the greatness of each and every facts related with Veda and other literature.

Now, come the turn of the Indian historians . Those who followed their predecersors, made no attempt to question the very reason of the glorification of Ancient Indian culture by the European scholars. Interestingly, most of these scholars were basically detached from their own society. In Europe, they expressed their skepticism to the change particularly the change that was due to industriali sation. So, they found their expected imaginary ideal state in India . For instanee, MaxMuller went to such extent that he sanskritised his name to assmilate himself to the ideal Indian culture .

In India, reformation movement was influenced by these orientalist. The reformist of 19th century particular emphasis on Vedic culture as the root of Indian heritage. And even in Europe, Gobineau put forwarded his own theory on the basis of caste system and Aryan race. No doubt, he was influeneed by the orientalist.

Another reason for which the orientalist supported Ancient Indian culture was that they were in stiff competition with the utilitarian and they were foreshadowed by posibility of defeat. To the utilitarian British rule was boon to the Indians. They advocated that the British rule would replace the autocratic rule and would creat a sense of political awareners among the Indian. James Mill was the chief exponent of this view. Interestingly it was he who sowed the seed of communalism for the first time in writtings of Indian history. He was the first to make division of Indian history to Hindu civilization. Musalman civilization and British age, to repeat

it British age not Christian age. It supplied the ideas to the bi-national theory. An analysis to the intellectuals and political back ground of utilitarian theory also amplify Mill's interest in this division as an advocate of utilitarian. Most unfortunate thing is that there was not much effort to make inquiry into the genunity of Mill's explanation. His book was accepted overlwhelmingly, and so his ideas mighty British-Indian administrator's. Took Mill's book in this hand for efficient administration of India. Mill criticised Hindu culture, called it backward, enemy of progress and opposed to rationalism, on the otherhand he was sympathetic to Muslim culture, though he was not without pointing his sword against it. For this reason, orientalist and latter Indian historians through their praise supported the theory of Hindu civilization.

Indian national movement influnced the writtings of the historians at the beginning of twenteenth century. But the outlook of the historians during this period were always nationalistic. They had a vision of new India, and tried to dig out the past of India newly. This was the attitude of time and this national attitude was the basis of the writtings of these historians. All the way, they were supported by the people who were non critical towards Ancient Indian culture.

A rational glorification of the past may help in any national movement. When one tries to elavate the national culture historiociety to the culture gets accepted and creats an atmosphere of uniformity aganist colonialism and imperialism. It was the need of time. So, nobody could fight shy the situation. Study of Sanskrit was there, and particularly historians from Brahmana and Kayastha caste did not take an inquisitive attitude towards the document.

Nationalist historians did not question on the division of age. Partial reason for it was that the study of continuous dynastic and political history was emphasised not upon social and economic history. It created a sense that to praise something in mediaval is to praise the Muslim and before that is of Hindus. This difference between the two age was creased course in of time.

With the increasing momentum to the national movement the Muslim cessationist appeared on the political scene and made this division more deeper. The very idea that the on coming of the Muslim was the cause of destruction of Hindu power was very conveniently put forwarded. Not much mental preparation needed for this. The Turks established their domain very early. But the reason for which they could to this was not much analysed. With the appearance of the British the Mussalman age was described as 'declining age.' So, it was taken for granted that it was only due to the weaknesses of the Muslim the British came to the power. Much stress was given upon the point that through the evolution at the time of Muslim age. Hindu and Muslim two raee was created. Usual consequence of this argument was that a modern nation was devided into two state- "Hindu dominated" and "Muslim dominated" state. Creation of a Pakistan did not solve problems of the communal historians and cessationist. Hindu communalism also had to satisfy with the reality of Muslim communalism and put much emphasis upon its character for their won existence.

Thus, we see the root of communalism in the writting of history. It is an unavoidable responsibility of historians and teachers of history to have a proper treatment of the data and concept. Then only society may be benefited. But due to lack of critical outlook, not a question is raised nor challanged against the accepted history. Many of those who are in close contact with the teaching of history, generally accepts everything written before as true remaining a loot to have an analy is on the genuinity of these facts. They abstain from employing the standard of analysis needed for it partially. it is because in almost of Universities of India much stress is laid on the sequence of history.

As a result history has become the description of already described facts A clear analysis of these facts, or the basis of these writting are not minutely observed. So, the students of history is generally fed with data. History becomes more clamouring and parrot learning. In the course of time, these students becomes teachers of history. When they try to write history nothing comes but repeatation of same facts. Another reason for such unsatisfactory situation is that tne textbook or the standardbook available for the students. These books hardly includes the result of the lattest research. Thus, most of the schools, colleges or Uuiversities imparting the some subjectmatter or method from generation to generation which were imparted before.

This discussion is not all about history and communalism. But this may help in thinking or analysing the phenomena in a new way. With this positive attitude.

REFFERENCE – Articles of Romilla Thaper, Bipan chandra, and Harbuns Mukria broadcast by all India Radio in 1967, and published by Indian council for Historical Research.



# Vivekananda being Remembered

DAYANANDA PATHAK

The Government of India has declared 12 th of January, the birthday of Swami Vivekananda, as the national youth day. But the importance and relevance of the day is very little felt in the country, except, of course, in some select circles. In the north eastern part of the country the message of Vivekananda is yet to percolate down to the common man. Government effort, however vigorous it is, will cut very little ice of this isolation. Every social, cultural and academic organisation should realise the importance of this day since the day is associated with the youths of the country. Awareness of Swamiji's teachings and messages, irrespective of our religious affiliations and beliefs, will help regenerate the moribund spirit of our time-torn youth force. This will generate a national commitment and refurbish our attitude to life and existence.

Vivekananda was an apostle of regeneration of our cultural heritage. Indian culture is like a banyan tree- the more it goes up the deeper it moves down the earth. Indian culture, to be relevant and effective, ought to be rooted to its soil, having its tops and branches stretching their tentacles in every direction. A culture or civilization derooted from its soil will have the fate of a log

of dead wood to be used by the people the way they like. A nation, to be proud and effective, must realise its own identity, its cultural moorings, its past, present and future. Swamiji wanted our youths to know themselves, their heritage with a clear cut idea of what they want to be and how they want to shape up their future course of action in relation to hi-tech civilization under western impact.

FAITH IN SELF— A nation without Faith in its own strength and worth will collapse like a house of card. The concept of an wellorganised nationhood would be an absurd proposition unless and until people are aware of their role as an ideal citizen. Since today's youths are tomorrow's adults they ought to realise this truth. Our education system, our political culture and social behaviour should create and atmosphere for the youths, encouraging them to develop a positive attitude towards life. In our country our youths are frustrated lots. They lack direction. Their youthful energies are dissipated and are aimed at selfdestruction. Even the guardians of the family and the society miserably fail to generate a positive faith in the minds of the youths. They are not to be blamed for all their failings. They are not to be castigated for falling short of what we want them to be like. The elders will have to share some of their failings. Today, our elderly people seem to display little concern for the youths. The elders are knee-deep in their pursuits for physical and material pleasures without caring for anything beyond that. Even their national commitment is either nil or conditional. They tend to display their love for the nation as long as they are in a covetous public position enjoying power and profit. What is simply amazing, they are not ready to sacrifice anything, even an iota of their material pleasure, for the general well being of the masses. Our youths grow up under such an atmosphere all around them. Sincere love for the country is never generated in them. Like their parents and elders they seem



to fall in love with the idea of material happiness alone. What is worse, to fulfil their material desires they are prepared to taste the forbidden fruit and thereby invite the wrath of all concerned. Our youths ahave displayed a tendency to go for easy money, hateful of any physical labour or mental exercise. This no-work culture has virtually eaten up the vitals of our youth force.

Such an atmosphere does not create a positive faith and attitude in the hearts of the young people. Vivekananda believed in the omnipotence of human mind. Man can do and undo anything. But our youths, unlike their elders, ought to realize the power that is latent in him. If that power is somehow released he will possess the power of the divine. Those who think themselves to be weak and imbecile are the real sinners. To quote Vivekananda– "Never think there is anything impossible for the soul. It is the greatest heresy to think so. If there is sin, this is the only sin– to say that you are weak, or others are weak."

The germ of greatness is latent in every self. Fruition of such greatness presupposes proper nurturing and grooming. One may commit mistake en route perfection. Such unavoidable mistakes should not deter anyone struggling for perfection.

EDUCATION

Education is stated to be the manifestation of perfection already in man. This adage strikes the keynote of Swami Vivekananda's views on education. Perfection or fulfilment of a nobler promise, he believes, is latent in man. Grooming and carring help express that perfection in the desired manner. Society, he believes, should give special stress on man-making education. Mere accumulation of facts and figures, information and data is not what education should aim at. Man must grow from within. Education must make one feel that inward expansion both in the realm of head heart. It will teach people to realize their worth and potentiality along with the technique to develop the same. It must

make them feel independent and self -reliant. An educated man must feel for the poor and the downtrodden, oppressed and the repressed.

Respect for the elderly has already become an outdated virtue. While many of our time -honoured values have vanished from our familial and social culture. Instead we have developed a culture that is cynical and negative. This tendency is sure to damage the music of human relationship. Taking the cue from what is seen or done in the west will not serve our cause, nor will it fulfil our national purpose. Vivekananda advises our youths to develop the best of both the worlds -eastern and western. Swamiji was not allergic to scientific advancement. Rather he was desperately after mordern science and technology. But what he wanted is the creative fusion of practical vedanta with modern science. With the rapid pace of globalisation no community, race or nation can afford to remain isolated from the main currents of modern civilization. Our youths must develop a scientific mind without being lifted off from their cultural background. If this fusion is affected India with its enormous youth force will certainly occupy the highest position in the comity of nations.

SERVICE TO MAN—Vivekananda's stress on service to man rather than on the worship to God is the quintessence of his philosophy. God, he believes, lives in the heart of man. If man is served, if his sorrows are looked into, God is being served. Thus Swamiji instals man in the altar meant for God. Our youths, unlike most of their parents and elders, should develop a sense of sacrifice and a predilection for service to man. Man is the centre of the Universe since God for whatever or whoever he is revelas its divine glory through man. In this regard, Swamiji is inspired by the examples of Buddha who stressed the doctrine of doing good and being good.

Today for our own survival and resurgence we will have to revalue our old values and practices in the light of what Swamiji said or did himself both for the amelioration of the self and the nation. It is time for us to act and to shape up our destiny. Let us think before it is too late.



# AIDS : A Menace to the youths

A. A. HUSSAIN
Dept. of English

The emergence of AIDS today has posed a great challenge to the modern science. Medicine as well as to the society AIDS means Acquired Immuno Deficiency Syndrome. It is a serious disorder of Immuno Suppression in which normal defence mechanism of the body against infection breaks down the epidemic of AIDS swe ping the world cuts across the conventional boundaries of nationali y sea and age. HIV ( Humane Immuno Deficiency Virus ) which couses AIDS has infected millions of women, men and children in developed as developing countries. It has truely become global in scope, sparing none of the continents.

In India 1st phase of established HIV was detected in commercial sex workers and in professional blood donors between 1986-89. The second phase was established amongst the clients of commercial sex workers and recipients of blood transfusion during 1990-92. The present 3rd phase has been detected amongst house-wives and children recently. Indian health organisation estimated,1,60,000 AIDS cases and 3-2 million HIV patients in October '94 carrier of HIV remains symptom-free but is capable of infecting others. HIV was identified as the causative agent

of AIDS in 1983, Currents WHO estimates several 13 million adults infected worldwide of whom 2·5 million have died. By Year 2000 AD WHO estimates that there will be approximately 80 million infections worldwide. In U.K. women currently account for 15% of known HIV infections and 6% of AIDS cases reported. In U.S.A. it was identified in 1981 in Los Angles by the centre for disease control.

Despite the fact that HIV can be isolated from a wide range of body fluid and tissues, majority of infections are transmitted through Semen, cervical Secretions blood transfusion via the following routes !

Mode of transmission:—

1. Sexual intercourse
2. Contaminated blood, blood donations and orgar donations.
3. Conteminated needles
4. Mother to child.


There is no evidence that HIV is spread by social or household contact, nor by blood sucking insects, such as mosquitoes and bed bugs.

By considering the impending danger of the fatal disease, we should take some preventive measures for the safety of humanity, specially the youths who are supposed to be the cream of our society. The preventives measures are : Education, councelling, behaviour modification ( change of life style ) etc. counselling of an infected individual, reassurance to the family member to maintain secrecy of the diseased person, use of condomes, screening will eliminate the possibility of infection. Education about the modes of transmission and how to avoid infecting others and how to protect themselves is considered the single most important element of controlling the disease. The risk factors through sexual transmission may be decreased by use of barriers like condom but there is no guarantee to full protection. Women who are at high risk of infection should avoid pregnancy since infection can be transmitted to the unfortunate unborn and the newly born baby.


To sum up we should try our best to get rid of the fear psychosis, anxiety of an AIDS patient. For saving the youths from this dreadful menace, we must take some bold step to control all STDS and others factors causing AIDS.




## PHOTO FEATURE




Dr. Binapani Talukder
M.A. Ph.D.




Mr. Mukul Medhi
(Gymnasium Sec.)
1992-93




Sri Atul Ch. Das
(General Sec)
1992-93




Sri Tankeswar Das
(Vice. President)
1992-93



Sri Karim Das
(Sec. Social Service)
1992-93




Md. Jamsad Ahmed
(Boys Com. Room Sec.)
1992-93



Sri Manab Malakar
(Boys Com. Room Sec.)
1993-94





Sri Dhiraj Malakar
(Sec. Social Service)
1993-94




Sri Dipak Kr. Das
(Cultural Sec.)
1993-94


## PHOTO FEATURE


Md. Amanur Rahman
(General Sec.)
1993-94



Wahidur Rahman
(Best Singer 93-94)


Md. Jahirul Haqe
(Gymnasium Sec.)
1993-94


Miss Rubia Ahmeda
(Girl's Com. Room Sec.)
1993-94


Md. Nasiruddin Ahmed
(Games Sec.)
1993-94


Sri Bhabananda Athparia
(Asstt. General Sec.)
1993-94


Sri Khanindra Das
(Magazine Editor)
1993-94

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

### ইং ১৯৯২-৯৩

প্ৰতিবেদনৰ আৰম্ভণিতে মই অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত অমৰ বীৰ শ্বহীদ সকলৰ প্ৰতি লগতে নিৰ্য্যাতিত আৰু পঙ্গু ব্যক্তি সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। জয় জয়তে উল্লেখনীয় যে মই সমূহ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ কাৰণ তেখেত সকলে মোক ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব পূৰ্ণ পদবীত ইং ১৯৯২-৯৩ বৰ্ষৰ বাবে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত কৰে। মই ইং ১৮/২/৯২ তাৰিখে দায়িত্ব ভাৰ গ্ৰহণ কৰো। তাৰ পিছৰ পৰাই পৰম্পৰাগত ভাৱে মোৰ সেৱা আৰম্ভ হয়।

**মহাবিদ্যালয়ৰ উৎসৱ—** ছাত্ৰ একতা সভাৰ দায়িত্বত থকা কালছোৱাত মহাবিদ্যালয়ত সৰস্বতী পূজা আৰু মহৰম উলহ-মালহৰে পালন কৰা হয়।

**মহাবিদ্যালয়ৰ সমস্যা—** ১। আমাৰ মহাবিদ্যালয়খন হাজোৰ মাজ-মজিয়াত হোৱা কাৰণে বিভিন্ন সমস্যাৰে ভৰপুৰ, যেনে— আমাৰ মহাবিদ্যালয়খনত দূৰ-দূৰণিৰ পৰা অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰী সকলে নানা অসুবিধাৰ সন্মুখীন হৈ আছে। ( মহাবিদ্যালয়ৰ অধ্যক্ষৰ কৰিবলগীয়া একো নাই নে ? )

২। আমাৰ মহাবিদ্যালয়ৰ আনটো সমস্যা হ'ল ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ অভাৱ যাৰ ফলত ছাত্ৰ-ছাত্ৰী য'তে-ত'তে থিয় হৈ, বহি সময় কটাই তাৰ ফলত শৈক্ষিক পৰিবেশ নষ্ট হয়।

৩। মহাবিদ্যালয়ত অধ্যক্ষ প্ৰায় অনুপস্থিত থাকে তাৰ ফলত ক্লাচ অনিয়মিত হয় তাৰোপৰি মহাবিদ্যালয়ৰ কাম কাজবোৰ পিছুৱাই যায়।

**নবাগত আদৰণি সভা—** অইন বছৰৰ দৰে এই বেলিও ১৯৯২-৯৩ বছৰটোত নানা ৰং-ধেমালিৰ মাজেৰে সুৰেন দাস মহাবিদ্যালয়ৰ নকৈ নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰী, ভাই-ভনী সকলক আনুষ্ঠানিক ভাৱে আদৰণি জনাই আমাৰ মাজলৈ অনাৰ উদ্দেশ্যে অতি উলহ-মালহৰে ২৮/৯/৯৩ তাৰিখে বিভিন্ন ধৰণৰ কাৰ্যাসূচীৰে নবাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ—** প্ৰতিবেদনৰ মোখনি মৰাৰ আগমূহুৰ্ত্তত যি সকল শিক্ষা গুৰুৰ উপদেশ আৰু মৰম ভৰা সহাঁৰিয়ে মোৰ কাৰ্য্যবাহী জীৱনৰ বাট মুকলি কৰি দিছিল সেই পৰম পূজনীয় ব্যক্তি অধ্যক্ষ ড° দয়ানন্দ পাঠক, শ্ৰীসুবোধ চন্দ্ৰ চৌধুৰী, শ্ৰীধ্ৰুৱ বৈশ্য, শ্ৰীপ্ৰসন্ন কুমাৰ চহৰীয়া,

শ্রীজ্যোতিষ চন্দ্ৰ বৰ্মন, মঃ আলী আকবৰ হুচেইন, শ্ৰীমতী মিজো প্ৰভা বৰা, শ্ৰীমতী লোপা ডেকা বৰুৱা শ্ৰীমতী নন্দিতা চলিহা, শ্ৰীযুত বিষ্ণু কান্ত শৰ্মা দেৱৰ ওচৰত মই চিৰ-কৃতজ্ঞ। মোক সাধাৰণ সম্পাদকৰ দায়িত্ব লবলৈ দি প্ৰতি পদে পদে সহায় সহযোগিতা তথা বিভিন্ন ক্ষেত্ৰত হিতোপদেশ দি মোৰ কাৰ্য্যকাল চলাই নিয়াত যি কণ সুবিধা দিলে তাৰবাবে প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীগৌতম শইকীয়াৰ ওচৰত মই চিৰ-কৃতজ্ঞ।

সম্পূৰ্ণ সহাঁৰিৰে মোৰ কাৰ্য্যকালৰ প্ৰতি মূহুৰ্ত্ততে আগবাঢ়ি অহা সহকৰ্মী বন্ধু-বান্ধৱী শ্ৰীটংকেশ্বৰ দাস, মনোজ মেধি, উৎপল মালাকৰ, ভবেশ মালাকৰ, মাধৱ দাস, মাজনী দাস, দিপালী দাস, জুনু দাস, সনাতন দাস, বিনোদ দাসৰ ওচৰত চিৰ-কৃতজ্ঞ।

**ভুল স্বীকাৰ—** মানুহ মাত্ৰে ভুল হয়। সেয়েহে যদি কাৰোবাৰ ওচৰত জানি হওঁক বা নাজানি হওঁক ভুল কৰিছো তাৰবাবে ক্ষমা বিছাৰিছোঁ। কাৰোবাক হয়তো কোনো মূহুৰ্ত্তত বেয়াকৈ বা খংকৈ কিবা কোৱা যাব পাৰে তাৰবাবে যেন তেখেত সকলে মোক তেখেত সকলৰ মহাবিদ্যালয়ৰ এজন ছাত্ৰ, বন্ধু হিচাপে ক্ষমা কৰে। তাকে আশা কৰি মই মোৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু সুৰেন দাস মহাবিদ্যালয়"

জয় আই অসম

ধন্যবাদেৰে—

**শ্ৰীঅতুল চন্দ্ৰ দাস**

সাধাৰণ সম্পাদক,

সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

## ইং ১৯৯৩-৯৪

প্ৰতিবেদনৰ আৰম্ভণিতে অসমীয়া জাতি, সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ হকে বুকুৰ তেজ ঢালি, "আমাৰ কালিটোৰ বাবে তেওঁলোকৰ আজিটো বলিদান দিয়া" জ্ঞাত-অজ্ঞাত বীৰ সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো আৰু যি সকল বীৰ পুৰুষ পঙ্গু নিৰ্য্যাতিত হ'ল তেখেত সকলৰ আশু-আৰোগ্য কামনা কৰিছোঁ।

সুৰেন দাস মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু কৰ্মী বৃন্দলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মোৰ কাৰ্য্যকালৰ চমু প্ৰতিবেদন দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ। ১৯৯৩-৯৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত জয়ী হোৱাৰ পিছত ৩০/১২/৯৩ তাৰিখে নতুন ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ কৰোৱা হয়। সেইদিনাৰ পৰা আমি আমাৰ কিছু কাম কৰিবলৈ আৰম্ভ কৰিছিলো।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাম আছিল সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় "মহাবিদ্যালয় সপ্তাহ" খন অতি উলহ-মালহেৰে পতাটো। ১৯৯৪ চনৰ ৮ জানুৱাৰী তাৰিখৰ পৰা মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে "মহাবিদ্যালয় সপ্তাহ" খনি মুকলি কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা মাননীয় মঃ আচান উল্লাহ চাহেবে। শ্বহীদ তৰ্পণৰ বাবে আমি নিমন্ত্ৰণ কৰি আনিছিলো শ্বহীদ মাতৃ শ্ৰীমতী ৰাজুবালা বিশ্বাসীক। এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ খেল-ধেমালিৰ উপৰিও নৃত্য-গীত, ৰচনা, তৰ্ক, কুইজ, কবিতা আবৃতি ইত্যাদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শেষৰ দিনা এখনি সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পেলোৱা হয়। মহাবিদ্যালয় সপ্তাহখনি নিয়াৰিকৈ চলাই নিয়াত আমাক যি সকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে সহায় কৰিছিল তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহৰ পিছতে আমি সৰস্বতী পূজা পালন কৰিছিলো। ১৯৯৪ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে আন আন বছৰৰ দৰে সেই বছৰো অতি উলহ-মালহ আৰু গভীৰ শ্ৰদ্ধাৰে বাগ্‌দেৱীৰ বন্দনা কৰা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা "আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ" ঠিক সৰস্বতী পূজাৰ পিছতে আৰম্ভ হয়। এই যুৱ মহোৎসৱত আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাত আমাৰ

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক আমি যোগদান কৰাইছিলো। মহাবিদ্যালয়ত নিয়মিয়াকৈ "ফাতেহা-ই-দোৱাজ-দাহম" পৰ্ব্বতো সময়মতে পালন কৰা হয়।

১৯৯৪ চনৰ ২৫ চেপ্তেম্বৰ তাৰিখে নবাগত আদৰণি সভাখন পতা হয়। উক্ত সভাখনত নবাগত ছাত্ৰ-ছাত্ৰীসকলৰ লগত পৰিচয় হোৱাৰ উপৰিও এখনি মুকলি অনুষ্ঠান আয়োজন কৰা হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত হোৱা সকলো কাৰ্য্য-সূচীতে আমি অংশ গ্ৰহণ কৰিছিলো।

মোৰ কাৰ্য্যকালত প্ৰতিটো উপদেশেৰে উৎসাহিত কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দয়ানন্দ পাঠক দেৱলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিভিন্ন পৰামৰ্শৰে সহায় কৰা শ্ৰীসুবোধ চন্দ্ৰ চৌধুৰী, শ্ৰীজ্যোতিষ বৰ্মন, মঃ আলি আকবৰ হুছেইন, শ্ৰীনিত্যানন্দ কলিতা, শ্ৰীপ্ৰসন্ন কুমাৰ চহৰীয়া, শ্ৰীদীনেশ লহকৰ, শ্ৰীনৃপেন কুমাৰ দাস, শ্ৰীপৰমানন্দ দাস, মঃ আচান উল্লাহ, মঃ দৌলত খান আৰু মঃ চাহিদুৰ ৰহমানদেৱলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অন্যান্য ভাবে সহায় কৰা আফজল, জালাল, জিন্নত, খনীন, ভৱানন্দ, মানৱ, দিগন্ত, ৰুকিয়া, মিনুৱাৰা, শেৱালী, ববী, মুকুল, নবাব আৰু সমূহ বন্ধু-বান্ধৱীলৈ মোৰ হিয়া ভৰা মৰম নিবেদন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে কৰা ভুলৰ মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ যবনিকা পেলাইছো।

জয়তু সুৰেন দাস মহাবিদ্যালয়
জয় আই অসম

**মহঃ আমানুৰ ৰহমান**
সাধাৰণ সম্পাদক,
সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন

**ইং ১৯৯২-৯৩**

প্ৰতিবেদনৰ আৰম্ভণিতে মই সুৰেন দাস মহাবিদ্যালয়ৰ জন্মদাতা পৰম পূজনীয় ৺সুৰেন দাস দেৱক শ্ৰদ্ধাৰে সুঁৱৰিছো, লগতে যি সকলে ছয়বছৰীয়া বিদেশী বিতাৰণ আন্দোলনত দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষা আৰু মুক্তিৰ বাবে দৃঢ় সংগ্ৰাম কৰি ভাষা, সংস্কৃতিৰ পূজাৰ বেদীত আত্মাহুতি দিয়া কলিজাৰ কেঁচা তেজ ঢালি মহান ত্যাগেৰে আমাক শেষ মূহুৰ্ত্তলৈকে যুঁজি থাকিবলৈ প্ৰেৰণা যোগালে সেই সকল শ্বহীদক শ্ৰদ্ধাৰে সুঁৱৰিছো।

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯২-৯৩ চনৰ কাৰ্য্যকালৰ বাবে মোক উপ-সভাপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সেৱা কৰিব দিয়া বাবে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক কৃতজ্ঞতা জনাইছো। আমাৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ সম্পাদক সকল দুৰ্বল কাৰণে মই বহুত অসুবিধাৰ মাজেৰে কাৰ্য্যকাল চলাব লগা হৈছিল তাৰ কাৰণে আমাৰ পৰিকল্পনাবোৰ বাস্তৱত ৰূপায়ণ কৰিব নোৱাৰিলো। তথাপি ১৯৯১-৯২ চনত সাধাৰণ সম্পাদকৰ কাৰ্য্যকালত থকা কিছুমান কাম সফল কৰিবলৈ সক্ষম হৈছিলো।

**অভাৱ-অভিযোগ ঃ** ১৯৯১-৯২ চনত সুৰেন দাস মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হৈ থাকোতে মহাবিদ্যালয়ৰ উন্নতিৰ কাৰণে ৭টা অভাৱ-অভিযোগৰ কথা মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত দাবী জনাইছিলো। কিন্তু দুখৰ বিষয় তাৰে ২টা মান বাস্তৱত ৰূপ দিয়াৰ বাহিৰে আজিলৈ কোনো ধৰণৰ কাম হাতত লোৱা মোৰ দৃষ্টিগোচৰ হোৱা নাই। গতিকে অতি শীঘ্ৰে মহাবিদ্যালয় কৰ্তৃপক্ষক বাকী কেইটা অভাৱ অভিযোগ ৰূপায়ণ কৰিবলৈ অনুৰোধ জনালোঁ।

সদৌ শেষত কাৰ্য্যকালৰ ভিতৰত কিছুমান দিহা পৰামৰ্শৰে সহায় কৰা অধ্যাপক সুবোধ চৌধুৰী, দীনেশ লহকৰ, আলী আকবৰ হুচেইনৰ ওচৰত কৃতজ্ঞ হৈ থাকিম। কাৰ্য্যকালত সততে সহায় কৰি সুপৰামৰ্শৰে আগবঢ়াই নিয়া ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ লগতে মঃ আব্দুল গনি খান চৌধুৰী, প্ৰবীন মেধি, দীপক ৰাজবংশী, জুনু দাস, বপ্পু ঠাকুৰীয়া লৈ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ।

শ্ৰদ্ধাৰে---

**শ্ৰীটংকেশ্বৰ দাস**
উপ-সভাপতি, ছাত্ৰ একতা সভা
সুৰেন দাস মহাবিদ্যালয়।

# শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ইং ১৯৯২-৯৩

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ, যি সকলে মোক দ্বিতীয় বাৰৰ বাবে শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি পঠাইছিল ।

প্ৰথম বাৰৰ পূৰ্ণ অভিজ্ঞতাৰে মই দ্বিতীয় বাৰো মোৰ কাৰ্য্যকাল সুকলমে চলাই যাব পাৰিম বুলি আশা ৰাখিছিলো কিন্তু কৰ্তৃপক্ষৰ পৰা কোনো ধৰণৰ সহাৰি নোপোৱাৰ ফলত সেই আশা প্ৰায় মাৰ যোৱাৰ উপক্ৰম হৈছিল । ৯২-৯৩ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক জনৰো এই ক্ষেত্ৰত বিশেষ অৰিহণা নাই বুলি মই ভাবো । কাৰণ তেওঁৰ কাৰ্য্যকালত তেওঁ বিশেষ ধৰণৰ কোনো কাম কৰিব নোৱাৰিলে যাৰ ফলত আমি বাকিবোৰ সম্পাদকে কোনো কামতে আগবাঢ়ি যাব নোৱাৰিলোঁ । এই ক্ষেত্ৰত আমাৰ অধ্যক্ষ মহোদয়ৰ কিছু পৰিমাণে দোষ আছে । তেখেত মহাবিদ্যালয়ত প্ৰায়ে অনুপস্থিত থাকে । যাৰ ফলত মহাবিদ্যালয়ৰ কামবোৰ পিছ পৰি যায় আৰু তাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ হকে হ'ব লগা কামবোৰ পিছ পৰি যাবলৈ বাধ্য হয় । এই কেইজন লোকৰ হেমাহিৰ কাৰণেই আমি মহাবিদ্যালয়ৰ বাৰ্ষিক কলা ক্ৰীড়া মহোৎসৱখনি অনুস্থিত কৰিব নোৱাৰিলো । সেই কাৰণে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো কাৰণ তেওঁলোকে তেওঁলোকৰ পাৰদৰ্শীতা দেখুৱাব নোৱাৰিলে ।

উক্ত অসুবিধা সমূহৰ সন্মুখিন হৈও মই মোৰ কাৰ্য্যকালত হাত সাবতি বহি থকা নাছিলো দুই এখন শৰীৰ চৰ্চ্চা বিভাগৰ অন্তৰ্গত খেলৰ প্ৰতিযোগিতা অনুস্থিত কৰি শৰীৰ চৰ্চ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষণ কৰিব পাৰিছিলো । উক্ত অনুষ্ঠান সমূহত মোক বিশেষ ভাৱে সহায় কৰা বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ ওচৰত মই চিৰঋণী ।

এই বিভাগত আৱশ্যকীয় সামগ্ৰীৰ বৰ অভাৱ হৈ আছে । এই অভাৱবোৰ মই মোৰ আগৰ প্ৰতিবেদনত উল্লেখ কৰিছো । কিন্তু সেই অভাৱবোৰ দূৰ কৰাৰ বাবে কৰ্তৃপক্ষই চেষ্টা কৰা মোৰ এতিয়ালৈ দৃষ্টিগোচৰ নহ'ল । মোৰ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ যেন তেওঁলোকে এই অভাৱবোৰ অতি সোনকালে দূৰ কৰে ।

অৱশেষত মোৰ কাৰ্য্যকালত মোক সকলো ধৰণেৰে সহায় সহযোগিতা আগবঢ়োৱা বাবে অধ্যক্ষ মহোদয়, তত্বাৱধায়ক আৰু বন্ধু-বান্ধৱী সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ ।

শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে—

**শ্ৰীমুকুল মেধি**
সম্পাদক, শৰীৰ চৰ্চ্চা বিভাগ
সুৰেন দাস মহাবিদ্যালয়, হাজো ।

# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বিভিন্ন সময়ত অসমৰ জলন্ত সমস্যাৰাজি উত্থাপন কৰিবলৈ গৈ প্ৰতিবাদ সাব্যস্ত কৰোতে যিসকলে নিজৰ জীৱন অসমী আইৰ চৰণত অৰ্পণ কৰিলে সেইসকল মহান শ্বহীদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে একেই কাৰণতে যিসকলে সমগ্ৰ জীৱনটোৰ কাৰণে আটাইতকৈ ভাল পোৱা নিজৰ শৰীৰটোক পঙ্গু কৰিলে সেইসকলৰ প্ৰতি সমবেদনা জনাইছো ।

সুৰেন দাস মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ মোক উপ-সভাপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সেৱা কৰিব দিয়াৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্য বৃন্দলৈ মোৰ শ্ৰদ্ধা জনাইছো । কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কাম কৰিম বুলি ভাবিছিলো কিন্তু কিছুমান অসুবিধাৰ বাবে সেইবোৰ কাম বাস্তৱত ৰূপায়িত কৰিব পৰা নগ'ল ।

আমাৰ কাৰ্য্যকালৰ ভিতৰত সময়মতে মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণি সভা, সৰস্বতী পূজা, পবিত্ৰ মহৰম উৎসৱ, বিভিন্ন সভা-সমিতি, নিৰ্ব্বাচন আদি সম্পাদন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল আৰু সকলোবোৰ অনুষ্ঠানেই আন্তৰিকতাৰে সম্পাদন কৰা হৈছিল ।

যুগৰ পৰিবৰ্ত্তন আৰু সামাজিক বিবৰ্ত্তনৰ লগে লগে বহু ক্ষেত্ৰত মানুহৰ মানসিক চিন্তাধাৰাৰো পৰিবৰ্ত্তন ঘটিছে । বিজ্ঞান তথা ৰাজনৈতিক দিশত কিছু পৰিবৰ্ত্তন আহিলেও অসমৰ তথা ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাৰ কিছু কাৰ্য্যই আমি যে এতিয়াও এটা সু-সভ্য জাতি হিচাপে বিশ্বত পৰিগণিত নহয় তাকেই সূচায় । সভ্যতাৰ চূড়ান্ত শিখৰত অৱতীৰ্ণ হৈয়ো আজি দেশৰ বিভিন্ন প্ৰান্তত সাম্প্ৰদায়িকতাৰ মনোভাৱ, জাতিগত সংঘৰ্ষ, ধৰ্মান্তৰভাৱ, মানুহৰ মাজত গাঢ় হৈ আছে । নিজৰ স্বাৰ্থ পূৰণৰ বাবে কেতবোৰ প্ৰতিক্ৰিয়াশীল শক্তিৰ প্ৰৰোচনাত মানুহৰ মাজত প্ৰতিদিনে হত্যা, লুণ্ঠন, সংঘৰ্ষৰ সৃষ্টি হ'ব ধৰিছে । সমাজখনৰ ভিতৰত বিভিন্ন ধৰ্ম্মৰ মাজত, বিভিন্ন সম্প্ৰদায়ৰ মাজত, বিভিন্ন জাতি-উপজাতি, জনজাতি-অজনজাতিৰ মাজত ভ্ৰাতৃত্ববোধৰ মনোভাৱ আজিও গঢ় লৈ উঠা নাই । সেই মানসিক চিন্তাধাৰাৰে পৰিপুষ্ঠ হৈ মহাবিদ্যালয়ৰ হকে আগবাঢ়ি যাওঁতে নিশ্চয় কৰবাত ভুল-ক্ৰুটি ৰৈ গৈছে । এই সমূহ ভুল-ক্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত এই সুযোগতে ক্ষমা বিচাৰিছো । শেষত বিভিন্ন সময়ত বিভিন্ন কাৰ্য্য সম্পাদন কৰিবলৈ যাওঁতে সহায়-সহযোগ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ সতীৰ্থসকল আৰু ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি শলাগ লৈছো । মাননীয় অধ্যক্ষ মহোদয় সমন্বিতে মোৰ শ্ৰদ্ধাৰ সমূহ অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীসকলে আগবঢ়োৱা দিহা পৰামৰ্শ আৰু সহায় সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনাইছোঁ ।

জয়তু সুৰেন দাস মহাবিদ্যালয়
"জয় আই অসম"

**মঃ আফজল হুছেইন**
উপ-সভাপতি
ছাত্ৰ একতা সভা ।

## খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক সুৰেন দাস মহাবিদ্যালয়ৰ খেল সম্পাদক হিচাবে বিপুল ভোটেৰে নিৰ্ব্বাচিত কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। শৰীৰক সুস্থ কৰি ৰাখিবলৈ হ'লে খেল-ধেমালিৰ অত্যন্ত প্ৰয়োজন। শৰীৰ সুস্থ থাকিলেহে দেহ-মনত উৎসাহ বাঢ়ে। খেলত সদায় খেলুৱৈ মনোভাৱ লৈ অংশ গ্ৰহণ কৰিলেহে খেলৰ প্ৰকৃত মূল্য পোৱা যায়। প্ৰাচীন কালৰ পৰাই মানুহৰ খেল-ধেমালিৰ প্ৰতি যি আকৰ্ষণ আজি কুৰি শতিকাত আৰু বহুগুণে ই বৃদ্ধি পাইছে। আজি খেল-ধেমালিৰ উন্নত মানদণ্ডই দেশৰ উন্নতি বুলি কলেও বঢ়াই কোৱা নহয়। আজিৰ যুগত খেল-ধেমালি শিক্ষাৰ এক অপৰিহাৰ্য্য অংগ হৈ পৰিছে। মহাবিদ্যালয়ৰ ফিল্ড আছে যদিও ই উপযুক্ত নোহোৱা বাবে যথা সময়ত খেল-ধেমালিৰ বাবে অসুবিধা আহি পৰে।

মহাবিদ্যালয়ৰ খেল বিভাগত থকা অভাৱসমূহ দূৰ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক তলৰ ব্যৱস্থাকেইটা কাৰ্য্যকৰী কৰিবলৈ অনুৰোধ জনালোঁ।

১। মহাবিদ্যালয়ৰ খেল পথাৰখন উন্নত কৰিবলৈ অনুৰোধ জনালোঁ।
২। প্ৰচুৰ পৰিমাণে খেলৰ সামগ্ৰী যোগান ধৰক।
৩। সকলো ধৰণৰ খেলৰ প্ৰশিক্ষণৰ প্ৰশিক্ষকৰ ব্যৱস্থা কৰক।

খেল সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ অলপ দিনৰ ভিতৰতেই অইন বেলিৰ দৰে এই বেলিও মহাবিদ্যালয় সপ্তাহ যোৱা ৮/১/৯৪ তাৰিখৰ পৰা ১২/১/৯৪ তাৰিখলৈ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। বাৰ্ষিক খেল-ধেমালিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীসুবোধ চন্দ্ৰ চৌধুৰীদেৱে। মহাবিদ্যালয় সপ্তাহৰ ক্ৰীড়া প্ৰতিযোগিতাত সৰ্ব্বশ্ৰেষ্ঠ সন্মান লাভ কৰে—

মঃ নকিব আলী (স্নাতক দ্বিতীয় বাৰ্ষিক)
শ্ৰীনীনা কলিতা (স্নাতক প্ৰথম বাৰ্ষিক)

মোৰ কাৰ্য্যকালত মোক সকলো প্ৰকাৰে দিহা পৰামৰ্শৰে সহায় কৰা বাবে তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীবিষ্ণুকান্ত শৰ্ম্মা দেৱৰ লগতে মোৰ বন্ধু ৰফিক, ফাইজুৰ, নকিব, আশ্ৰাফ, নুৰ হুচেইন, ইমৰান, নুৰুল হক আদিক আন্তৰিক ধন্যবাদ জনাইছো। শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি—

ধন্যবাদেৰে—
**এমঃ নাচিৰুদ্দিন আহমেদ (ৰাজু)**
সম্পাদক, খেল বিভাগ।

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন
ইং ১৯৯২-৯৩

প্ৰতিবেদনৰ আৰম্ভণিতে মই সুৰেন দাস মহাবিদ্যালয়ৰ ভৱন দাতা পৰম পূজনীয় ৺সুৰেন দাসদেৱৰ লগতে তেখেতৰ পৰিয়ালবৰ্গক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু সেইসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

ঐতিহ্য মণ্ডিত পুণ্যভূমি হাজোৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ৰ "ছাত্ৰ জিৰণি কোঠাৰ" সম্পাদক হিচাপে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্ব্বাচিত কৰিছে তেখেত-সকললৈ মোৰ শ্ৰদ্ধা আৰু মৰম নিবেদিছোঁ।

অতি দুখৰ বিষয় আমাৰ কলেজত আজিলৈকে এটি স্থায়ী ছাত্ৰ জিৰণি কোঠা নাই। গতিকে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰো যে অতিশীঘ্ৰে এটি স্থায়ী ছাত্ৰ জিৰণি কোঠাৰ ব্যৱস্থা কৰি দিয়ে যেন।

মোৰ কাৰ্য্যকালছোৱাত যথেষ্ট পৰিমাণে সহায় কৰি দিয়া বাবে এইসকল বন্ধু বান্ধৱীলৈ ধন্যবাদ থাকিল-- গণি, আইনুল, অঞ্জুকা, মইনা, নাৰ্জিতৰা, ৰমেনা আৰু কল্যাণী।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী, অধ্যাপক-অধ্যাপিকা সকলক শ্ৰদ্ধা জনাই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

ইতি—
**জমছেদ আলী** বি,এ (অনাৰ্চ)
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
সুৰেন দাস মহাবিদ্যালয়
ধন্যবাদ।

## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

ইং ১৯৯৩-৯৪

প্ৰতিবেদনৰ পাতনিতে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে দায়িত্ব দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো ।

মহাবিদ্যালয় এখনত এক সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তোলাৰ বাবে ছাত্ৰ জিৰণি কোঠাৰ একান্ত প্ৰয়োজন । আজৰিপৰত মহাবিদ্যালয়ৰ বাৰাণ্ডাত থিয় হৈ থাকি নতুবা বাহিৰত থিয় হৈ হুলস্থূলীয়া পৰিবেশ সৃষ্টি কৰাতকৈ ছাত্ৰ জিৰণি কোঠাত বহি দুই এখন ভাল আলোচনী পঢ়া, বিভিন্ন খেলা-ধূলাৰ মাজেদি মানসিক তথা বৌদ্ধিক দিশৰ উন্নতি সাধনৰ চেষ্টা কৰাটোহে প্ৰয়োজনীয় কথা । কিন্তু অতি দুখৰ বিষয় যে ১৯৭৯ চনতে স্থাপিত হোৱা আৰু ১৯৮৭ চনত ঘাটি মঞ্জুৰী প্ৰাপ্ত আমাৰ মহাবিদ্যালয়খনিত এতিয়ালৈকে এটা স্থায়ী ছাত্ৰ জিৰণি কোঠাৰ অভাৱ পূৰণ নহ'ল ।

গতিকে মহাবিদ্যালয় কৰ্তৃপক্ষক মই মোৰ এই প্ৰতিবেদনৰ জৰিয়তে বিনয়েৰে অনুৰোধ কৰিছো যাতে ছাত্ৰ সকলৰ এই অভাৱখিনি পূৰণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে ।

শেষত মোৰ কাৰ্য্যকালত অজ্ঞাত ভাৱে হৈ যোৱা ভুলৰ বাবে পূজনীয় শিক্ষাগুৰু সকলৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিছাৰিছোঁ । লগতে মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

ধন্যবাদেৰে—
**শ্ৰীমানবেন্দ্ৰ মালাকৰ**
সম্পাদক,
ছাত্ৰ জিৰণি কোঠা ।

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

ইং ১৯৯৩-৯৪

জয়জয়তে ১৯৯৩-৯৪ চনৰ সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনৰ জৰিয়তে মোক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে সতীৰ্থ বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

সহৃদয় বন্ধু-বান্ধৱী সকলে সেৱা আগবঢ়াৱলৈ যিকণ সুবিধা প্ৰদান কৰিলে অনুশাসনৰ মাজেৰে সেই সুবিধাকণৰ সদব্যৱহাৰ কৰিবলৈ প্ৰতিজ্ঞা কৰিছিলো আৰু সেই মৰ্মে মই ছাত্ৰী জিৰণি কোঠাৰ বাবে প্ৰয়োজনীয় আহিলাসমূহ যোগান ধৰাৰ বাবে চেষ্টা কৰিছিলো । ইয়াৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰি আংশিকভাৱে কেইটামান পূৰণ কৰিব পাৰিছিলোঁ । অৰ্থৰ অভাৱে বহু প্ৰয়োজন পূৰণত বাধাৰ সৃষ্টি কৰিলে । আশা ৰাখিছো ইয়াৰ প্ৰয়োজনীয় অভাৱখিনি যথাসম্ভৱ কলেজ কৰ্তৃপক্ষই পূৰণ কৰিব ।

সৰ্ব্বশেষত সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও মৰম নিবেদন কৰিলোঁ ।

ধন্যবাদেৰে—
**বেগম ৰুফিয়া আহমেদ**
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা ।

## শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

ইং ১৯৯৩-৯৪

জয়জয়তে সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, কৰ্ম্মচাৰী বৃন্দ আৰু মোৰ শ্ৰদ্ধাভাজন শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, যি সকল বন্ধু-বান্ধৱীয়ে মোৰ প্ৰতি মৰম আৰু আস্থাৰ চিন স্বৰূপে ১৯৯৪ বছৰটোৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি এটি মহৎ উদ্দেশ্য ৰূপায়িত কৰাৰ বাবে মোক সহায় কৰিলে।

"Health is wealth" শৰীৰ সুস্থ থাকিলেহে মন সুস্থ থাকে। সংসাৰ যাত্ৰাত আমি কামনা কৰো স্বচ্ছন্দতা, আনন্দ মুখৰতা আৰু নিৰস্কুশ পৰমায়ু। তাৰ মূলধন হ'ল স্বাস্থ্য। স্বাস্থ্য লাভৰ উপায় হৈছে শৰীৰ চৰ্চা বা শাৰীৰিক শিক্ষা। সুস্বাস্থ্য হলেহে সাধনাত সিদ্ধি লাভ কৰিব পাৰি। তদুপৰি শৰীৰ সুস্থ আৰু নিৰোগী কৰিবলৈ হ'লে শৰীৰ চৰ্চ্চাৰ বিশেষ প্ৰয়োজন। কবি বলোদেৱ মহন্তই সেয়ে তেওঁৰ কবিতাত কৈছে—

"সুখ নাই সুখ নাই কত ধৰুৱাৰ
অনুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ।"

ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মই কিন্তু শৰীৰ চৰ্চ্চা বিভাগৰ পৰা প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱৰ বাবে একাদিক্ৰমে কাৰ্য্যসূচী দিব নোৱাৰিলোঁ। সেয়ে কেৱল মাথোন ভাৰ উত্তোলন (ল'ৰাৰ) আৰু পাঞ্জা (ল'ৰাৰ) বিভাগৰ হে প্ৰতিযোগিতা পাতিবলৈ সক্ষম হলো। এই প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ পৰা সম্পূৰ্ণ সঁহাৰি আৰু প্ৰতিযোগিতামূলক মনোভাৱ এটি যে পাইছিলো তাক অস্বীকাৰ কৰিব নোৱাৰোঁ।

এই বিভাগটোৰ বাবে আৱশ্যকীয় সামগ্ৰীৰ অভাৱ এতিয়াও আছে। আশাকৰো কৰ্তৃপক্ষই এই অভাৱ-অভিযোগ সমূহ অতি সোনকালে দূৰীকৰণৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব।

অৱশেষত মোৰ এই কাৰ্য্যকালত সকলো ধৰণৰ সহায় আৰু পৰামৰ্শ আগবঢ়োৱাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীপ্ৰসন্ন কুমাৰ চহৰীয়া আৰু সহৃদয় বন্ধু-বান্ধৱী ৰফিক, নুৰুল, ফাইজুল, নকিব আৰু হাচানক কেতিয়াও পাহৰিব নোৱাৰিম। ছাত্ৰ একতা সভাৰ লগতে মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ। ইতি—

ধন্যবাদেৰে—

**জাহিৰুল হ'ক**
সম্পাদক, শৰীৰ চৰ্চ্চা বিভাগ
ছাত্ৰ একতা সভা।

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

১৯৯৩-৯৪ ইং

প্ৰতিবেদনৰ প্ৰাকমূহুৰ্ত্তত অসম মাতৃৰ স্বাৰ্থৰ হকে মৃত্যু বৰণ কৰা বীৰ শ্বহীদ সকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। লগতে ১৯৯৩-৯৪ চনৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰাৰ বাবে সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

সমাজৰ কল্যাণৰ হকে কৰি যোৱা সেৱাই হৈছে সমাজসেৱা। মই সমাজসেৱাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতেই প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাৰ আগদিনাই মহাবিদ্যালয় চৌহদটো পৰিস্কাৰ কৰি তোলো।

অইন বছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ত নৱাগত আদৰণি সভাত সমাজসেৱা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, আৰু তৃতীয় স্থান অধিকাৰ কৰা প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়। লগতে সমাজসেৱা বিভাগৰ ২য় বছৰটোত শ্ৰীখনিন্দ্ৰ দাসক শ্ৰেষ্ঠ সমাজসেৱী পুৰস্কাৰ প্ৰদান কৰা হয়।

মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন সময়ত দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যাপক আলী আকবৰ হুছেইন আৰু মোৰ প্ৰিয়বন্ধু-- মানবেন্দ্ৰ মালাকৰ, ভৱানন্দ আঠপৰীয়া, দিগন্ত মালাকৰ, খনিন্দ্ৰ দাসলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালছোৱাৰ অজ্ঞাতে কৰা ভুলৰ বাবে সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে—

**শ্ৰীধীৰাজ মালাকৰ**
সম্পাদক,
সমাজসেৱা বিভাগ
সুৰেন দাস মহাবিদ্যালয়, হাজো

# তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

পূণ্যভূমি হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ ১৯৯২-৯৩ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াৱলৈ সুবিধা দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বীৰ যোদ্ধাৰ ভূমিকা পালন কৰি কলিজাৰ কেঁচা তেজেৰে অসম মাতৃৰ পূজা কৰা জ্ঞাত-অজ্ঞাত শ্বহীদ সকলৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

শিক্ষানুষ্ঠান সমূহৰ বাবে নিৰ্দ্ধাৰিত পুথিগত বিদ্যাৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীও সৰ্ব্বতো প্ৰকাৰ বিকাশৰ বাবে পাঠ্যক্ৰম বহিভূত ভালেমান বিষয়ৰ জ্ঞান শিক্ষাৰ্থী সকলৰ বাবে অপৰিহাৰ্য্য। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি আবেগৰ দ্বাৰা পৰিচালিত হোৱাতকৈ যুক্তিৰ দ্বাৰা পৰিগলিত হোৱাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰ্য্যায়ত তৰ্ক বিভাগৰ গুৰুত্ব অপৰিসীম। তৰ্ক বিভাগৰ তৰফৰ পৰা মোৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰা প্ৰতিযোগীক পুৰস্কৃত কৰা হৈছে। ইয়াৰ বাহিৰেও বিভিন্ন ঠাইত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰিছে। মোৰ কাৰ্য্যকালত বিশেষভাবে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীপ্ৰসন্ন কুমাৰ চহৰীয়া আৰু ইংৰাজী বিভাগৰ অধ্যাপক আলী আকবৰ হুচেইনলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো আৰু সেই সকল ছাত্ৰ-ছাত্ৰী যি সকলৰ অবিহনে আমি আমাৰ কৰ্ত্তব্যত যথেষ্ঠ বাধা পালোহেতেন। সেই সকল বন্ধুবৰ, চাহাবুদ্দিন আহমেদ, ৰেজিয়া, তাইজুদ্দিন, টংকেশ্বৰ, নজৰুল, আশ্ৰফ, আফজল, ফিৰোজ, খবিৰ, ইলিজা ইত্যাদি সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ মহাবিদ্যালয়ৰ সমূহ কৰ্ম্মচাৰীৰ প্ৰতি।

শেষত অজানিতে হোৱা ভুল-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা কৰি তৰ্ক বিভাগৰ সম্পাদকৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয় আই অসম"
"জয়তু সুৰেন দাস মহাবিদ্যালয়"

**মঃ আব্দুল গনি খান চৌধুৰী**
সম্পাদক, তৰ্ক বিভাগ
ছাত্ৰ একতা সভা।

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ইং ১৯৯২-৯৩

প্ৰতিবেদনৰ আৰম্ভণীতে মই সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাছিলোঁ।

সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি হাজো সুৰেন দাস মহাবিদ্যালয়ৰ সেৱা আগবঢ়ালৈ যি কণ সুবিধা আগবঢ়াইছিল তাৰবাবে মই সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্মীবৃন্দৰ ওচৰত কৃতজ্ঞ।

সমাজসেৱাৰ প্ৰয়োজনীয়তা আৰু মূল্যবোধ নিৰূপণ কৰে ব্যক্তিৰ মানসিক বিকাশ আৰু সম্প্ৰসাৰণৰ ওপৰত সেয়ে সমাজৰ সেৱা বা কাৰ্য্য কৰিবলৈ মানসিক সচেতনতাৰ প্ৰয়োজন। বিশেষকৈ আজিৰ পুৰুষে ঐতিহ্যৰ বাহকৰ ভূমিকা লৈ সমাজসেৱাত ছাত্ৰ-ছাত্ৰী সকলে অৱতীৰ্ণ হোৱাটো অত্যন্ত গুত্বৰুপূৰ্ণ হৈ পৰিছে।

সমাজৰ প্ৰতিটো অৱস্থা, পৰিবেশ আদিৰ ওপৰত বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ দৃষ্টিগোচৰ হোৱাটো বাঞ্চনীয়। কিয়নো সামাজিক চেতনা বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এক সামাজিক বৈপ্লৱিক জাগৰণ। ইয়াৰ সম্প্ৰসাৰণ, দায়বদ্ধতা, গুৰুত্ব, মূল্যবোধ আৰু প্ৰয়োজনীয়তা সম্পৰ্কীয় প্ৰচাৰ কেৱল ছাত্ৰ-ছাত্ৰী সকলৰহে সিদ্ধ কাৰ্য্য। এই ক্ষেত্ৰত সমাজৰ ব্যক্তি বিশেষৰ পৰামৰ্শৰ অত্যন্ত আৱশ্যক কিয়নো সামাজিক সেৱাৰ নিচিনা গুৰুত্বপূৰ্ণ কাৰ্য্য কৰিবলৈ যাওঁতে এক গভীৰ সামাজিক শিক্ষাৰ বা অভিজ্ঞতাৰ প্ৰয়োজন এই ক্ষেত্ৰত সমাজৰ অভিজ্ঞ ব্যক্তিৰ দিহা পৰামৰ্শই সামাজিক অৱদানৰ ভূমিকা লয়।

সুৰেন দাস মহাবিদ্যালয়ৰ সামাজিক কামবোৰ মোৰ ওপৰত ন্যস্ত কৰাত মই ইয়াক সুচাৰু-ৰূপে সম্পাদনা কৰিবলৈ যত্নৰ ক্ৰুটি কৰা নাই। মহাবিদ্যালয়ৰ সমূহ কাৰ্য্যসূচীবোৰত মই মোৰ সাধ্যানুসাৰে আৰু মহাবিদ্যালয়ৰ তৰফৰ পৰা আগবঢ়োৱা পুঁজিৰে যি সেৱা আগবঢ়োৱাৰ দায়িত্ব অৰ্পণ কৰিছিল তাক সফল কৰিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই তাৰ নিৰ্ণয় আপোনালোকৰ ওপৰত এৰিলোঁ।

মানুহ মাত্ৰেই ভুল হয় সেয়েহে মোৰো ভুল হোৱাটো স্বাভাৱিক। মোৰ ওপৰত ন্যস্ত কৰা দায়িত্বখিনি পালন কৰিবলৈ যাওঁতে জানি বা অজানিতে ভুল হোৱাটো স্বাভাৱিক। তাৰবাবে

মই সুৰেন দাস মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

**কৃতজ্ঞতা**— মোৰ কাৰ্য্যকালৰ সময়চোৱাত তত্বাৱধায়কৰ দায়িত্বত থাকি সুৰেন দাস মহাবিদ্যালয়ৰ ( ইংৰাজী বিষয়ৰ ) শিক্ষাগুৰু মঃ আলী আকবৰ হুছেইন মহোদয়ে যি পৰামৰ্শ আগবঢ়াইছিল তাৰবাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

সৰ্ব্বশেষত হাজো সুৰেন দাস মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

শ্ৰীশৈলেন দাস
সম্পাদক, সমাজসেৱা বিভাগ
সুৰেন দাস মহাবিদ্যালয়।

